Shri Narendra Nath Sarma—এই চৰনীয়া পথাৰ বিলাকৰ ভিতৰত যিবিলাক Grazingৰ উপযোগী নহয় সেইবিলাক ভূমিহীন খেতিয়কৰ মাজত খেতি কৰিবলৈ খুলি দিব নেকি ?

Shri Mahendra Mohan Choudhury—চৰকাৰে সেই ব্যৱস্থাই কৰিছে। সেই উদ্দেশ্যে মহকুমা মাটি উপদেষ্টা কমিটিৰ পৰা পৰামৰ্শ বিচাৰিছে।

Shri Kamini Mohan Sarma—P. G. R বিলাকৰ পৰা বছৰি চৰকাৰৰ কিমান টকা লাভ হৈছে ?

Shri Mahandra Mohan Choudhury—এইটো প্ৰশ্ন হৈছে Enclochuse প্ৰসঙ্গত, সেই কাৰণে P. G. Rৰ পৰা গৰু মহৰ পৰা কিমান tax চৰকাৰৰ হাতলৈ আহে কব বৰ্ত্তমান নোৱাৰো।

**Re : Total quanttiy of Sugar received by Deputy Director of Supply Dibrugarh during January, 1968 to November, 1968**

Shri BHADRA KANTA GOGOI asked :

*227. Will the Minister-in-charge of Supply be pleased to state—

(a) The total quantities of Sugar received by the Deputy Director of Supply during the period from January, 1968 to November, 1968?

(b) The total quantities of Sugar allotted for Tinsukia Circle and Dibrugarh Circle during that period (figures to be shown separately)?

(c) The names of the town and semi-towns in Dibrugarh and Tinsukia Circle?

Shri RAMESH CHANDRA BAROOAH (Minister, Supply) replied :

227. (a)—36,975 quintals.

(b)—18,850 quintals in Tinsukia Circle.

18,125 quintals in Dibrugar-1 Circle.

Dibrugarh Circle.

(c)—Chabua, Moran, Khowang, Barbaruah, Lahowal, Tengakhat, Dikom, Panitola, Dhemaji, Jonai, Proper Mohanbari, Dibrugarh, Municipal area and its outskirts.

For Tinsukia Circle

Tinsukia, Naharkatia, Doom Dooma, Digboi, Margherita, Makum

Shri Bhadra Kanta Gogoi—আমি জনাত তিনচুকীয়া Circle আৰু ডিব্ৰুগড় Circleৰ জনসংখ্যা প্ৰায় সমান। তেনেস্থলত বিতৰণ ক্ষেত্ৰত ইমান তাৰতম্য কিয় হৈছে?

Shri Ramesh Chandra Barooh—তিনচুকীয়াত ১৮৮৫০ কুইণ্টল আৰু ডিব্ৰুগড়ত ১৮১২৫ কুইণ্টল ইয়াৰ পৰা দেখা যায় যে তাৰতম্যও অতি সমান.।

Shri Sadhan Ranjan Sarkar—Sir, whether sugar was supplied in that period in every district and divisional towns ?

Shri Bhadra Kanta Gogoi— ডুলিয়াজানৰ থাৰ্মেল Projectৰ জনসংখ্যা ও ধৰা হৈছে নেকি ?

Shri Ramesh Chandra Barooah—এই খণ্ড তিনচুকীয়া, নাহৰকতীয়া অধিনৰ ভিতৰত পৰিছে।

Shri Durgeswar Saikia— চাৰ, চাহবাগানৰ Population ও হিচাবত ধৰা হৈছে নেকি ?

Shri Ramesh Chandra Barooah —ধৰা নাই।

Shri Bhadreswer Gogoi—অধ্যক্ষ মহোদয়, Semi-town কাক কয় ?

Shri Ramesh Chandra Baruah— য'ত Municipality নাই, মাত্ৰ Town Committee আছে তাকে Semi-town বোলা হয় ?

Shri Kamini Mohan Sarma— চেনি বিতৰণৰ ক্ষেত্ৰত টাউন আৰু গাৱৰ বেমেজালি হব নেলাগিছিল ; বিতৰণ ব্যৱস্থা হুয়ো ক্ষেত্ৰতেই সমপৰ্য্যায়ৰ হব লাগিছিল।

Shri Ramesh Chandra Barooah— সমপৰ্য্যায়ৰ হব লাগিছিল কিন্তু বস্তু নেথাকিলে কৰ পৰা দিম।

Shri Sadhan Ranjan Sarkar—On what consideration this disparity supply both in villages and towns is maintained.

Shri Ramesh Chandra Barooah—Urbanত এটা rate আৰু Ruralত এটা Rate তেনেকুৱা কোনো concession নাই।

Shri Durgeswar Saikia—চাহবাগানত চেনি কিয় দিয়া নহয় ?

Shri Ramesh Chandra Barooah— তেওঁলোকে Fair Price Shopৰ পৰা পাইছে।

Shri Durgeswar Saikia— Fair Price Shopত workers সকলক নিদিয়ে।

Shri Kamini Mohan Sarma—চৰকাৰে জানেনে যে গাৱঁৰ মানুহবো চেনিৰ প্ৰয়োজন অতি বেচি অন্ততঃ সৰু ল'ৰা-ছোৱালী আৰু বেমাৰীক খুৱাবলৈ লাগে। গাৱঁৰ মনুহেও সমপৰ্য্যাত চেনি পোৱাৰ ব্যৱস্থা কৰিব লাগে। এইটো ভৱিষ্যতে কৰিবনে নকৰে ?

Shri Ramesh Chandra Barooah— মই আগতেই কৈছো—সম পৰ্য্যায়ত বিতৰণ কৰিবলৈ বিচৰা কথা। কিন্তু বস্তুৰ নাটনিৰ কাৰণেহে কৰিব পৰা নাছিলো। এই মাহৰ পৰা rural অঞ্চলতো কোটা বঢ়াই বিতৰণৰ ব্যৱস্থা কৰা হৈছে।

Shri Binoy Krishna Ghose—যোৱা ভোগালী বিহুত বহু ঠাইৰ মানুহে চেনি খাবলৈ পোৱা নাই ; কথাটো সচাঁনে ?

Shri Ramesh Chandra Barooah—সেইটো হব পাৰে।

Shri Malia Tati— মন্ত্ৰীমহোদয়ে জানেনে যে চাহবাগানৰ মানুহে বস্তু বিচাৰি গলে—যোগান বিভাগৰ ডেপুটি ডাইৰেক্টৰ আদিয়ে তেওঁলোকক অমানুষিক ব্যৱহাৰ কৰে ?

Shri Ramesh Chandra Barooah— মই এই বিষয়ে নেজানো। আগলৈ যাতে এনে নহয় তাৰ ব্যৱস্থা কৰিম।

## UNSTARRED QUESTIONS

(To which answers were laid on the table)

**Re : Establishment of Police Out-post at Boitamari**

Shri MATHURA MOHAN SINHA asked :

127. Will the Chief Minister be pleased to state—

(a) Whether there is any proposal to establish a Police Out-post at Boitamari in the District of Goalpara ?

(b) If so, when it is expected to be started ?

(c) If not, whether Government propose to establish an Out-post there ?

Shri BIMALA PRASAD CHALIHA (Chief Minister) replied :

127. (a)—There is no such proposal at present.

(b)—Does not arise in view of (a) above

(c)—Having regard to the distance of the area from the present Police Station at Abhayapuri lack of good communication and existence of Tahsil Office and other Government Offices at Boitamari the question of establishing an Out-post there is being examined by the Inspector General of Police.

Shri Mathura Mohan Sinha—Out-post কিয় কৰা নহয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে ?

Shri Mahandra Mohan Choudhury—তথ্যপাতি সংগ্ৰহ কৰা হৈছে। যদি সমিধান যেন দেখা হয় তেতিয়া কৰা হব।

### *Re* : Motor accidents by Military Vehicles in Cachar District

Shri JATINDRA MOHAN BARBHUIYA asked :

128. Will the Chief Minister be pleased to state—

(a) What is the total number of motor accidents by Military vehicles in the district of Cachar since January, 1964 to December, 1968 ?

(b) How many people died of these accidents by Military vehicles ?

(c) What is the total number of motor accidents by Civil vehicles in the district of Cachar since January, 1964 to December, 1968 ?

(d) How many people died of these accidents by Civil vehicles ?

Shri BIMALA PRASAD CHALIHA (Chief Minister) replied :

128. (a)—There were 33 motor accidents by Military, para-Military and Armed Police vehicles in the district of Cachar during this period.

(b) – Ninteen.

(c) – Two hundred and forty seven.

(d) – Ninety-two.

*Re* : **Khadi Gram Udyog Centre at Kumarikata**

Shri MANESWAR BORO asked :

129. Will the Minister for Village Industries be pleased to state–

(a) Whether it is a fact that there is a Khadi Gram Udyog Centre at Kumarikata ?

(b) If so, what is the total income and expenditures since 1966 and upto date ?

(c) How many officers and workers are there ?

Shri Mahendra Nath Hazarika (Minister, Sericulture and Weaving) replied :

129. (a)—Yes, there is a Gur Development Centre under the Khadi and Village Industries Board at Kumarikata.

(b)—The Gur and Khansari Scheme is mostly a demonstration Scheme for introducing improved implements for the manufacture of Gur. So it is not a paying concern. The expenditure incurred by the Board during the period from 1966 to February, 1969 in maintaining the staff is Rs. 10,038·65 P.

(c)—Only two workers—one Demonstrator and the Gur-Guide.

Shri Moneswar Boro – উত্তৰত কেৱল খৰচটোহে দেখুৱাইছে যে ১০,০৩৮ টকা ৬৫ পয়চা। কিমান আয় হ'ল সেইটো কিয় দিয়া নাই ?

Mahandra Nath Hazarika—অধ্যক্ষ মহোদয়, ইয়াত উল্লেখ কৰা হৈছে যে আয় নহয়।

Shri Gaurisankar Bhattacharyya—লাভ হয় নে নহয়?

Shri Mahendra Nath Hazarika—অধ্যক্ষ মহোদয়, আমাৰ আচনিটো হৈছে নতুন উন্নত পদ্ধতিৰে গুড় কৰিবলৈ শিকোৱা। আৰু পুৰণি শালৰ ঠাইত নতুন শালৰ ব্যৱহাৰ কৰা। এই নতুন শালৰ দ্বাৰা কুঁহিয়াৰৰ ৰস শতকৰা ৬৫% ভাগ বেছিকৈ উলিয়াব পাৰি। কম খৰচত গুড় পগোৱা প্ৰশিক্ষণ দিয়া হয়। আমি প্ৰায় ১৯ খন নতুন শাল আৰু ৭টা নতুন ধৰণৰ থালি বিতৰণ কৰিছোঁ।

Shri Gaurisankar Bhattacharyy—কুমৰিকটাত কেন্দ্ৰ এটা খোলা হৈছে। কেনেকৈ নতুন পদ্ধতিত কুঁহিয়াৰৰ বেছি ৰস উলিয়াই গুড় কৰা হয়। সেই গুড় কলৈ গ'ল?

Shri Mohendra Nath Hazarika—কম খৰচত যাতে ভাল গুড় উৎপন্ন কৰিব পাৰি তাৰ বাবে আমি কেন্দ্ৰ কৰিছো। আৰু সেইবিলাক কেন্দ্ৰত ঠায়ে ঠায়ে প্ৰায় ১৯ খন শাল বিতৰণ কৰিছো আৰু ৭টা নতুন ধৰণৰ ঠালি বিতৰণ কৰিছো।

Shri Gaurisankar Bhattachauryya—কুমৰিকটাত এটা কেন্দ্ৰ খোলা হৈছে। এই কেন্দ্ৰত উন্নত ধৰণৰ গুড় কমেই হওক বা বেচিয়েই হওক প্ৰস্তুত কৰাৰ ব্যৱস্থা কৰিছে। সেইটো ভাল কথা। পিচে সেই গুড়-বিলাক গ'ল কলৈ?

Mr. Speaker—Now the question hour is over.

### *Re :* Opposition of local people to dereservation of V. G. Rs and P. G. Rs.

M. SHAMSUL HUDA asked :

130. Will the Minister, Revenue be pleased to state—

(a) Whether it is a fact that in each case of dereservation of V. G. Rs and P. G. Rs, the local people raised vehement opposition ?

(b) Whether it is also a fact that everywhere the opposing people are rich peasants and land holders ?

(c) Whether it is also a fact that in such cases Government yield to their opposition at the cost of the interest of the poor and landless agricultural labourers of the State ? If so, why ?

(d) Where the law in this regard can be suitably changed for the better ?

Shri MAHENDRA MOHAN CHOUDHURY (Minister, Revenue) replied :

130. (a) No. It is not a fact that in each case of dereservation local people raise opposition. But in some cases local people raise objection at the time of dereservation proposal of V. G. Rs and P. G. Rs. in the interest of the cattle population. These objections are heard and disposed of by the Deputy Commissioner according to the procedure.

(b)—This question is too general.

(c)—No. Each case is disposed by Government on its own merit.

(d)—Government do not consider any change is necessary.

*Re* : **Starvation death cases in the Derapather Rehabilitation Site**

Shri SADHAN RANJAN SARKAR asked :

131. Will the Minister-in-charge of Relief and Rehabilitation be pleased to state—

(a) Whether the Government is aware that there are several cases of deaths due to starvation in the Derapather Rehabilitation site in the district of Nowgong ?

(b) Whether the Minister-in-charge has received any representation from the representatives of that area to that effect ?

Shrimati PADMA KUMARI GOHAIN (Minister of State, Relief and Rehabilitation) replid :

131. (a)—The Government is not aware of any death at Derapather Rehabilitation site due to starvation.

(b)—No representations from the representative (M.L.A) of that area have been received, but one Munindra Snal of Derapather sent to telegram alleging that three persons of Derapather had died of starvation. After enquiry it was found that these persons were suffering from diseases for a long time and their deaths were due to prolonged ailments.

*Re* : **Number of Tubewells sunk at Derapather**

Shri SADHAN RANJAN SARKAR asked :

132. Will the Minister-in-charge of Relief and Rehabilitation be pleased to state—

(a) The number of tubewell sunk by the Department for making drinking water available to those displaced persons at Derapather ?

(b) How many are in the working condition at present ?

Shrimati PADMA KUMARI GOHAIN (Minister of State, Relief and Rehabilitation) replied :

132. (a)—Fortysix tubewells.

(b)—Almost all of them are in working condition.

**Re : Number of tarpaulins brought to Derapather**

Shri SADHAN RANJAN SARKAR asked :

133. Will the Minister-in-charge of Relief and Rehabilitation be pleased to state—

(a) The total number of tarpaulins brought to the site at Derapather for making tents prior to the construction of permanet shelters ?

(b) How many of such tarpaulins have been received back by the Department ?

(c) What is the total cost of such tarpaulins ?

Shrimati PADMA KUMARI GOHAIN (Minister of State for Relief and Rehabilitation) replied :

133.— (a) Four hundred and eighty pieces of tarpaulins.

(b)—The tarpaulins still belong to the Department and as such the question of return to the Department does not arise.

(c) – Rs. 1,07,616·00 (Rupees one lakh, seven thousand six hundred and sixteen) only.

**Re : The amount of rupees have been spent by the Department at Derapather under the head Communication**

Shri SADHAN RANJAN SARKAR asked :

134. Will the Minister-in-charge of Relief and Rehabilitation be pleased to state –

(a) Whether it is a fact that about a lakh of rupees have been spent by the Department at Derapather under the head 'Communication' merely for repairing 2 (two) old wooden bridges and for cutting jungles by employing the refugees ?

(b) Whether the Government propose to make a thorough probe as to the progress of work in relation to the expenditure made so far under different heads ?

Shrimati PADMA KUMARI GOHAIN (Minister of State, Relief and Rehabilitation) replied ;

134. (a) – So far an amount of Rs. 71,696 has been

spent on the approach road from Kakicharili to Derapather. This amount was spent for repairing of three wooden bridges on the road, for collecting metals and gravelling the road, and for doing earthwork on the road. Refugee labourers were employed for repairing and reconstruction of the road on wages.

(b) – Government does not consider it necessary.

**Re : Puthimari River on the Tamulpur-Goreswar P.W.D. Road**

Shri MANESWAR BORO asked :

135. Will the Minister, P. W. D. ( R. & B. ) be pleased to state—

(a) Whether Government is aware of the fact that the Puthimari River on the Tamulpur-Goreswar P. W. D. Road has disconnected the Goreswar, Tamulpur and Nalbari Areas ?

(b) If so, whether Government has proposed to take up a scheme for construction of bridge over the Puthimari River at Gandhibarighat during the Fourth Five Year Plan ?

(c) If not why ?

Shri ALTAF HOSSAIN MAZUMDER [ Minister of State, P. W. D. ( R. & B.) ] replied :

135. (a)—Yes.

(b)—No.

(c) – Due to paucity of fund.

**Re : Number of Questions replied during the Session**

M. Samsul Huda—অধ্যক্ষ মহোদয়, এই বিধান সভা আৰম্ভ হোৱাৰ আজিলৈকে ২৮ দিন হৈ গ'ল। আৰু যোৱা কেইদিন মাত্ৰ ৮.১ কৈ প্ৰশ্ন আহিছে। গতিকে দেখা যায় প্ৰশ্নৰ পৰিমান আটাইতকৈ কম হৈছে। এইটোৰ দ্বাৰা ইয়াকে কৰা হৈছে যে হয় চৰকাৰক ৰেহাই দিয়াৰ ব্যৱস্থা কৰা হৈছে, নহয় প্ৰশ্ন বিলাকৰ দায়িত্ব এৰাৰ ব্যৱস্থা কৰা হৈছে। এনে কৰি শেষ দিনা আমি দেখিম যে প্ৰশ্ন একেলগে ভুম কৰি দিছে তাত উপপ্ৰশ্ন কৰাৰ সময় নাই।

এই ব্যৱস্থাৰ প্ৰতি আপোনাৰ মই বিশেষ দৃষ্টি আকৰ্ষণ কৰিছো। এইটো যাতে নহয় তাৰ এটা যথা যথ ব্যৱস্থা আপুনি গ্ৰহণ কৰিব লাগে।

Mr. Speaker—অহা কালি মই প্ৰশ্ন সম্পৰ্কে বিশেষ Statement এটা দিম। ইয়াৰ পিচত আপোনালোকে যিবিলাক প্ৰশ্ন কৰিব, সেই মতে ব্যৱস্থা লোৱা হব।

Shri Rothendra Noth Sen— We want the statement department waise.

**Re : Transfer of an Assamese Teacher to Tura.**

Shri Lakhyadhar Choudhury—অধ্যক্ষ মহোদয়, ইয়াৰ জৰিয়তে সদনত এইটো উত্থাপন কৰিব বিচাৰিছো যে এই ঘটনাৰ উদ্ভৱ হোৱাৰ কাৰণ হ'ল চৰকাৰৰ বৰ্ত্তমান প্ৰচলিত ত্ৰুখিত নিয়োগ নীতি। তুৰা গৱৰ্ণমেণ্ট Multipurpose Schoolৰ ছাত্ৰ সকলে এজন civics teacher নিয়োগ কৰাৰ ক্ষেত্ৰত প্ৰতিবাদ কৰি এখন চৰম পত্ৰ দাখিল কৰিছে। সেই চৰম পত্ৰখন মই পঢ়ি দিওঁ।

To :

The Director of Public Instruction, Assam, Shillong.

Subject : Immediate cancellation of appointment of Shri Prabhat Bhuyan as Civics teacher.

Sir,

The students of Ture Govt. Multipurpose School very much regret to note the challenging attitude of the authorities inspite of our strike against the deputation of outsiders to this institution. The strike which has been kept in abeyance for the time being in response to the appeal of the Joint Director for Hills once more rouse the restless spirit of the students by appointment of an outsiders as a civics teacher.

That, there are qualified Garo candidates who applied for the post and there is no need of sending outsiders to this institution. It is therefore, our firm determination to turn out this man from this District and to this and in view, we shall employ any method fair and foul.

That, in justification of our action, we beg to remind the authorities that we have learned this from the Assamese people who wanted Assamese for every available post in the State. As an example we beg to note the following :

(a) Dr. H. J. Tailor, the former Vice Chancellor of Guwahati University and a world renown Scientist has been turned out of the Vice Chancellorship in preferece to Dr. Mathura Nath Goswami, an Assamese.

(b) Shri Naidu, the former Chief Justice of High Court of Assam and Nagaland has been ousted in preference to an Assamese candidate.

(c) A big trouble and widespread strikes have been launched to drive away the oil Refinery employees from the state in preference to Assamese candidates.

(d) Looting and arson has been committed on the Non-Assamese dwellers of Guwahati on 26th January, 1968.

(e) Only recently there was a demand from an Assamese M L A to diminish the members of I A S personel, as most of the I A S officers are found to be outsiders. There was also a demand from another MLA to use Assamese language in the Assembly inspite of the fact that Assam is a multilingual state.

That, the above examples are quite enough to justify our action and we beg the authorities to have clear understanding of our stand and do justice and fairplay.

Yours faithfully

Sd/—Clifford Marak

Joint Secretary,

Students' Union, Govt. Multipurpose School, Tura.

Copy to :–

1) Joint D. P. I, for Hills, Assam, Shillong
2) Inspector of School, Garo Hills, Tura
3) Education Minister, Assam, Shillong
4) Capt. W. A. Sangma, Garo Hills, Tura
5) Chairman, Managing Committee, Tura Govt. M. P. School
6) Shri Prabhat Bhuyan Tura Govt. M. P. School
7) Principal, Tura Govt. M. P. School.

Telegram যোগে Joint D. P. I. ক আগতে জনোৱা হৈছে।
Demand immediate removal of Prabhat Bhuyan. Appoint Garo. এই ক্ষেত্ৰত এনেকুৱা পৰিস্থিতি হৈছে যে Principalএ এই শিক্ষক জনৰ ৰক্ষণা-বেক্ষণৰ বাবে একো দিব পৰা নাই। এই শিক্ষক জনে ক্লাচ কৰিবলৈ গলে ছাত্ৰ সকল ওলাই আহে। এই শিক্ষক জনৰ ৰক্ষণা-বেক্ষণৰ কাৰণে ব্যৱস্থা কৰিবলৈ অনুৰোধ জনালো।

Shri J. B. Hagjer (Minister Education): Mr. Speaker, Sir, this is not a new problem for us. We have been facing this problem for a year or so. As Mr. Choudhury has already said the problem started with the appointment of the Principal of the Higher Secondary and Multipurpose School. The Young Graduates, Association of Garo Hills has taken up an attitude which is challanging. The challanging attitude is not from the Govt. but the challanging attitude is from the Young Graduates' Association of Garo Hills. Perhaps it is the spirit of renaissance. What they have been telling is this that all appointments in Garo Hills should be made from amongst the Garos. That is definitely against our policy. We have been accommodating as far as possible their wishes. Things have now come to a point where we cannot agree. If the Garo hills is within Assam we have to follow the same principle there. I Personally told them it is not a helping attitude. They have to change their attitude-they have to have an accommodating spirit. The Joint D. P. I. was sent to settle up this matter. They did not give up the spirit of striking they have only post haned we are taking steps, whatever we can do, to solve the problem.

We have instructed the Deputy Commissioner to protect him. At this stage, I think, I can only say this—but we are seized of the problem. It is an ailment—it is a malady in the body politics of ours and we are trying to correct it. All that I can say is that we are trying to solve this problem.

**Re : Election to Mohkuma Parisbads in the Goalpara District**

Shri Shahadat Ali Jotder—মহোদয় মই এটা কথা কব খুজিছো যে গোৱালপাৰা জিলাত মহকুমা পৰিষদৰ Election আমি পৰিষদত থাকোতেই চলি আছে। মই এখন চিঠি পাইছো যে অহা ২৫ মার্চ তাৰিখে President Election হব। আমি ইয়াত থাকোতে সেই Election হব পাৰে নেকি ?

Mr. Speaker : This is not allowed in Zero, hour. Now Grant No. 12.

VOTING ON DEMANDS FOR GRANTS

Demand No. 12.—"19 General Administration III Commissioners and District Administration"

Shri Mahendra Mohan Choudhury (Minister Parliamentary Affairs)—Mr. Speaker Sir, on the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 1,10,64,100 be granted to the Minister-in-charging to defray and charges which will come in course of payment during the year ending the 31st day of March, 1970. for the administration of the head "19—General Admini-

stration-(III-Commissioner and District Administration )".

Mr. Speaker : The motion is moved. There are Cut Motions ( Voice—We all move the Cut Motions )

Shri Phani Bora—মাননীয় অধ্যক্ষ মহোদয়, মই Cut motionটো move কৰি কেইটামান কথা কব খুজিছো।

মহোদয়, আমাৰ প্ৰশাসনীয় যন্ত্ৰটো আগৰ পৰা গুবিলৈকে যে ইংৰাজৰ দিনতে তৈয়াৰ কৰা এটা যন্ত্ৰ আৰু চৰকাৰে তাত তেলতুল দি মেৰামতি কৰি ৰাখিছে, এইটো কোনেও অস্বীকাৰ কৰিব নোৱাৰে। আমাৰ যিখন Administrative Reform committee গঠন কৰা হৈছে তাৰ chair man জনেও মন্তব্য কৰিছে যে ইংৰাজে যিটো প্ৰশাসনীয় যন্ত্ৰ প্ৰতিস্তা কৰিছিল সেই যন্ত্ৰটোকে চৰকাৰে তেওঁবিলাকৰ নীতিবিলাক সামাজিক ক্ষেত্ৰত কি অৰ্থ নৈতিক ক্ষেত্ৰত কাৰ্য্যকৰী কৰাত ব্যৱহাৰ কৰিছে। জনসাধাৰণৰ প্ৰতি সহানুভূতি সম্পন্ন প্ৰশাসন যন্ত্ৰ চৰকাৰে পুনৰ সংগঠিত কৰাৰ প্ৰয়োজন আছিল। কিন্তু বাস্তৱ ক্ষেত্ৰত এই যন্ত্ৰটোৰ কোনো পৰিবৰ্ত্তন হোৱা নাই। কংগ্ৰেছে সমাজতন্ত্ৰৰ কথা মুখত কয় আৰু কামত আচলতে ধনতান্ত্ৰিক ব্যৱস্থা গঢ়ে। বৰ্ত্তমান চৰকাৰৰ প্ৰশাসনীয় যন্ত্ৰটো সমাজতন্ত্ৰ নালাগে সাধাৰণ ভাবে গণতান্ত্ৰিক লক্ষৰ অভিমুখী কৰিও গঢ়ি তোলা নাই। ধৰক সমবায় ব্যৱস্থা। বৰ্ত্তমান শাসণ যন্ত্ৰ সমবায় পদ্ধতিৰ পৰিচালক নহৈ ই তাৰ বিৰোধী হৈহে কাম কৰে। এই যন্ত্ৰৰ পৰিবৰ্ত্তন কৰাৰ কোনো লক্ষণ দেখা নাই। ইংৰাজৰ উপনিবেসিক ৰাজত্ব পৰিচালণা কৰিবৰ কাৰণে গোটেই যন্ত্ৰটো তৈয়াৰ কৰিছিল। তলৰ পৰা ওপৰলৈকে গোটেই যন্ত্ৰটো তৈয়াৰ কৰিছে। বিদেশী সাম্ৰাজ্যবাদৰ স্বাৰ্থৰক্ষাৰ কাৰণে জমিদাৰ আৰু ডাঙৰ ডাঙৰ সম্পত্তিশীল মানুহৰ স্বাৰ্থৰক্ষাৰ কাৰণে এই প্ৰশাসনীয় যন্ত্ৰটো তৈয়াৰ কৰিছিল এই কথা আমাৰ স্বাধীনতা আন্দোলনৰ সময়ত কংগ্ৰেছেই কৈছিল যে ইংৰাজৰ দৰে কেৰাণী তৈয়াৰ কৰিবলৈহে আজি আমাৰ দেশতো শিক্ষা দিয়া হৈছে এতিয়া আমাৰ এই ব্যৱস্থাৰ আমুল পৰিবৰ্ত্তন কৰিবলৈ সমৰ্থ হলো নে নাই। আজি আমি যদি চাওঁ স্বাধীনতাৰ ২১/২২ বছৰৰ পাচতো পৰিবৰ্ত্তনৰ ব্যৱস্থা কি হৈছে, D. Cৰ পৰা তললৈকে সকলো অফিচাৰৰ অৱস্থা কি? মই বেছি কথা নকও আৰু

বেছি উদাহৰণো নিদিও। মই এইটো কথা স্পষ্টভাবে কব লাগিব যে আমাৰ প্ৰশাসনীয় যন্ত্ৰৰ সম্পৰ্কত অংশ গ্ৰহণ কৰা বিৰোধী দলৰ সদস্য সকলৰ কথাৰ মুখনি মাৰিবলৈ গৈ কংগ্ৰেছ দলৰ উপ-দলপতিয়ে কৈছিল যে সংযত ভাবে কব লাগে যাতে অফিচাৰ বিলাক হতাশ নহয়। মই ভাবো এইটো বৃটিচৰ মনোভাব। যদি এজন অফিচাৰে চৰকাৰৰ উদ্দেশ্য মতে কাম নকৰে, বেয়া কাম কৰে চৰকাৰে যদি তেওঁক সংশোধন কৰাৰ চেষ্টা নকৰি বিৰোধী দলে তাৰ সমালোচনা কৰিলে সেই অফিচৰ কৰ্ম্মচাৰীৰ দোষ ধাকি চৰকাৰে নিজৰ সন্মান আৰু কৰ্ম্মচাৰীৰ মনোবল ৰখাৰ কথাহে কয় তেন্তে তেওঁলোকক বেয়া কামত উৎসাহিত হে কৰে। দোষ ধাকি ৰাখি শাসনযন্ত্ৰৰ নৈতিকতা ৰক্ষা কৰা নাযাব। কংগ্ৰেছে তাকেই কৰি আছে।

মই এটা ঘটনাৰ কথা কও হোজাইত পুলিছে ২টা লৰা মাৰি পেলালে, তাৰ খবৰ লবলৈ মই গৈছিলো। এজন উচ্চ পদস্থ কৰ্ম্মচাৰীয়ে কৈছিল যে পুলিচৰ Moral এনেয়েই নষ্ট হৈ গৈছে সেইটো যাতে আৰু নষ্ট নহয়— আপোনালোকে চাব। মই আশা কৰিছিলো সদস্য হিচাবে মোক তেখেতে ঘটনাটোৰ বিষয়ে কলেহেঁতেন কিন্তু তাৰ পৰিবৰ্ত্তে তেখেতে পুলিচৰ Moralৰ বিষয়েহে কলে। কি কাৰণে তেখেতে এই কথাটো কলে সেইটো ভাৱি চাবলগীয়া কথা। আমাৰ দুখীয়া কৃষকৰ ক্ষেত্ৰত কি হৈছে? তেওঁলোকৰ বিষয়ৰ যি কোনো কথালৈ কোনো দৰ্খাস্ত দিলে সেই file ঘূৰি পকি তাৰ মীমাংসা হওতে বহুত দেৰি হয়। এখন দৰ্খাস্ত minister ৰ ওচৰ পাওতে কিমান দিন লাগে তাৰ থিক নাই। এনেকুৱা এটা চৰকাৰী প্ৰশাসন সুচাৰু-ৰূপে চলিছে বুলি কব পাৰিনে? কাৰোবাৰ ঘৰত জুই লাগিলে বা কোনো গাৱলীয়া ৰাইজৰ গৰু মৰিলে তাৰ বাবে কোনো ঋণ বিচাৰি বা সাহাৰ্য্য বিচাৰি দৰ্খাস্ত কৰে S.D.C. ৰ পৰা D.C. পাওতে বহুতখিনি সময় লাগে তাৰ পিচত আকৌ তেওঁলোকৰ Sanction পোৱাৰ পিচত নানা স্থান ঘূৰি ঘূৰি শেষত ১০০ টকা পাওতে অহা-যোৱা আৰু ঘোচঘাচত প্ৰায় টকা গৈ শেষ হয় আৰু প্ৰকৃততে পায়গৈ ২০ টকা মান। এনেকুৱা এটা প্ৰশাসন চলি থাকিবলৈ হলে ৰাইজৰ কি দুৰ্গতি হব পাৰে ভাবি চাওক। এতিয়ালৈকে প্ৰশাসনিক কোনো পৰিবৰ্ত্তন দেখা নাই। আগৰ আমোলতান্ত্ৰিক যি পদ্ধতি

চলি আছিল সিয়েই এতিয়াও চলি আছে। কেৱল fileৰ সংখ্যা বাঢ়িছে চাকৰিয়ালৰ সংখ্যা বাঢ়িছে, টকা খৰচ হৈছে, কিন্তু প্ৰশাসনীক যন্ত্ৰৰ একো উন্নতি হোৱা নাই।

এই ক্ষেত্ৰত আৰু এটা কথাৰ প্ৰতি মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰো যে যি officeত ৬/৭ জন কেৰানী আছে তাত এজন supdt. দিয়া হয় আকৌ আন এটা Dept.ত সেই ৬/৭ জন কেৰাণী থকা স্বত্বেও তাত কোনো supdt. নিদি ১ জন senior কেৰাণীৰ তত্বাবধানত office চলোৱা হয়। অথচ এওলোকৰ কামৰ দায়িত্বৰ ভিতৰত কোনো পাৰ্থক্য নাই। এইবিলাক anomaliesৰ কাৰণেই প্ৰশাসনীক যন্ত্ৰত নানা আহুকালে দেখা দিছে।

জিলাৰ মুৰব্বী যেনে D.C. S.P. যি সকলক নিয়োগ কৰা হয় তেওঁ-লোকক I.A.S. cadreৰ পৰা লোৱা হয় অৱশ্যে A.C.S আৰু I.A.Sৰ বিষয়ে বহুত আলোচনা হৈ গৈছে আৰু সেই সম্বন্ধে মই বেচি কব নুখোজো কিন্তু যিজনক এখন জিলাৰ মুৰব্বী হিচাবে নিয়োগ কৰা হয় তেওঁৰ অভিজ্ঞতা থকা প্ৰয়োজন কিন্তু কাৰ্য্যক্ষেত্ৰত আমি দেখিছো যে ২৩/২৫ বছৰ বয়সীয়া লৰাক একোখন জিলাৰ দায়িত্ব দিয়া হয় অৱশ্য বয়স কম হলে মেধাবী নহয় বুলি মই নকও কিন্তু জিলাৰ মুৰব্বী ক্ষেত্ৰত অভিজ্ঞতা থকা প্ৰয়োজন। সেইকাৰণে মই কও আমাৰ A.C.S. Cff ceৰ সকলক তেওঁ-লোকৰ অভিজ্ঞতাৰ আৰু গুণৰ ভিত্তিত Promotion দিয়া উচিত। যিবিলাক I.A.S. Officer আছে তেওঁলোকৰ Theory ৰ ওপৰত নিৰ্ভৰ কৰি শাসন চলাবলৈ চেষ্টা কৰে। কিন্তু যিদৰে প্ৰশাসনীক কাম কাজ চলাব লাগে সেইটো নজনাৰ কাৰণে আমি দেখিছো আজি প্ৰশাসনৰ ক্ষেত্ৰত চাৰিওফালে চৰকাৰ failure হৈছে আৰু নানা ৰকমৰ গোলমালৰ সৃষ্টি হৈছে। সেই-কাৰণে আমি এইবিলাক কথালৈ লক্ষ্য ৰাখিব লাগিব। কিছুমান S.P ক নিয়োগ কৰা হৈছে যিবিলাক একেবাৰে ডেকা লৰা, (মই কিন্তু General হিচাৱেহে কৈছো কাৰো ক্ষতি কৰিব খোজা নাই) এনেকুৱা S.P.য়ো আছে যি Prohibition Areaত মদ খাই পৰি থাকে আৰু Prohibitionৰ ক্ষেত্ৰত staff ৰখা হৈছে, টকা খৰচ হৈছে, কিন্তু সেই Prohibition এলেকাত Police Cfficerএ মদ খাই কব নোৱাৰা হৈ থাকে। নগাৱৰ এখন থানাৰ Officerৰ জনৰ ওচৰলৈ সন্ধিয়াৰ পিচত কোনো যাব নোৱাৰে

আনকি S.Pয়ো যাব নোৱাৰে। তেওঁৰ বাপেকৰো তেওঁৰ ওচৰলৈ যোৱাৰ সাধ্য নাই সেই সময়ত।

যদি প্ৰশাসনীয় যন্ত্ৰটো সচাঁকৈ ভাল কৰিব খুজিছে তেনেহলে মন্ত্ৰীডাঙৰীয়াই সেই নামটো মোক সুধিব আৰু মই নামটো দিম। মই বাস্তৱৰ কথা কৈছো। পুলিচ বিভাগ হৈছে লণ্ড-ভণ্ড কৰা Organised gang of dacoits আৰু Unlawful Activities তেওঁলোকৰেই বেছি। এনে স্থলত এই বিলাক ক্ষেত্ৰত যদি কোনো ভাল ব্যৱস্থা গ্ৰহণ কৰা নহয় তেনেহলে আজি আমি যিবিলাক উন্নয়ণ সম্পৰ্কীয় কথা কৈছো সেইবিলাক কাৰ্য্যকৰী নহব। মই ভাবো যিবিলাক Ministrial staffৰ মানুহ অৰ্থাৎ কেৰেণী Catagoryৰ মানুহ বা সাধাৰণ পুলিচ বা পুচিল অফিচাৰ তেওঁলোকৰ অৱস্থাৰ উন্নতি আৰু তেওঁলোকৰ পৰিয়ালৰ ভৰণ-পোষণ, লৰাছোৱালীৰ পঢ়া-শুনা আৰু তেওঁৰ যাতে আৰ্থিক উন্নতি হয় তাৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব। তাত আমাৰ আপত্তি নাই কিন্তু তেওঁলোকে ঘোচ খোৱাটো আমি বাঞ্চা নকৰো। কাৰণ দেখা গৈছে যে এখন চিঠি বা দৰ্খাস্তৰ নং বিছাৰিবলৈ গলেও তেওঁলোকক টকা দিব লাগে। অৱশ্যে আমি গলে নলয় কিন্তু আমি কিমানজন মানুহৰ দৰ্খাস্ত উলিয়াই দিম? এই ঘোচ খোৱা প্ৰথাটো যিটো প্ৰথাই আজি অক্টোপাচৰ দৰে দেশখনক গিলি খাব ধৰিছে সেইটো অচিৰেই বন্ধ কৰিব লাগে। ইয়াতেই হয়তো কব যে প্ৰমাণ কৰিব পাৰিলেই শাস্তি দিয়া হব কিন্তু প্ৰমাণ কৰে কেনেকৈ? এই সম্পৰ্কত ছুটামান কেচ নগাৱৰ D. C.ৰ ওচৰত দাঙি ধৰা হৈছিল কিন্তু পাচত বিচাৰত ফোচ হল। গতিকে ইয়াত জনসাধাৰণক ৰক্ষা কৰাৰ কাৰণে হাত চলোৱাৰ বাহিৰে মাৰ-ধৰ কৰাৰ বাহিৰে অন্য একো উপায় নোহোৱা যেন লাগে। নহলে এনেকুৱা এটা কৰিব পাৰি যে Publice ৰ তৰফৰ Vigilence Committee একোটা গঠন কৰি সেই কমিটিৰ Report ৰ ওপৰত ভিত্তি কৰি বিচাৰ হব লাগে। নহলে এই অক্টোপাচৰ গ্ৰাসৰ পৰা ৰাইজক উদ্ধাৰ কৰাৰ কোনো উপাই নাই।

প্ৰশাসনৰ কৰ্ম্মচাৰী সকলৰ আৰ্থিক অৱস্থা উন্নত কৰিব লাগে আৰু লগতে এনে কঠোৰ ব্যৱস্থাও কৰিব লাগে যাতে কেতিয়াবা ধৰা পৰিলে উদাহৰণ মূলক শাস্তি পায়। কিন্তু দুখৰ বিষয় আজি ২০/২১ বছৰৰ কংগ্ৰেছী

শাসনৰ ভিতৰত আমি দেখিছো কংগ্ৰেছী চৰকাৰ Completely Hopeless আৰু এই বিলাক এখেত সকলক কৈ লাভ নাই। অৱশ্যে এটা কথা মই ডাঠি কব পাৰো যে যদি এই কংগ্ৰেছী চকাৰ ভাঙি নতুন চৰকাৰ গঠন কৰা হয়; সেই চৰকাৰে প্ৰয়োজন হলে সংবিধান বদল কৰি হলেও বৃটিছৰ দিনৰ তেল-মবিল দি চালু কৰি ৰখা পুৰণি শাসন যন্ত্ৰৰ সম্পুৰ্ণ নতুনকৈ গঢ়ি তাৰ দ্বাৰা দেশ আৰু জনগণৰ স্বাৰ্থ ৰক্ষা কৰিব পৰা হব। এইটো কৰিবই লাগিবই।

তাৰ পাচত মই কব খুজিছো চাকৰি Transferৰ ক্ষেত্ৰত ১০০/১২৫ টকা দৰমহা পোৱা কৰ্মচাৰী সকলকো Transfer কৰি ঘূৰাই লৈ ফুৰে। সাধাৰণ কৰ্মচাৰী বিলাকক Transfer কৰি ঘূৰাই লৈ ফুৰোৱাৰ কাৰণ বুজিব নোৱাৰি।

M. Shamsul Huda—অধ্যক্ষ মহোদয় সেইফালে Tresury Beach ত মাত্ৰ কেইজনমান মানুহ বহি আছে। তেখেত সকলক যাবলৈ কোৱাই ভাল।

Shri Sadhan Ranjan Sarkar—কালি ইয়াত কৈও কম আছিল।

Shri Phani Bora—৪/৫/৬/শ টকা দৰমহা পোৱা মানুহ বিলাককো বিভিন্ন ঠাইৰ পৰা বিভিন্ন ঠাইলৈ Transfer কৰা হয়। সেই Transfer কৰা মানুহ বিলাকক জীৱন ধাৰণৰ বাবে যি খৰচ পাতি লাগে ঘৰ-ভাৰা লাগে সেই বিলাক বহণ কৰা বৰ কষ্টসাধ্য হৈ পৰে। সেই মানুহ বিলাক এঠাইৰ পৰা আন ঠাইলৈ Transfer কৰে অথচ তেওঁলোকৰ উপাৰ্জ্জন বঢ়াই নিদিয়ে কেৱল তেওঁলোকক বাহিৰা উপাৰ্জ্জন থকাৰ কথাহে দোহাৰে। তাৰ মানে চৰকাৰে নিশ্চয় ঘোচ খোৱাত উৎসাহ দিয়ে।

Transferৰ সম্পৰ্কত আৰু এটা কওঁ যে, যিবিলাক লোকক Transfer কৰা হয় সেইবিলাকৰ কাৰণে থকা ঘৰ আদিৰ Ready ৰাখিব লাগে যাত কোনো অসুবিধা নহয়। যদি তেওঁলোকে বেছি টকা ভাৰা লৈ ঘৰ লব লগীয়া হয় তেনেহলে তেওঁলোকে দৰমহাৰ পইছাৰে খাবই নে ঘৰৰ ভাৰা দিব? অন্ততঃ যিবিলাক Transfferable Post আছে সেইবিলাক Postৰ ক্ষেত্ৰত এনেকুৱা ব্যৱস্থা ৰখাটো দৰকাৰ।

(A Voice বহুত টকা লাগিব নহয়)

চাহ বাগান সংকালয়ক দিবলৈ, টাটা বিবলাক দিবলৈ যদি টকা পায় তেন্তে এই কামৰ কাৰণেও নিশ্চয় টকা ওলাব। কিছুমানক ৬মাহৰ পিচতে Transfer কৰা হয় আকৌ কিছুমানক ১০/১২ বছৰেও Transfer কৰা নহয়। এজন অভাবচিয়াবক এটা Sectionৰ পৰা আন এটা Sectionলৈ Transfer কৰিব লাগিলে Executive Engr. বা Supentendent Engr. এ কৰিব পাৰে। কিন্তু সেইটো ওপৰৰ পৰা হাত দিয়ে। উদাহৰণ স্বৰূপে Addl. Chief Engr. Golok Sarmah. ই নগাওঁলৈ গৈ এজন Overshere ক এটা Section ৰ পৰা আন এটা Section লৈ বদলি কৰি আহিছে। আৰু আন এজনক আনি তাত দিছে কিয়? টকা পইছাৰ লেন-দেনৰ বাহিৰে আৰু কি কথা হব পাৰে? গতিকে মই আশা কৰো যে আমাৰ চৰকাৰৰ অন্ততঃ যিবিলাক অত্যন্ত জঘন্য কাম চকুত পৰে সেইবিলাক বন্ধ কৰিবলৈ চেষ্টা কৰিব লাগে।

অবশেষত মই এই কথা কবখুজিছো যে আমাৰ প্ৰশাসনীয় যন্ত্ৰ পৰিচালনাৰ ক্ষেত্ৰত এই আমলাতান্ত্ৰিক বৃটিছ মনোভাৱ এৰিব লাগে।

Promotion ৰ ক্ষেত্ৰত যিসকলে ভাল কাম কৰে Junior হলেও সেই লোক সকলক Promotion দিব লাগে। বৃটিছৰ দিনৰ পৰা এটা নিয়ম চলি আহিছে যে প্ৰত্যেকৰে এটা Confidencial Record থাকে। আৰু সেই record ওপৰওৱালাই যি লিখে তাৰ ওপৰত ভিত্তি কৰিয়েই তেওঁলোকৰ Promotion হয়। কিন্তু কোনোবা ওপৰওৱালাই হয়তো এজন কৰ্ম্মচাৰীৰ বিৰুদ্ধে কিবা ব্যক্তিগত হিংসাত্মক মনোভাব লৈ কিবা এটা লিখি থৈ যাব পাৰে। কিন্তু সেইটোকে ভিত্তি কৰি প্ৰমোচণৰ বিষয় নিৰ্দ্ধাৰণ নকৰি অফিচৰ অন্যান্য কৰ্ম্মচাৰী সকলৰ লগতো আলোচনা কৰিহে তাৰ ওপৰত সিদ্ধান্ত লব লাগে। আচলতে যদি মানুহজন উপযুক্ত হয় তেওঁক প্ৰমোচন দিব লাগে।

আজি জনগণ নিম্নস্তৰৰ জনগণৰ সাৰ্থ ৰক্ষা আৰু দেশৰ গণতন্ত্ৰ আৰু সমাজতন্ত্ৰৰ প্ৰয়োজনীয়তাৰ কথা মনত ৰাখি প্ৰশাসনৰ যন্ত্ৰ নতুন কৈ প্ৰতিষ্ঠা কৰিব লাগিব।

Speech not corrected.

Shri Gaurishankar Bhattacharyya—উপাধ্যক্ষ মহোদয়, আমাৰ আয়ুক্ত আৰু উপায়ুক্ত সকলৰ যি প্ৰশাসনীয় তাৰ যদি বিভিন্ন দিশলৈ চাও আৰু যিবিলাক আসোঁৱাহ আছে সেইবিলাক যদি List ভুক্ত কৰো ভেনেহলে তাৰ দোষ নাই। এইবিলাক অসীম। সেই কাৰণে মই সেই দোষলৈ চাৱলৈ চিন্তা কৰা নাই। মই নীতিৰ ফালৰ পৰা আৰু ইতিহাসৰ ফালৰ পৰাহে কেইটামান কথা কম। আমি এইটো কথা মনত ৰখা উচিত যে বৰ্ত্তমান আমি যিটো শাসনযন্ত্ৰ পাইছো এই শাসনযন্ত্ৰ সমাজ আৰু দেশৰ সংহতিত হোৱা এক বিপ্লৱৰ ফলস্বৰূপে পোৱা নাই। এইটো পাইছো East India Company তথা বৃটিছ সাম্ৰাজ্যবাদৰ উত্তৰাধীকাৰি হিচাবে। পাইছো এটা বিদেশী Company এ বৃটিছ সাম্ৰাজ্যবাদৰ যি উদ্দেশ্য আছিল তাক কাৰ্য্যত পৰিণত কৰিবলৈ আধিপত্য চলোৱা যন্ত্ৰ হিচাবে আমি পাইছো। আমি মানে কেইজনমান মুষ্টীমীয় লোক নহয় আমি মানে ভাৰতৰ জনসাধাৰণ গৰীব, ধনী, ছুখীয়া, সকলোৱে পাইছো। এনেকুৱা এখন সংবিধান ৰচনা কৰা হল যি খনত সকলোৱে সমভাৱে ৰাজনৈতিক অধিকাৰ পাইছে। কিন্তু ২০/২৫ বছৰৰ অভিজ্ঞতাই এই কথা দেখুৱাই দিয়ে প্ৰত্যেক্ষ বা পৰোক্ষ ভাৱে যে আমাৰ দেশৰ জনসাধাৰণে অৰ্থনৈতিক, ৰাজনৈতিক স্বাধীনতা আজিও পোৱা নাই। যেতিয়া আমাৰ মানুহে এটা শাসন যন্ত্ৰ বিচাৰিলে তেতিয়া আমাৰ ৰাজনৈতিক নেতা সকলে বৃটিছ সাম্ৰাজ্যবাদীয়ে এৰি থৈ যোৱা যন্ত্ৰটোক ললে। উপাধ্যক্ষ মহোদয়, আপুনি জানে ১৮৩৩ চনলৈকে East Indian Companyৰ প্ৰশাসনৰ মূল লক্ষ্য আছিল কেনেকৈ দূৰ্গ সমূহ বা কুঠি সমূহ ৰক্ষা কৰা যেনে Fort william Fort St. george আদি ৰক্ষা কৰা আৰু তেওঁ লোকৰ বেপাৰ বানিজ্য অবাধে চলাই নিয়া।

তাৰ পিচত, ১৮৩৩ চনত যেতিয়া বৃটিছ Perliament ত এখন আইনৰ দ্বাৰা ভাৰতৰ শাসনভাৰ সম্পৰ্কে যি এটা নতুন ব্যৱস্থা কৰিছিল সেই সময়ৰ পৰাই যিটো জিলাপ্ৰশাসক, সেই সময়ৰ নামত District collector ৰ প্ৰধান কাম, সংগ্ৰহ কৰা। ভাৰতবৰ্ষৰ বিভিন্ন জিলাৰ পৰা সংগ্ৰহ কৰে কাৰ কাৰণে।

সংগ্ৰহ কৰে? বৃটিছ সম্ৰাজ্যবাদীৰ কাৰণে। ইয়াৰ প্ৰশাসনিক পক্ষ-পাতিত্ব দি পূৰাই দিব লাগিব বিভিন্ন ৰূপেও। সেই সময়ৰেপৰা আৰম্ভ কৰি আচলতে দৈনন্দিন যিটো প্ৰশাসন সেই প্ৰশাসনৰ ভাৰসাম্যৰ গুৰুত্ব গৱৰ্ণৰৰ পৰা গৈ পৰিছেগৈ জিলা প্ৰশাসনিকত।

আমাৰ এই বিষয়বিলাক আলোচনা কৰা হৈছে যে, আমাৰ General Administration বা সাধাৰণ প্ৰশাসনত ৫টা দাবী ৰখা হৈছে। প্ৰথমতে যি দুটা দাবী কালি আলোচনা কৰিলে এই দুটা দাবী নীতি বিষয়ক। ৰাজ্যপাল আৰু তেওঁৰ উপদেষ্টা মণ্ডলী যেনে; মন্ত্ৰীসভা আৰু এই ৰাজ্যপাল আৰু মন্ত্ৰীসভাক সহায় কৰাৰ যি Secretariat বা সচিবালয় এই যিখিনি আলোচনা কৰিছে সেইখিনি নীতি বিষয়ক, পলিচি বিষয়ক। এই দুটা দাবীৰ সংশ্লিষ্ট যিটো দাবী আৰম্ভ কৰা হৈছে আজিলৈকে এই নীতিৰ Impliment বা কাৰ্য্যকৰী কৰাটো Secretary ৰ নহয় বা সচিবালয়ৰ নহয়; এই কাৰ্য্যকৰীতা আহি পৰে আয়ুক্ত বা উপায়ুক্ত, এই মহলৰ ওপৰত। স্বাভাৱিকতে জনসাধাৰণৰ দৃষ্টিভংগীৰপৰা প্ৰশাসনত আয়ুক্ত উপায়ুক্তৰ অত্যন্ত গুৰুত্বপূৰ্ণ।

আজিকালি মানুহে ধাৰঋন কৰি হলেও বা কিছুমান বিভিন্ন উপায়ে হলেও ২/৪ জন মানুহ প্ৰতিনিধি হিচাবে শিলঙলৈ পঠায় বা দৌৰ মৰায়। দৌৰ নামাৰিলেও উপায় নাই। কাৰণ, আজি Secretariat লৈ আহি কামত তজবীজ নকৰিলে আজিকালি কোনো কামেই নহয়। আজিকালি কেইজন মানুহ ইয়ালৈ আহিব, যদিও, ৰাজধানী ইয়াৰ পৰা আতঁৰাই নি কৰবাত কোনোবা অইন ঠাইত ৰাজধানী পাতে, তেতিয়াও প্ৰত্যেক কথাতে সৰ্ব্বসাধাৰণ ৰাইজ সচিবালয়লৈ আহিব নোৱাৰে। কিন্তু, সৰ্ব্বসাধাৰণ ৰাইজ জিলাখনৰ আয়ুক্ত বা উপায়ুক্ত ওচৰলৈ নাহিলে অইন কোনো উপায় নাই। কাৰণ, আজিৰ শাসন কেৱল আইন শৃঙ্খলাৰ প্ৰশ্নই হৈ থকা নাই। আজিৰ চৰকাৰ বিভিন্ন বিষয়ত জনসাধাৰণৰ বিভিন্ন উন্নয়নত ওতঃ প্ৰোতঃ ভাৱে জড়িত হৈ পৰিছে। এই কাৰণে আমি এই জিলাত, আমাৰ যি বিভাগ ইয়াৰ প্ৰসাশনৰ ওপৰত বিশেষ ভাৱে নজৰ নিদি নোৱাৰো। কথা এটা হব পাৰে যে, এই কথাটো আপোনালোকে বাৰে বাৰে কয় যে, এই শাসন যন্ত্ৰটো হৈছে বৃটিছ সাম্ৰাজ্যবাদৰ এটা উত্তৰাধিকাৰী সূত্ৰে পোৱা শোষণ যন্ত্ৰ। যদি আপুনি কয়

যে, এই কংগ্রেছ চৰকাৰ দৰাচলতে ব্যক্তিগত ভাৱে নিৰপেক্ষ। কংগ্ৰেছ চৰকাৰত থকা মানুহ সকল শান্ত মহন্ত হব পাৰে, তেওঁলোক ব্যক্তিগত ভাৱে সৰ্ব্বহাৰাও হব পাৰে কিন্তু শ্ৰেণীগত ভাৱে এই কংগ্ৰেছ চৰকাৰে ; ভাৰতৰ কোটিপতি, আৰু সামন্ত শ্ৰেণীৰ, এই ব্যক্তিগত শ্ৰেণীৰহে প্ৰতিনিধিত্ব কৰিছে। আপোনালোকে সেই কথা কৈছে যেতিয়া, আকৌ প্ৰশাসনত বেমেজালী হৈছে হৈছে বুলি সমালোচনা কৰিছে কিয় ? বেমেজালীতো হবই। বস্তু, এটা মাছ যেতিয়া পচে গেলে তেতিয়া তাৰ দুৰ্গন্ধ ওলাবই। আমি কালি কৈ গৈছো যে মূৰৰ পৰা পচি সৰি লাহে লাহে গালৈকে পচি ওলোৱা দূৰ্গন্ধৰ কাৰণে চিঞৰ-বাখৰ হলে, মাছটো দলিয়াই পেলালেই হ'ল। তাৰ পিচত ধুপ-ধুনা বা Datol পানীৰে ধুই পেলালেই হ'ল। কিন্তু, সামাজিক যি ব্যৱস্থা আৰু ঐতিহাসিক যি গতি এইটো তাজামাছ অনা আৰু পচামাছ দলিওৱাৰ কথা নহয়। ইমান সহজ নহয় আৰু এই কথাও নহয় যে যেতিয়া ঐতিহাসিক গতি কৰে তেতিয়া অতীতৰ সকলো খিনিয়েই বেয়া আৰু বৰ্ত্তমানৰ সকলো খিনি ভাল আৰু ভৱিষ্যতৰ আটাইখেনিয়েই উংকৃষ্ট সেইটোও সত্য নহয়। ইতিহাস যেতিয়া গতি কৰে, যিটো পুৰণি হৈ গৈছে তাৰ ভিতৰত কিছুমান বস্তু থাকে, যিবিলাকক দৰ্শনৰ ভাষাত, Transiatt and Intransiant. কিছুমান স্বাস্বত থাকে, কিছুমান অস্বাস্বত থাকে। যিবিলাক সদায়ে ধাৰাবাহিক ভাৱে বৈ থাকি গতি কৰি থাকে আৰু যিবিলাক অস্থায়ী হৈ আতঁৰি যায় সেইবিলাকক আতঁৰাই দিব লাগিব। যেতিয়া সামন্তবাদৰ পৰা পূজিবাদলৈ অবতৰণ কৰা হ'ল সেই পূজি-বাদী ব্যৱস্থা, সামন্তবাদৰ তুলনাত উন্নতৰ ব্যৱস্থা কিন্তু সেই বুলি সামন্ত বাদক ধুই লোৱাৰ ব্যৱস্থা হোৱা নাই। সমাজ ব্যৱস্থাৰ বহুতো ভাল কথা পূজিবাদলৈ আহিছে আৰু পূজিবাদৰ বহুতো ভাল কথা সমাজতন্ত্ৰতো ঠাই পাব। সেই কাৰণে আনৰ প্ৰশাসনত ইমান দুৰ্গন্ধ হৈছে, ইয়াৰ আলোচনা কৰাৰ প্ৰয়োজন হৈছে। কাৰণ মই জনাত এই নতুন সমাজ ব্যৱস্থা তৈয়াৰ কৰি, অতীতৰ সকলো কথা যোৱাহে পাহৰি কৰিব যোৱাটো, অতীতৰ কিছুমান কথা সম্পৰ্কে কব লাগিব অতীতক নাযাবা পাহৰি। এই দুটা-এটাৰ সামনজস্য কৰিব লাগিব। কথা হৈছে যে যেতিয়া এই নীতিবিলাক কাৰ্য্যকৰী কৰা হয় আৰু এই বিষয়ত আমি কিবা সংশোধন কৰিব পাৰিমনে নোৱাৰো ? আমি

এই সংবিধান ওফৰাই, যি কোনো উপায়ে নহওক, এখন নতুন সমাজ ব্যৱস্থা কৰাত আমি অপেক্ষা কৰিব লাগিব। আমাৰ বৰ্ত্তমানৰ এই সংবিধান আৰু বৰ্ত্তমানৰ সমাজ ব্যৱস্থাত থকাৰ ভিতৰেদি আমি কিছু সংশোধন কৰি লৈ সেই সংশোধনৰ জৰীয়তে এই সময়ৰ সমাজ ব্যৱস্থা ওফৰাবৰ এই ব্যৱস্থা কৰিম। এইটো মই ভাবো যে, আমি দ্বিতীয় পৃষ্ঠা অৱলম্বন কৰিব লাগিব। এইটো কৰিবলৈ গলে যে, সংশোধন বাদ বা Divisonisim or Refomi sim হয় সেইটো নহয়। পৰিমানিক কিছু পৰিবৰ্ত্তন কৰি লৈ যোৱাৰ লগে লগে এনেকুৱা সময় আহিব পাৰে, যিটো সময়ত এই পৰিবৰ্ত্তন সমূহে দেখুৱাই দিব যে আজি গুণগত পৰিবৰ্ত্তন অপৰিহাৰ্য্য। আমি এই সমাজ ব্যৱস্থাত, শাসন ব্যৱস্থাত যিবিলাক আসোৱাহ দেখুৱাও, সেই আসোৱাহ আতঁৰ কৰি কৰি ক্ৰমে ক্ৰমে আগবাঢ়ি যাম। আৰু লগে লগে আমাৰ যি দৃষ্টি সি স্পষ্ট হৈ পৰিব। ইয়াৰ বাহিৰে সমাজ ব্যৱস্থা উন্নয়নৰ কোনো উপায় নাই। তেতিয়া আমাৰ সমষ্ট জনসাধাৰণৰ চকুত স্পষ্ট হৈ পৰিব যে, সমাজতন্ত্ৰৰ লগত শাসনযন্ত্ৰৰ আজিলৈকে অসামঞ্জস্য পূৰ্ণ স্বাভাৱিক ভাৱে আৰু স্বাভাৱিকতে সকলো সময়তে হিংসা মনোভাৱ প্ৰয়োজন নাই আৰু হয়তো হিংসা মনোভাৱৰ প্ৰয়োজন নহব পাৰে। বৰঞ্চ কেনেকৈ আজিৰ এই সমাজ ব্যৱস্থাৰ আমূল পৰিবৰ্ত্তন কৰিব পৰা যায় তাৰ কাৰণেহে শাসনব্যৱস্থা নিকা কৰাৰ প্ৰয়োজনীয়তা আছে।

এই বিষয়ে হতাশবাদ নহওঁ। কেতিয়াবা কেতিয়াবা হয়তো যদি পলম হৈছে আমাৰ অভিযানৰ লক্ষ্য পোৱাত অসামঞ্জস্য হৈ উঠা যায় তথাপি ইতিহাসৰ গতি কেতিয়াও বেচি নহয়। কিন্তু ইতিহাসৰ গতি সকলো সময়তে একেকোৰে নহয়। কেতিয়াবা কেতিয়াবা বিকত হয় আৰু কেতিয়াবা কেতিয়াবা লাহে লাহে হয়। মই এটা সৰু উদাহৰণ দিছো। ১৯৬৭ চনত বঙ্গদেশত সাধাৰণ নিৰ্ব্বাচন হ'ল। সেই সময়ত কংগ্ৰেছ শাসনৰ গাদীৰপৰা আতৰালে আৰু এনেকুৱাভাৱে আতৰালে যে এইটো এটা জোৰা তালি দিয়াৰ ব্যৱস্থা হল। কাৰণ কংগ্ৰেছ বিৰোধী প্ৰগতিশীল শক্তি এটা Frontৰ ভিতৰত নাই। দুটা মৰ্চ্চা আছিল আৰু পৰস্পৰে সংঘৰ্ষও কৰিলে। বাস্তৱ অৱস্থাতে এনেকুৱা সময়তে ৰাইজে কংগ্ৰেছক দুৰ্ব্বল কৰি দিলে আৰু কংগ্ৰেছ

চৰকাৰ গঠন কৰিব নোৱাৰিলে। সেই সময়ত পৰিস্থিতি ভিতৰত ‍দুৰ্ব্বলতা আছিল আৰু সেই দুৰ্ব্বলতাৰ সুযোগ কংগ্ৰেছে লব পাৰিলে। আৰু বে-আইনীভাবে গণতান্ত্ৰিক চৰকাৰক Dismiss কৰি দিলে। যোৱা নিৰ্ব্বাচনত দুটা গণতান্ত্ৰিক Front এক হল আৰু পৰিস্থিতি পৰিবৰ্ত্তন হল। ফলত এনেকুৱা শক্তি হল যিটো শক্তি Arithmatical Progress নহয় Geometrical Progress হল। আৰু কংগ্ৰেছক মাৰ সোধালে যি মাৰ ভাৰতবৰ্ষৰ কতো পোৱা নাই। সেই কাৰণে ৰাজনীতিৰ ক্ষেত্ৰত পৰিস্থিতিৰ Arithmatic Progression নহৈ কেতিয়াবা Geometric Progression পৰিস্থিতিৰ ক্ৰমাগত পৰিবৰ্ত্তন কৰি ৰূপান্তৰিত হয়। এতিয়া কথা হৈছে কিছুমান কথাত এই দৃষ্টি ভঙ্গি ৰক্ষা কৰা দৰ্কাৰ।

Commissioner এটা পদ ৰখা হৈছে তাৰ উদ্দেশ্য হৈছে তেখেতে supervise কৰিব পাৰে। কিন্তু আমাৰ যি শাসন ব্যৱস্থা সেই শাসন ব্যৱস্থাত আয়ুক্তৰ হাতত ক্ষমতা নাথাকে। কোনোবা এজনে যদি কামত অৱজ্ঞা কৰে তেনেকুৱা ক্ষেত্ৰত এইজনৰ বিৰুদ্ধে আয়ুক্তৰ হাতত ব্যৱস্থা লোৱাৰ ক্ষমতা নাথাকে। সেই কাৰণে মই ভাবো আয়ুক্তৰ পদবিলাক কাৰ্য্যকৰি কৰিব লাগে। মই নাম নকও, মই এটা আলোচনা চক্ৰত উপস্থিত আছিলো—তাত আয়ুক্ত আৰু উপায়ুক্তও কিছুমান আছিল। তাত ৰাজহুৱাভাৱে উপায়ুক্তই কলে যে—আমি ২ হাজাৰ মাইল দুৰৰ পৰা আহিছো আৰু তোমালোকে নাভাবিবা যে ইয়াত থকাৰ কাৰণে আহিছো তোমালোকৰ অনুগ্ৰহত আহিছো। তোমালোকক সেৱা কৰি অনুগ্ৰহ কৰিছো; আমি সৰ্ব্বভাৰতীয় সেৱাৰ কাৰণে। আমি যতেই যাম তাতেই চাকৰি পাম। আমাৰ লৰা-ছোৱালী বা ঘৈণীৰও অসুবিধা হৈছে। তাৰ পিচত আন এজন উপায়ুক্ত উঠি কলে—তেখেতৰ কথাবিলাকৰ সাৰমৰ্ম্ম হৈছে।

আয়ুক্তজনে কথাটো সৰলভাৱে ভাবিলে কিন্তু এইটো কথা ওলাই পৰিছে যে যি সকল অফিচাৰে এনেকুৱা মন্তব্য কৰিব পাৰে। মই সকলো কথা নকওঁ। তাৰ ভিতৰত ভালো আছে আৰু বেয়াও আছে। তেওঁলোকে নিজ অভিজ্ঞতাৰ কথা আলোচনা কৰিছে যিহেতু freely কথা কোৱাৰ সুবিধা

তাত পাইছে। তেওঁলোক দত্যও নহয়, দেৱতাও নহয় বা দানৱও নহয়। তেওঁলোক কম বেছি পৰিমাণে শাসন যন্ত্রটোৰ পৰিচালক। তাত তেওঁলোকৰ ব্যক্তিগত প্ৰভাৱ থাকিব পাৰে। তেওঁলোকে Policy Maker মন্ত্ৰী মহোদয়লৈ যিবিলাক Note বা মন্তব্য দিয়ে সেইবিলাক নীতিয়ে নিৰ্দ্ধাৰণত ভুল কৰিব পাৰে। সেই নীতিবিলাক আচমানৰ পৰা নপৰে। কিছুমান কথাৰ ওপৰত নিৰ্ভৰ কৰি সেইবিলাক নীতি Construction আৰু Reconstruction কৰিব লাগে। তেতিয়া নীতি শুদ্ধ হব পাৰে, ভালও হব পাৰে, বেয়াও হব পাৰে।

আয়ুক্ত আৰু উপায়ুক্ত সকলে নীতি নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ ভূমিকা লয়। উক্ত নীতি ললেও নীতিবিলাক ঠিকমতে কামত লগোৱা নহয়। আৰু বহুত ক্ষেত্ৰত দেখা যায় কংগ্ৰেছৰ গান্ধীবাদী সমাজতান্ত্ৰিক সাম্যবাদী নীতিবিলাকৰ তেওঁবিলাকে ডিঙি আৰু টেটু ফালি দিব পাৰে। সেইকাৰণে লাগে কাৰ্য্যকৰী প্ৰশাসন যন্ত্ৰ যাৰ ফলত নীতিবিলাক কাৰ্য্যকৰী হয়। গতিকে যদি চৰকাৰে কাৰ্য্যকৰীভাৱে প্ৰশাসন যন্ত্রটো আনুস্থানিকভাৱে নহয় একনিষ্ঠভাৱে যেতিয়ালৈকে এই বিভাগটো কাৰ্য্যকৰী নকৰে তেতিয়া নীতিবিলাক সফল নহয়। দুৰ্ভাগ্যক্ৰমে আমাৰ প্ৰশাসন যন্ত্রটোত সেইটো ঘটিছে। গতিকে তলত যিবিলাক কাৰ্য্যকৰী বিষয়া আছে যি কোনো কাৰণেই নহওক তেওঁলোকে Note আৰু Commant যিবিলাক পঠিয়াই সেইবিলাক শুদ্ধনীতিলৈ নকৰে। কাৰণ তেওঁলোকৰ ভিতৰত আন্তৰিকতা আৰু নিষ্ঠাৰ অভাৱ চৰকাৰে বানপানীৰ সময়ত দেখিছো সাহায্য বিতৰণ কৰে কিন্তু বিতৰণ কৰাৰ ক্ষেত্ৰত দেখা গৈছে যে বিতৰণ ঠিকমতে নহয়—২/৪ জনে পায় আৰু বহুতে নাপায়। সেইদৰে যি কোনো গঠনমূলক কাম কৰিবলৈ তেওঁলোকে তেওঁলোকৰ ক্ষেত্ৰত নিজা দৃষ্টি ভঙ্গি এৰি নিদিয়ে আৰু সেই কাৰণে কামটো ঠিকমতে নহয়। গতিকে ইয়াৰ এটা আমোল পৰিবৰ্ত্তন আনিব লাগে। জোৰা তালি দি বা চুণ কাম কৰি অলপ মল পৰিস্কাৰ কৰাৰ কথা নহয়। কথা হৈছে আয়ুক্ত আৰু উপায়ুক্তই যাতে নিষ্ঠাৰে কাম কৰে তাৰ বাবে চেষ্ঠা কৰা দৰ্কাৰ।

বানপানী হৈছে, চৰকাৰে ঋণ বা অন্য সাহায্য দিছে। কিন্তু সকলোৱে জানে যে, যদি সাহায্য বিতৰণ পাব লগা হয় তেন্তে দুই চাৰিজনৰ বাহিৰে বেছিভাগ ক্ষেত্ৰতেই দেখা যায় বিতৰণ ঠিক হোৱা নাই, নাইবা গঠনমূলক হোৱা নাই। আমি টকা দিছোঁ, কিন্তু সেইমতে গঠনমূলক কাম হোৱা নাই। যদি চৰকাৰে ৰাইজৰ কল্যানমূলক কাম কৰিব খোজে তেনেহলে আয়ুক্ত আৰু উপায়ুক্তৰ প্ৰশাসনীয় যন্ত্ৰটো যাতে ঠিকমতে পৰিচালিত হয় সেইটো চাব লাগিব।

Administrative Reformation Committeeৰ অনুমোদনমতে ৰাইজৰ অভাৱ অভিযোগ দূৰ কৰাত যি অনুমোদন দিছিল সেইটো আমি গ্ৰহণ কৰিছো বুলি কৈছে। কিন্তু আমাৰ ৰাজ্যত আজিলৈকে বিভিন্ন সমস্যাৱলীৰ ক্ষেত্ৰত কোনো Vigilence Committee গঠিত হোৱা নাই। খাদ্যৰ বিষয়ে যেতিয়া হাঁহাকাৰ হৈছিল, তেতিয়া এখন Vigilence কমিটি হৈছিল। তাৰ পৰা সুফলো পোৱা গৈছিল। যদি প্ৰত্যেক জিলা আৰু মহকুমাত এনেকুৱা তদাৰক কমিটি থাকিলহেতেন তেনেহলে আমাৰ ৰাজ্যৰ প্ৰশাসনীক ক্ষেত্ৰত বহুতো আহুৰাঁহ দূৰ কৰিব পৰা হল হয়।

দ্বিতীয় কথা যিবিলাক কৰ্ম্মচাৰী আছে তেওঁলোকৰ ভিতৰত কোনোৱে হয়তো কম কাম কৰে। যদি কোনোবাই কয় যে বেছি কাম কৰাৰ ফলত নিবনুৱা সমস্যা বৃদ্ধি হব পাৰে তেনেহলে সেই কথা মই কেতিয়াও সমৰ্থন কৰিব নোৱাৰো। মানুহৰ যিমান কাৰ্য্য ক্ষমতা আছে সিমানখিনি কামত লগোৱা উচিত আৰু কামৰ বাহিৰেও যদি সময় থাকে, সেইটো আন কামত লগাব লাগে। আমাৰ চৰকাৰে মানুহক Full Employment দি তেওঁ-লোকৰ কাৰ্য্যশক্তি কৃতকাৰ্য্যতাৰে কৰিব লাগে। তাকে যদি কৰা নহয় তেনেহলে আমাৰ মানুহ এলেহুৱা হৈ যোৱাৰ সম্ভৱনা আছে। যদি প্ৰশাসনীয় যন্ত্ৰৰ কাৰ্য্যকলাপ চালি-জাৰি চোৱা যায় তেনেহলে দেখা যায় যে আমাৰ প্ৰশাসন ক্ষেত্ৰত যিমান মানুহ আছে, সেই অনুপাতে কাম হোৱা নাই। আমাৰ এনেকুৱা হৈছে যে, শিক্ষা, ট্ৰান্সপৰ্ট ইত্যাদি বিভিন্ন বিভাগৰ এখন কাগজ এখন টেবুলৰ পৰা আন এখন টেবুললৈ যাওঁতে সাত দিন লাগে বা চান্দি জোৰ্তাৰ কোৱ নোপোৱালৈকে কাম নহয়। অৰ্থাৎ

ঘোচ নিদিলে কোনো কাম নহয় আৰু আজিৰ সমাজত ঘোচ দিয়াটো ঘৃণাৰ বিষয় নহয়। বৰং তেওঁলোকে সমাজত প্ৰতিপত্তিশীল বুলিহে পৰিগণিত হয়। মই এটা কথা এই খিনিতে উদাহৰণ স্বৰূপে কওঁ যে, মোৰ এজন আত্মীয় মানুহেৰ এজনী ছোৱালীৰ কাৰণে বিয়াৰ প্ৰশ্ন উঠিছে। তেখেতে কলে যে, মোক এজন ল'ৰা দিব নোৱাৰে নে? মই কলো এটা লৰা আছে। তেতিয়া তেখেতে শুধিলে দৰ্ম্মহা কিমান পায়? মই কলো ৩৫০ টকা মান পায় হবলা। তেতিয়া তেখেতে শুধিলে কিবা বাহিৰা আছেনে? এতিয়া চাওক এয়ে হৈছে মানুহৰ মনোবৃত্তি আৰু বাহিৰা পইছা লোৱাত Social Status ৰ হানি নহয় বৰং ই সন্মানহে বৃদ্ধি কৰে। এইদৰে আমাৰ সমাজ কলোষিত হব ধৰিছে। মই আৰু এটা ঘটনাৰ কওঁ যে এজন Officerৰ বিৰুদ্ধে দূৰ্নীতিৰ বহুত অভিযোগ আছে। কিন্তু তাৰ প্ৰমাণ হয়তো পোৱা নাই। মই উকীল হিচাবে মই নিজে জানো কাৰোবাৰ দোষ থকিলেও বহুত সময়ত প্ৰমাণৰ অভাৱত সাৰি যায় আৰু আমিও উকীল হিচাবে সকলোৱাই দিবলৈ চেষ্টা কৰো। কিন্তু এজন Officerৰ বিৰুদ্ধে বিৰাট দূৰ্নীতিৰ অভিযোগ থকা স্বত্বেও যেখেতক এখন Inter National Conference লৈ Deligate হিচাবে পঠোৱা হল। তেওঁ এজন Executive Engineer তেওঁৰ বাপেক আছিল এজন উকীলৰ মহৰী। পঢ়িশুনি তেওঁ Executive Engineer হৈছে সেইটো ভাল কথা। কিন্তু তেওঁ তিনিবছৰ চাকৰি কৰাৰ পিচতে গুৱাহাটী চহৰতেই তিনি তৰীয়া দালান সাজিলে। এইজন মানুহকে Inter National Conferance লৈ পঠালে। অথচ এই মানুহজন দূৰ্নীতিৰ অভিযোগত কিছুদিন Suspend হৈ থাকিব লগা হৈছিল। তেওঁ এজন মন্ত্ৰীৰ ঘৰত আছিল। ভাৰা লৈয়ে আছিল নে নাই নাজানো। কিন্তু এই ধৰণৰ কথাৰ পৰা মানুহে কি বুজিব? আইনত কোৱা আছে যে, "Justice should not only be done, if must be decideadly and manifastly be done" মই কোৱা নাই এই ঘটনাৰ ভিতৰত কিবা দূৰ্নীতি আছে। কিন্তু যি মহলত এই মানুহজন বিভিন্ন কাৰ্য্য-কলাপৰ দ্বাৰা দূৰ্নীতি পৰায়ণ বুলি জানিব পৰা গৈছে, তেন্তে কিয় সেই মানুহজনক Inter National Conference লৈ পঠোৱা হৈছিল। এই নিৰ্দ্দিষ্ট দৰ্ম্মহা পোৱা মানুহজন কেনেকৈ ৰাতা-ৰাতি ধনী হৈ তিনি মহলা ঘৰ সাজিব পাৰিলে? আৰু এজন Officer এ নিজকে হাকিম বুলি পৰিচয়

দি তুমুনিচৰী বাগিছাৰ মেনেজাৰৰ পৰা ভুৱা দি টকা আনি ধৰা পৰিল। তেওঁ অৱশ্যে Marcy petition কৰিছে। সেই লোকজন এতিয়াও অলৰ হৈ আছে। তেওঁ কোনো Minister ৰ ফালৰ মানুহ নেকি ? মই নাজানো কিন্তু মই জানো যে, বেছি খাদ্য খোৱাৰ পিচত বা বেছিকৈ Fat খোৱাৰ পিচত তেওঁ আনক দুৰ্গন্ধৰ দ্বাৰা আনক কষ্ট দিয়াতকৈ Purgative লোৱাই ভাল। কিন্তু তাৰ পৰিবৰ্ত্তে Seal মাৰি থোৱা হয় যদি আনৰ অৱস্থা কেনেকুৱা হব ভাবিচাওক। যদি আমি ভুল কৰা নাই বা ভুল কৰিছো সেইটো ৰাইজক পতিয়ন নিয়াব নোৱাৰো তেনেহলে নিৰ্দ্দিষ্ট ভাবে সমাজতন্ত্ৰৰ ব্যৱস্থা প্ৰবৰ্ত্তন কৰা নহব। তেতিয়া হলে Anarchy প্ৰবৰ্ত্তন হব পাৰে মাৰো কাটো ইত্যাদি কথাই ঠাই পাব। এইবিলাক অভদ্ৰতাৰ কথা কৈ বিশৃঙ্খলতা আনি সমাজক বিভ্ৰান্ত কৰা ভাল কথা নহয়। কাৰণ "অস্ত্ৰোপচাৰত" কেৱল বিষাক্ত তেজেই যায় এইটো নহয়, তাৰ লগতে ভাল তেজো যাব পাৰে আৰু মোৰ নিচিনা মানুহৰ কাৰণে অস্ত্ৰোপচাৰত মৃত্যুও হব পাৰে গতিকে অস্ত্ৰোপচাৰৰ আগতে ঔষধৰ দ্বাৰা যাতে ৰোগ দূৰ কৰিব পাৰি, তাৰ চেষ্টা কৰিব লাগে।

এইটো ইতিহাসৰ শিক্ষা যে, ইয়াৰ পিচৰ স্তৰ সমাজতন্ত্ৰ যাৰ ফলত সমাজত অৰাজকতা বা নৈৰাজ্যবাদ যত কেবল যিবিলাক দুষ্ট পাষণ্ড অকল সেয়ে নহয় ভাল কলেও দুখ পাব। নৈৰাজ্যবাদত দুষ্ট পাষণ্ড সকলে ৰাতা ৰাতি মোট সলাব আৰু যিবিলাক আমাৰ স্বাধীনতাৰ বাবে শত্ৰু আছিল আৰু যিসকলে বৃটিছৰ শাসন কালত বৃটিছৰ পাদুকা চেলেকি আছিল সিবিলাকেও ৰাতিৰ ভিতৰতে খাদী পিন্ধি কংগ্ৰেছী হল আৰু বহু কৰ্ম্মচাৰীয়ে ডিঙিত 'টাই' খুলি খাদী ভাণ্ডাৰ বিচাৰি খাদী কাপোৰ বিচাৰি ডিঙি বন্ধ কট পৰিধান কৰিলে। তাৰ পিচত যিবিলাক পাষণ্ড নৈৰাজ্যবাদত সেইবিলাকে টিঘিল ঘিলাব।

উপাধ্যক্ষ মহোদয়, ব্যক্তিগতভাৱে অসমৰ কংগ্ৰেছী সকলৰ কথা ভাৱিলে দুখ লাগে। দুখ লাগে এই কাৰণেই যে বম্বে বা গুজৰাটৰ যিবিলাক কংগ্ৰেছী আছে সেইবিলাক প্ৰত্যেকৰে ন্যস্ত স্বাৰ্থ আছে। হয় পুতেক নহয় কোনোবা Relativeৰ ডাঙৰ ডাঙৰ ব্যৱসায় আছে। কিন্তু আমাৰ ভিতৰত

কি আছে। বোধহয় মন্ত্ৰী বৰুৱা ডাঙৰীয়াৰ চাহবাগান আছে। মুখ্যমন্ত্ৰীৰো চাহবাগান আছে। কিন্তু বাকীবিলাকৰ অৱস্থা মোতকৈও ভাল বুলি নেভাবো। কিন্তু দুখ লাগে। কাৰণ সমাজতন্ত্ৰৰ জন্ম হোৱা হলে তেওঁলোক সকলোৰেই লাভ হলহেতেন। তথাপি মই সকলোকে ভৱিষ্যত সম্পৰ্কে সোৱৰাই থলো। কাৰণ আজি টাটা, বিৰলা, দালমিয়া আদি—যি সকল সমাজৰ শত্ৰু, সেই বাক্ষসৰ দলক আমাৰ শাসনৰ ৰৰমূৰীয়াসকলে সাৱতি ধৰি থকাত নিশ্চয় তেওঁলোকৰ স্বাৰ্থৰ কথা আছে। মই ভাৱো আৰু এতিয়াও আশা কৰো তেওঁলোকৰ হৃদয় পৰিবৰ্ত্তন হব। তেওঁলোকৰ শক্তিয়েই নাই—এই কথা মই নকওঁ। তেওঁবিলাকৰ শক্তি বেঙ্গৰ Lockerত বন্ধ হৈ আছে। মাথোন সেই শক্তি বেঙ্গৰ Lockerৰ পৰা উলিয়াই দেশৰ মঙ্গলৰ কাৰণে, ভৱিষ্যত সমাজতন্ত্ৰ গঠনত কি পৰিমাণে অৰিহনা যোগাব পাৰে তাৰ ওপৰতেই নিৰ্ভৰ কৰিছে।

Shri Soneswar Bora—মাননীয় অধ্যক্ষ মহোদয়, এই মই মোৰ কৰ্ত্তন প্ৰস্তাৱটো উত্থাপন কৰি মই কব খুজো যে, বৃটিছৰ শাসনকালত যি শাসন পদ্ধতি আছিল আজি স্বাধীনতাৰ দীঘলীয়া ২১ বছৰৰ পিছতো মুখত সমাজতান্ত্ৰিক সমাজবাদীৰ আৰ্হিৰ আদৰ্শ লোৱা কংগ্ৰেছী চৰকাৰে প্ৰকৃত সমাজতন্ত্ৰী নিতী আদৰ্শ গ্ৰহণ কৰি প্ৰশাসনীয় ক্ষেত্ৰত কাৰ্য্যকৰী কৰিব পৰা নাই। ১৯৪৮ চনৰ পৰা আমাৰ Socialist partyএ জিলা প্ৰশাসনটো পৰিবৰ্ত্তন কৰি অন্ততঃ ডেপুটি কমিশ্যনাৰৰ পদটো উঠাই দি তাৰ ঠাইত চাৰিখলপীয়া শাসন ব্যৱস্থা হৈছে—কেন্দ্ৰ, প্ৰদেশ, জিলা আৰু গাওঁ স্তৰত হব লাগে। আজি যে টাই আহোম ৰাজ্য, কমতা ৰাজ্য, ছুতীয়া ৰাজ্য, মটক ৰাজ্য জনজাতি ৰাজ্য আদি নানা ৰাজ্যৰ কাৰণে প্ৰস্তাৱ উঠিছে তাৰ মূল কাৰণ হৈছে প্ৰশাসনীয় দুৰ্নীতি। এই প্ৰশাসনীয় দুৰ্নীতি সম্পৰ্কত আমি আগতেওঁ কৈছো আৰু এতিয়াও কৈছো যে আমাৰ দেশখন যদি নতুনকৈ পূৰ্ণ গণতান্ত্ৰিক সমাজবাদীৰ সমাজৰ নিতী আৰু আদৰ্শও কৰিব লগা হয় তেনেহলে ভনতি পলমে বৰ্ত্তমানৰ জিলা শাসনৰ পদ্ধতিৰ ঠাইত জিলা স্বায়ত্ব শাসনৰ ব্যৱস্থা কৰিব লাগিব। গোৱালপাৰা জিলাত স্বায়ত্ব শাসনৰ ব্যৱস্থাৰ কাৰণে যি জনমত গৰি উঠিছে সেইটোত মই নিতীগতভাবে সমৰ্থন জনাও। অৱশ্যে প্ৰয়োগৰ কথা চাব লাগিব। যাতে সমাজতান্ত্ৰিকভাবে হয়। অকল সেয়ে

নহয়, আমাৰ ভৈয়ামৰ জিলা কেইখনতে জিলা স্বায়ত্ব শাসন ব্যৱস্থা প্ৰৱৰ্ত্তন কৰিব লাগে। আজি আমাৰ ৰাজ্যখনৰ নানা ৰকমৰ বেমেজালি ঘটিছে। মহকুমা বা জিলা পৰ্য্যায়ত যিবিলাক Land Advisory Committee বা Supply বিভাগৰ সম্পৰ্কীয় Advisory Committee আছে সেইবিলাকৰ সভাপতিজন D.C. বা S.D.O। যি সকলক বিভিন্ন সিদ্ধান্ত কৰোতে M.L.A সকলৰ মতামত নাকচ কৰাৰ ক্ষমতা দিয়া হৈছে। আৰু এইটো নিৰ্ব্বাচিত প্ৰতিনিধি এম, এল, এ সকল আৰু আয়ুক্ত বা উপায়ুক্ত সকলৰ মাজত বিৰাট বিসঙ্গতি ৰক্ষাৰ পৰিচায়ক। জিলা প্ৰশাসনিৰ ব্যৱস্থা দিনে দিনে বেয়াৰ পৰা বেয়ালৈ ঢাল লৈছে।

বৰ্ত্তমান সময়ত যিবিলাক D.C আমাৰ ৰাজ্যত আছে তেওঁলোক প্ৰায় কেইজনেই অসমৰ বাহিৰৰ লোক। তেওঁলোক অসমৰ সভ্যতা, সংস্কৃতি, ভাষা, কৃষি আদি প্ৰায় সকলোৰে লগত তেওঁলোকৰ একেবাৰেই অমিল অপৰিচিত হোৱাৰ কাৰণে আমাক ভাল ধৰণে চিনি নেপায়। এই আই, এ, এছ সকলৰ ৩/৪ বছৰ কাম কৰি অনভিজ্ঞ অৱস্থাতেই প্ৰমোশ্যন হোৱাৰ ৰক্ষনশীল মনোভাৱৰ কাৰণেই অসমৰ মানুহৰ লগত অপৰিচিত হৈয়েই থাকে। আনফালে স্থানীয় এ, চি- এছ, সকলৰ ১৩/১৪ বছৰ কাম কৰিও প্ৰমোছন নোহোৱাতোও এটা শাসন ব্যৱস্থাত গভীৰ অন্তৰায় হৈছে। তেওঁলোকৰ অসন্তোষ হৈছে।

Mr. Deputy Speaker—Order, Order, The House stands adjourned till 2.00 p.m. today. Shri Soneswar Bora will continue.

(After Lunch)

Shri Soneswar Bora—বৃটিছৰ শাসন ব্যৱস্থাৰ পৰিবৰ্ত্তন কেতিয়াবাই ঘটাব লাগিছিল। অৱশ্যে দেশ শাসন কৰা বা শাসন ব্যৱস্থাৰ অভিজ্ঞতা নথকা কংগ্ৰেছী সকলে শুকুতাকে মুকুতা বুলি ধৰি লৈ বৃটিছে কৰি থৈ যোৱা এই মামৰে খোৱা আইন খনকে তেল দিবলৈ ধৰিলে। মই যি জিলা স্বায়ত্ব শাসিত ব্যৱস্থা এই সদনত দাঙি ধৰিব খুজিছো, এই শাসন ব্যৱস্থাত মূলতে থাকিব প্ৰতিনিধিত্বমূল এক জিলা পঞ্চায়ত। এই জিলা পঞ্চায়তেই হব জিলা স্বায়ত্ব শাসিত চৰকাৰ। এই জিলা পঞ্চায়তক অধিক শক্তিশালী কৰিব লাগিব। জিলা পঞ্চয়তত থাকিব জিলাৰ শিক্ষা বিভাগ, জিলা গড়কাপ্তানি বিভাগ, জিলা কৃষি বিভাগ, জিলা জলসিঞ্চ বিভাগ, জিলা স্বাস্থ্য বিভাগ,

জিলা পুলিচ বিভাগ, জিলা সংগ্ৰহ বিভাগ, জিলা পৰিবহন বিভাগ, জিলা ৰাজহ বিভাগ আদি সকলো বিভাগ জিলা পঞ্চায়তৰ হাতত অৰ্পণ কৰিব লাগিব। এই ধৰণে কৰিলেহে প্ৰশাসনীয় দক্ষতা চলি থাকিব। অৱশ্যে সমন্বয় ৰক্ষাৰ সুবিধাৰ্থে এই সকলো বিভাগৰ ৰাজ্যিক বিভাগ থাকিব। এই বিভাগ ৰাজ্যত থাকিব যদিও ক্ষমতা জিলাতো বেছি থাকিব। সোনকালে এতিয়াৰ শাসন ব্যৱস্থা সম্পূৰ্ণ কেন্দ্ৰিভূত হৈ পৰিছে। ফলত সাধাৰণ L. P. School বা সৰু ৰাস্তা এটাৰ কাৰণেও ৰাইজক শ্বিলঙলৈ ঢাপলি মেলিব লগিয়া হৈছে। এই ব্যৱস্থাটো আমি নাইকিয়া কৰিবই লাগিব। গান্ধীজীয়ে এটা কথা কৈছিল যে গাওঁলৈ যোৱা এতিয়া ব্যৱস্থা হৈছে ৰাজধানী শ্বিলঙলৈ ঢাপলি মেলা। জিলা স্বায়ত্ব শাসন ব্যৱস্থা কৰি আমোলাতন্ত্ৰৰ পৰিবৰ্ত্তন কৰিব লাগিব। সেই জিলা স্বায়ত্ব শাসন ব্যৱস্থা প্ৰবৰ্ত্তন হলে আয়ুক্ত পদটোৰ কোনো আৱশ্যকেই নহব। তদুপৰি শাসন ব্যৱস্থাত খৰচো কমিব আৰু কামবোৰ প্ৰকৃত বিকেন্দ্ৰি কৰণ ব্যৱস্থাৰে হব। ৰাজ্য চৰকাৰৰ কাম চলি যাব। লগতে ৰাইজে শাসনৰ ভোতা কৰিবলৈ পাব। এইদৰে পুনৰাগঠন কৰিলে প্ৰশাসনীয় ক্ষেত্ৰত সংস্কাৰ সাধান কৰি প্ৰশাসন জনসাধাৰণৰ সুবিধাৰ কাৰণে প্ৰবৰ্ত্তন হব। দেশত গণতন্ত্ৰই বিৰাজ কৰিব। এই খিনিকে কৈ মই মোৰ কৰ্ত্তন প্ৰস্তাপটো উত্থাপন কৰিলো।

M. A. Musawwir Choudhury—মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি কব খুজিছো যে বৰ্ত্তমান যি প্ৰশাসন চলিছে সেইটো বৃটিছ আমোল তান্ত্ৰিক শাসনতকৈ বেছি অমানুসিক। কাৰণ বৃটিছৰ আমোলত আমি দেখিবলৈ পাইছো যে তেওঁলোক ইয়ালৈ আহিছিল বেপাৰ কৰিবলৈ আৰু শাসন কৰিবলৈ। তেতিয়া কোনো অফিচাৰে যদি কোনো ঘোচ খায় বা অন্যায় কৰিছিল, তেওঁক কঠোৰ শাস্তি দিছিল। কিন্তু বৰ্ত্তমান আমাৰ কংগ্ৰেছ চৰকাৰৰ শাসন ব্যৱস্থাত অনভিজ্ঞ I. A. S. অফিচাৰ বিলাকক আয়ুক্ত পদত অধিস্থিত কৰাত তেওঁলোকে গণতন্ত্ৰৰ মূৰত কুঠাৰাঘাট কৰিছে। উদাহৰণ স্বৰূপে কওঁ যে যোৱা ১৯ ফেব্ৰুৱাৰী তাৰিখে কেইজনমান জনজাতীয় লোকে কলে যে তেওঁলোকে লুতুমাই বিজাৰ্ভৰ এডোখৰ মাটিত খেতি কৰিছিল সেই মানুহ বিলাকক এতিয়া D. Cএ উচ্ছেদ কৰিব

বিচাৰিছে। সেই কাৰণে তেওঁলোকে D. C ৰ ওচৰত দৰখাস্ত দি আহিছে। তেতিয়া মই তেওঁলোকক চিলঙলৈ আহি ৰাজহ মন্ত্ৰীৰ ওচৰলৈ মোক লৈ দেখা কৰে। আৰু কয় যে ১শ ঘৰ মানুহে বহু দিনৰ পৰা সেই মাটি আবদ কৰি খাই আছে এতিয়া উচ্ছেদ কৰিলে তেওঁলোকৰ লৰা ছোৱালীৰ বিপদ হব। তেতিয়া মন্ত্ৰীমহোদয়ে Phone যোগে নগাৱৰ উপায়ুক্তক নিৰ্দ্দেশ দিলে উচ্ছেদ স্থগিত ৰাখিবলৈ। তেওঁ কিন্তু হাতী লগাই সেই মানুহ বিলাকৰ ঘৰ-দুৱাৰ ভাঙি বাটৰ ভিক্ষাৰী কৰিলে। মই লগ ধৰি যেতিয়া ৰাজহ মন্ত্ৰীৰ হুকুমৰ কথা কলো তেতিয়া তেওঁ কলে "You are always pressurising me. I do not like to be cowed down." You have been paid by the Government.

আমি ব্যক্তিগত হিচাবে আপোনালোকৰ ওচৰলৈ অহা নাই আমি ৰাইজৰ কাৰণেহে আপোনালোকৰ ওচৰলৈ আহিছো। You have got no God. There is no God. I do not believe in God. You are always pressurising me. I do not like it. If you want to move any motion against me you can bring it in the Assembly. I don't care.

এই কাৰণে যদি তেওঁলোকৰ এনেকুৱা স্পৰ্দ্ধা হয়; আৰু প্ৰশাসন যন্ত্ৰত বৃটিছ আমোলা তন্ত্ৰৰ নিচিনা হয় আৰু বৰ্ত্তমান শাসন যন্ত্ৰ যদি এনেকৈয়ে চলে মই ৰাইজৰ প্ৰতিনিধি হিচাবে কওঁ যদি আমাৰ শাসন যন্ত্ৰটো এনেকৈয়ে চলি থাকে তেওঁলোকে ৰাইজৰ প্ৰতিনিধিক অপমান কৰে আৰু তেওঁলোককে মানি অসম চৰকাৰৰ ভাল ভাল Post দিয়ে Promotion দিয়ে তেন্তে এই শাসন যন্ত্ৰ বিফল হৈ যাব। যোৱা বছৰ ডেৰা পথাৰৰ মাটিৰ কাৰণে হাজাৰ হাজাৰ দৰ্খাস্ত দিছিল। সেই বিলাক মাটিহীন ঘৰ-বাৰী নোহোৱা খাবলৈ নোহোৱা মানুহ। সেই বিলাক মানুহে যেতিয়া D. C. ৰ ওচৰত কয়গৈ যে আমি মাটি পাব লাগে। তেতিয়া D. C এ সেই মানুহ বিলাকক ধমক দি খেদি দিয়ে। তেওঁলোকে প্ৰতিখন দৰ্খাস্তৰ কাৰণে ৪ টকা বা ২ টকা নিদিলে তেওঁলোকে দৰ্খাস্তৰ নম্বৰ নাপায়। সেই দৰ্খাস্ত বিলাক Inquiry কাৰণে লঙ্কাৰ A. S. D. O লৈ পঠাব লাগে। আৰু সেই দৰ্খাস্তখন পঠাবলৈ কেৰানীক

কৰলৈ গলে ১০০ বা ১৫০ টকা কেৰাণীক চালামি দিলেহে দৰ্খাস্তখন A. S. O লৈ পঠায় তাৰ পাচত A. S. O ওচৰত দৰ্খাস্তখন পোৱাৰ পাচত সেইখন আকৌ S. K. to Report এই বুলি লিখাবৰ কাৰণে তাতো ১০০/২০০ টকা দিব লাগে; S. K ৰ ওচৰ পালে তাতো আকৌ ৩/৪ শ টকা দিলেহে সেইখন মণ্ডলৰ ওচৰলৈ পঠায়। আকৌ মণ্ডলকো সেইদৰে ২/৩ শ টকা দিলেহে মাটিহীন বুলি তাৰ এটা Report A. S. O. লৈ পঠায়। এই বিলাক কি ৰঙাফিটাৰ মেৰপাক আমি ভাবি নাপাও। এই মাটিহীন কৃষক সকলে কেনেকৈ ইমান টকা দিব পাৰে। তাৰ পাচত যেতিয়া দৰ্খাস্তখন A. S. O ৰ ওচৰ পাইহি তেতিয়া মাটি বিষয়ক কেৰাণীৰ যড়িয়তে Agenda ত তুলিব লগীয়া হয়। এই Agenda ত তুলিবৰ কাৰণেও কেৰাণীক ঘুচ দিব লাগে ২/৩ শ টকা নহলে Agenda ত তেওঁলোকৰ নাম নোতুলে। এইবিলাক মাটিহীন মানুহ। এইসকলে ইমান টকা দিয়ে কৰ পৰা। আগতেই বহুত টকা খৰচ কৰি আহিছে। গতিকে অৱশেষত উপায়হীন হৈ কাবুলিৰ ওচৰলৈ যায়, টকা বিচাৰি। তেওঁলোকে গৈ কাবুলিক কয় যে মই ১০ বিঘা মাটি পাম আৰু তাৰে দুই বিঘামান আপোনাক দিম। এই বুলি কাবুলিৰ পৰা টকা আনে। এইদৰে ৪/৫ হাজাৰ টকাৰ ধৰুৱা হয়। কিন্তু দুখৰ বিষয় ইমান টকা খৰচ কৰিও তেওঁলোকে মাটি নাপায়।

মহোদয়, আপুনি শুনি আচৰিত হব দেৰা পথাৰৰ লোকে ১৫ হেজাৰ বিঘা মাটিৰ পত্তন দিব বুলি চৰকাৰে জনায় আৰু তাৰ কাৰণে ভূমিহীন হেজাৰ হেজাৰ লোকে দৰ্খাস্ত দিলে। তাৰ ভিতৰত ১০ হেজাৰ বিঘা মাটি উপদেষ্টা কমিটিক নোসোধাকৈয়ে ৰিফিউজিক দি দিলে। আৰু বাকী ৫ হেজাৰ বিঘা মাটিৰ ভিতৰত ৩ হেজাৰ বিঘাৰ Rongkhong ৰিফিউজীক দিলে; তাৰে বাকী ডেৰ হেজাৰ বিঘা মাটি অসমীয়া ভাষা-ভাষী চিলেট জিলাৰ পৰা যি সকল মানুহ আহিছিল তেওঁলোকক দি দিলে। বাকী থাকিল ৭৯২ বিঘা মাটিহীন কৃষক সকল আহি আমাক যেতিয়া শুধিলে যে 'আমি মাটি পামনে নাপাম' তেতিয়া মই কলো যে যিখিনি মাটি আছে সেইখিনি গুলি আপোনলোকৰ গাত পানী চতিয়াবলৈকে নাটে। আপোনালোকে মাটি নাপাব। গতিকে তেওঁলোকে হাজাৰ হাজাৰ টকা খৰচ কৰি লাম লকটু পৰ্য্যন্ত বিক্ৰি কৰি

Revenu office ৰ কেৰাণীক ঘোচ দিলে। নিজৰ কাহি-বাটি লোটা-ঘটি বন্ধকত থৈ কেৰাণীক ঘোচ দিও যদি তেওঁলোকে মাটি নাপায় এইটো বৰ ঘৃণনীয় কথা। গতিকে তেওঁলোকে এই চৰকাৰক গাদিৰ পৰা আতৰাই পঠাব।

Shri Dulal Chandra Barua—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এইফালৰ পৰা উত্থাপিত ১২ নম্বৰ 'গ্ৰাণ্টটোৰ কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি দুষাৰমান কৰলৈ গুলাইছো। আমাৰ শাসন যন্ত্ৰত ইতিমধ্যে বহুটো আলোচনা বিলোচনা হৈ গল। এই শাসন যন্ত্ৰটোত মামৰে ধৰিছে। আৰু এই শাসন যন্ত্ৰটো হয় প্ৰকৃত শাসন যন্ত্ৰ হিচাবে ৰাইজৰ কল্যানমূলক কাম কৰিব নোৱাৰিলে ৰাইজৰ একো উপকাৰ কৰিব নোৱাৰে। এই কথা আজি সকলোৱে জানে। সিফালে বহি থকা মন্ত্ৰী মহোদয়কে আদি কৰি সকলোৱেই জানে। মই আগতেই কৈছো যে আজি যি সম্পৰ্কত শাসন যন্ত্ৰ চলাবৰ কাৰণে টকা-পইচাৰ অনুদান বিচাৰিছে সেইটো চৰকাৰক আমি দিয়াটো কৰ্ত্তব্য; আৰু সেইদৰে আমি চৰকাৰক দিম আৰু তাৰ ওপৰত আলোচনা-বিলোচনা কৰিম, আৰু গতানুগতিকভাবে আমাৰ ফালৰ পৰা এটা কৰ্ত্তন প্ৰস্তাব দি তাৰ ওপৰত আলোচনা কৰিম। কিন্তু এই আলোচনা-বিলোচনা বিলাক চৰকাৰে ভাল বুলি গ্ৰহন কৰি শাসন যন্ত্ৰটো নিয়াৰিকৈ চলাবৰ কাৰণে ব্যৱস্থা কৰে বুলি ধৰিব পাৰিম। কিন্তু কৰ্ম্মক্ষেত্ৰত যি আলোচনা আলোচনাতে থাকে বিশেষ ধৰণৰ কিবা কাৰ্য্যকৰী কৰা আমি নেদেখো। অধ্যক্ষ মহোদয়, কালি মই মোৰ ভাষন প্ৰসংগত কৈছো, আৰু বাকী কেইটা শিতানটো বহুখিনি কথা কৈছো যে আমাৰ এই শাসন যন্ত্ৰটো অতি পুৰণি আৰু সেইদৰে চলাই আহিছে। এই যন্ত্ৰটোৱে ৰাইজ আৰু জনসাধাৰণক একো উপকৃত কৰিব পৰা নাই। এটা ঘৰ ভাগিউৰলী গৈছে—তেতিয়া গিৰিহতৰ কৰ্ত্তব্য হব যে সেই ঘৰটোত নতুন খেৰ, বাহ, বেট দি মেৰামতি কৰা। কিন্তু মেৰামতি কৰাৰ পাচতো যদি সেই ঘৰত থাকিব পৰা নাযায় তেতিয়া হলে তাক মেৰামতি কৰি গিৰিহতে পইচা খৰচ কৰাৰ প্ৰয়োজন নাই। আমাৰ চৰকাৰৰো সেইটো দৃষ্টিভঙ্গি হোৱা উচিত। যদি এইটোৰ দ্বাৰা ৰাইজৰ কামত নাহে তেতিয়া হলে তাত অযথা পইচা খৰচ কৰি থকাতকৈ ইয়াৰ আমোল পৰিবৰ্ত্তন কৰিব লাগে।

আমাৰ Administrative Reform কমিটি হল। এনে ধৰণৰ বহুটো কমিটি হল। কিন্তু শাসন যন্ত্ৰটোৰ ক্ষিপ্ৰ গতিত উন্নতি হোৱা নাই আৰু ন্যায় সংগতভাবে ৰাইজৰ মান মৰ্য্যদা ৰক্ষা কৰিব পৰা নাই স্বাধীন ভাৰতৰ স্বাধীন নাগৰিকৰ প্ৰতি এই চৰকাৰৰ যি কৰ্ত্তব্য সেই কৰ্ত্তব্য যথাযথ ভাবে পালন কৰিব পৰা নাই। মই বৰ নিৰুত্সাহেৰে কবলৈ বাধ্য হৈছো যে এই যন্ত্ৰটোৱে ৰাইজৰ টকাৰ অযথা অপচয় কৰিছে আৰু ৰাইজৰ অপকাৰৰ বাহিৰে একো উপকাৰ কৰিব পৰা নাই। জিলাই জিলাই যিবিলাক বিষয়া আছে যিবিলাক I.A.S. Officer আছে সেই সকলো একেবাৰেই অনভিজ্ঞ লোক। তেওঁলোকে জনসাধাৰণৰ মানমৰ্য্যদা বুজি নাপায় আচাৰ-ব্যৱহাৰ নাজানে, সামাজিক নীতি নিয়ম বুজি নাপায়। এই মানুহবিলাকৰ ওপৰত শাসন যন্ত্ৰটো তুলি দিয়েই ঘূনে ধৰালে এই ঘূনে ধৰা যন্ত্ৰৰ পৰা কি আশা কৰিব পাৰি। আজি সিফালৰ আমাৰ দলপতিয়ে এটা কথা কৈছে যে এজন উপায়ুক্তয় Symporiam কৰিলে আৰু তাৰ ওপৰত মন্তব্য কৰা যুক্তি যুক্ত নহয়। এইবিলাক কথা বিবেচনা কৰি সকলোৱে আজি আমাৰ এইবিলাকৰ সম্পৰ্কত যিবিলাক মানুহে শাসন যন্ত্ৰটো District Headৰ ওপৰত দিলে।

চৰকাৰৰ এনে কিছুমান I.A.S. বিষয়া আছে, যাৰ কোনো প্ৰশাসনীক জ্ঞান নাই মই মন্ত্ৰী মহোদয়কো কৈছিলো এই বিষয়ে যে তেওঁলোকৰ কোনো জ্ঞান নাই। গতিকে প্ৰশাসনীক জ্ঞানৰ সংক্ৰান্তত তেওঁলোকৰ Depar-mental Training আৰু Revinew Training, Regional ভাষাৰ Training আৰু Special Training দিয়াৰ ব্যৱস্থা হব লাগে। তেনেকুৱা I.A.S. Officerক উপায়ুক্ত কৰি ৰাখি দিছে আৰু লগে লগে Senior A.C.S. Officer সকলক Assistent Commission কৰি I.A.S. লগত attach কৰি ৰাখিছে আৰু ই I.A.S. officer সকলে A.C.S. officer সকলৰ মূৰত কঠাল ভাঙিছে খাইছে আৰু সেইদৰেই শাসন চলাইছে ফলত A.C.S. officer সকল Official হৈ পৰিছে আৰু তেওঁলোকৰ মাজত অসন্তুষ্টিৰ ভাৱে দেখা দিছে—আৰু A.C.S. আৰু I.A.S Officer সকলৰ মাজত enimity বাঢ়ি গৈছে। অকল সেয়েই নহয় ২/১টা উদাহৰণ মোৰ

ব্যক্তিগত উদাহৰণৰ পৰাই কৈছো। কিছুমান Officerক দিয়া হয়—সেই সকলে সমাজৰ কথা একো নাজানে দেশৰ কথাকো নাজানে আৰু তেনেকুৱা মানুহক S.D.O কৰি দিয়াৰ ফলত ৰাইজক, মানুহক সদস্যসকলক আনকি মন্ত্ৰীকো অপমান কৰিবলৈ দ্বিধাবোধ নকৰে। এই শাসনযন্ত্ৰ তৈয়াৰ কৰিছে আপোনালোকে কিয় তেওঁলোকে আপোনালোকক care নকৰিব সদস্য সকলক care নকৰিব, তাই-তুই পিন্ধি এনেকুৱা ব্যৱহাৰ কৰিবলৈ মন্ত্ৰীসকলে তেখেত সকলক শিকাইছে। এটা কথা সছা A.C.S. নহলে শাসন যন্ত্ৰ নচলে কিন্তু তেওঁলোকৰ কথা গণ্য নকৰে— ফলত তেওঁলোকে তেওঁলোকৰ in culine হেৰুৱাই গৈছে। ফলত বিদেশী, মই বিদেশী এই বুলিয়েই কৈছো যে, বেচিভাগ I.A.S. Officerয়ে আমাৰ দেশক নিজৰ দেশ বুলি ধৰি আৰু অসমীয়া ৰাইজৰ লগত মিলিজুলি ৰাইজৰ হকে কাম কৰিব নোৱাৰে অৱশ্যে তাৰ ভিতৰত কিছুমান বিষয়া আছে যি সকলে অসমক নিজৰ দেশ বুলি ভাবি আৰু ৰাইজক নিজৰ বুলি ভাবি সেৱা কৰি আছে তেওঁলোকলৈ মোৰ মূৰ দোৱাইছো। এনেকুৱা বিষয়া সকলে অসমৰ স্বাৰ্থ নিজৰ স্বাৰ্থ বুলি কাম কৰিছে কিন্তু দুখৰ কথা তেনেকুৱা Officerৰ ওপৰ মহলত কোনো স্থান নাই। মই নাম নকও যি সকল বাহিৰৰ পৰা আহে আৰু অসমীয়াৰ কল্যাণ কৰিবলৈ চেষ্টা কৰে কিন্তু তেওঁলোকৰ হলে কোনো স্থান নাই। সেই কাৰণে মানুহৰ মাজত এটা অসন্তুষ্টিৰ ভাৱ দেখা দিছে। চৰকাৰে নানা ধৰণৰ Developmentৰ কাৰণে টকা পইচা দিছে Flood Reliefৰ কাৰণে টকা দিলেও মানুহৰ হাতত ১০ টকাতকৈ বেছি নপৰে। শাসন যন্ত্ৰত ওপৰৰ পৰা তললৈ ঘূণে ধৰিছে, আৰু দুৰ্নীতিৰে ভৰপূৰ হৈ আছে। Jorhatৰ মাজুলী অঞ্চলৰ বৰ্ডামাটিৰ এজন মানুহৰ ঘৰ-বাৰী ভাঙি চিঙি লৈ গ'ল আৰু আমাৰ চৰকাৰৰ ফালৰ পৰা তেওঁলৈ ২০০ টকা Lown আৰু ১০২ টকা Cattle Lon দিবলৈ order দিয়া হিছিল তেখেতে তেখেতৰ নঙঠা ১২ বছৰীয়া ছোৱালী এজনী লগত Courtৰ বাৰান্দাত মোক ভৰিত দীঘল দি পৰিল মোৰ পিতৃতুল্য এজন মানুহে যেতিয়া মোৰ ভৰিত পৰি কান্দিলে তেতিয়া মই গৈ খবৰ কৰিলো আৰু দেখিলো Dealing officer এ টকা হজম কৰি পেলাইছে অৱশ্যে মই বৰকৈ ধৰাত বেলেগ ঠাইৰ পৰা কিছু টকা দিলে কিন্তু বেছি ভাগেই নাপালে। মুখ্য মন্ত্ৰীক কোৱা হয়,

কিন্তু তাৰ ব্যৱস্থা আজিলৈকে নহল। এইদৰে দুৰ্নীতি ওপৰৰ পৰা তললৈ শিপাইছে আৰু লগে লগে মানুহৰ ভিতৰত অসন্তুষ্টীৰ ভাব সৃষ্টি হোৱাটো স্বাভাৱিক কথা।

বান বিধ্বস্থাসকলে ৩/৪ বছৰলৈকে Reliefৰ টকা নাপায়ে কিন্তু এতিয়াও সেইবিলাক বড়াফিটাৰ মেৰপাকত সোমাই আছে। ইয়াৰ ফলত মানুহৰ ভিতৰত অশান্তিৰ ভাব দেখা দিছে। যদি শাসনযন্ত্রটো ভাল হলহেঁতেন তেতিয়া হলে Plane Tribe Council য়ে কমতাপুৰ ৰাজ্যৰ দাবী নকৰিলেহেঁতেন আৰু টাই মঙ্গোলীয়াম ৰাজ্যৰ দাবী নুঠিলেহেঁতেন। যদি শাসনযন্ত্রই বাইজৰ সমন্বয় সাধনৰ ব্যৱস্থা কৰি দিলেহেঁতেন তেতিয়া হলে এনেকুৱা দাবী নুঠিলহেঁতেন। কিন্তু এই শাসন যন্ত্রই এটা Burocretic মজাৰ সৃষ্টি কৰিছে। আজি কোনে আমাৰ মাজত ভাগ ভাগৰ সৃষ্টি কৰিছে? যিবিলাক মানুহৰ আমাৰ মাজত ভৱিষ্যতৰ কোনো সম্পৰ্ক নাই তেওঁলোকে সৃষ্টি কৰিছে, অসমখন ধ্বংশ হলেও তেওঁলোকৰ চিন্তা নাই। আজি পুনৰ মই এইটো সাৱধান কৰি জনাই দিছো। মোৰ জেষ্ঠ মাননীয় সদস্য চৌধুৰী ভাঙৰীয়া যিটো পটি শুনাইছিল তাত কি কৈছে আপোনালোকে বুজি পাইছেনে? মই বুজি পাইছো সেইটো হ'ল এজন I. A. S. Officer এ গাৰো Hills ভিতৰত এখন অসমীয়া ভাষাৰ স্কুল ভাঙি দিছে, কাৰণ এইজন মানুহৰ প্ৰৰোচনাত পৰি গাৰো আৰু অসমীয়াৰ মাজত আন্দোলনৰ সৃষ্টি হ'ল আৰু অসমীয়া ভাষাক গুৰিয়াই মহতীয়াই নিশেষ কৰি পেলাইছে আৰু আজি আমাৰ ইয়াত পুৰণিকলীয়া মিলাপ্রীতিৰে বসবাস কৰা গাৰো ভাই আৰু অসমীয়াৰ মাজত বিবাদৰ সৃষ্টি কৰিছে। গতিকে উপাধ্যক্ষ মহোদয় এনেকুৱা শাসকগোষ্ঠিক আমি কেনেকৈ বিশ্বাস কৰো যি শাসক গোষ্ঠীয়ে আমাৰ ভাই ককাইৰ মাজত ভাষা লৈ কাজিয়া লগাব খোজে, এই মানুহজনক কিয় শাস্তি নিদিব? মই জনাই দিছো যে উপনিৰেষিক মনোভাবৰ দ্বাৰা তেখেতে শোষণ কৰিবলৈ আহিছে তেওঁ শাসন চলাবলৈ উপাযুক্ত নহয়।

That man cannot be allowed to come back to this State. If he comes we will organise and throw this man

out of the State. We donot care about the consequence. Now again another instance.

আন এটা উদাহৰণ কব খুজিছো যে আৰু এইটো মই স্পষ্টভাৱে কব খুজো যে নগাওঁৰ D.C.য়ে যি ব্যৱহাৰ সেইটো তেওঁ যেন মহা মহা পাৰ্থ-সাৰথী ডাঙৰীয়া কৃষ্ণৰ সাৰথী হৈয়েই অসমলৈ আহিছিল। বিধান সভাৰ সদস্যকো তেওঁ ভুৰ ব্যৱহাৰ কৰিবলৈকো এৰা নাই। This man is expert in speaking yankee language. 'Yes, Sir, Yes, Sir.'

সেইজন ধুনীয়া ডেকা হলে কথা নাছিল। বিয়া বাৰু নকৰা হলে বহুতো কিবা কিবি চেষ্টা কৰিলেহেতেন। সেই মানুহজনে যোৱাবাৰ A.C.Sৰ confermation হোৱাৰ পাচত তেওঁৰ লগৰে A.C.S. বিষয়া সকলক অত্যন্ত ভুৰ ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিলে, "I will see the A.C.S. officers. All are headless."

চিলঙলৈ আহি ইয়াৰ A.C.Sৰ লগত বহি A.C.S. officerৰ বিপক্ষে আলোচনা কৰে। আৰু নানা প্ৰকাৰে A.C.S. officer সকলক অপমান কৰিছে। আৰু আনকি Publicityও অপমাম কৰিছে এইজন A.C.S. officer শ্ৰীঠাকুৰীয়াক এইদৰে Publicly threat কৰাত আমি কেতিয়াও সহ্য কৰিব নোৱাৰো। এইটো এজন D.C.ৰ পক্ষে কেতিয়াও সমৰ্থন যোগ্য নহয়। শেষত commisionerএ এটা compromise কৰি দিলে। কিন্তু compromiseএ যথেষ্ট নহয়। এই মানুহজনৰ ভুৰ ব্যৱহাৰৰ কাৰণে অতি সোনকালে চৰকাৰে যেন বিশেষ ব্যৱস্থা কৰে। এইজন officerএ বিধান সভাৰ সদস্যক অপমান কৰিছিল তেখেতৰ আগতে থকা Officerক Threatening দিছিল, মই তেওঁক পগলা বুলি কব খোজো, আমাৰ নগাওঁৰ ৰাইজে হাৰত গাঠি লৈ এইজন বিষয়ক নগাৱৰ পৰা আতৰাব যদিহে চৰ-কাৰে এই সপ্তাহৰ ভিতৰতে এই মানুহজনক ইয়াৰ পৰা আতৰ নকৰে। এই মানুহজনে মানুহক মানুহ বুলি গন্য নকৰে। অধ্যক্ষ মহোদয় দুৰ্নীতিৰ বিষয়ে মই পৰামৰ্শ দিছিলো। দুৰ্নীতি আতৰাবৰ কাৰণে Public Relations committee কৰিছিল সেইবিলাক difunct হৈ গল। আমাৰ নীলমণি ককাক লৈ এখন সদাচাৰ কমিটি কৰিছিল কিন্তু দুৰ্নীতি কোনো প্ৰকাৰে আতৰাৱ

নোৱাৰিলে দুৰ্নীতি এনেকৈ শিকাইছে যে এইটো দূৰ কৰিব নোৱাৰা অবস্থাত পৰিছে সেই কাৰণে যি সকল শাসনযন্ত্ৰৰ মাজত আছে তেওঁলোকৰ মনোভাব পৰিবৰ্ত্তন কৰিব নোৱাৰিলে বা তেওঁলোকৰ মন পৰিস্কাৰ নকৰিলে শাসনযন্ত্ৰ কেতিয়াও ভাল হব নোৱাৰে। সেই কাৰণে মই কও যে দূৰ্নীতি আতৰাবলৈ হলে আমি সকলোৱে মিলি এটা আন্দোলন চলাব লাগে আৰু যি পৰ্য্যায়তে দূৰ্নীতি পৰায়ন লোক নাথাকক কিয় তেওঁলোকৰ বিৰুদ্ধে অভিযান চলাব লাগে। আৰু এই অভিযান বাইজে চলাব। শাসনযন্ত্ৰ যিটো জিলা পৰ্যায়ত চলি আছে তাত কি হাহাকাৰ অৱস্থা হৈছে সকলোৱে দেখিছে।

Banglow সোমাইছে কিন্তু এইবিলাক I.A.S. অফিচাৰৰ কাৰণেহে। আমাৰ ইয়াত ২ বছৰ কাম কৰিয়েই একোজন I.A.S. off.cerয়ে Senior grade পায়। কিন্তু আমাৰ যিবিলাক তৃখীয়া শ্ৰেণীৰ কৰ্ম্মচাৰী আছে, তেওঁলোকৰ কাৰণে কোনো ব্যৱস্থা কৰা নহল। চৰকাৰৰ ওচৰত তেওঁলোকে বহুবাৰ আবেদন নিবেদন কৰিলে Strike কৰিলে, কিন্তু এই মানুহবিলাকৰ কাৰণে একো কৰা নহল। সেইকাৰণে চাকৰীয়ালৰ ক্ষেত্ৰত যিবিলাক সুবিধা দিব লাগে সেইবিলাক সুবিধা নিদিলে বা শাসনৰ গুৰিত থকা তৃতীয় চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰীক যদি সুবিধা দিয়া নহয় তেনেহলে শাসনযন্ত্ৰ বিকল হৈ যাব পাৰে। এই মানুহবিলাকৰ বাবে বাসস্থান শিক্ষা আদি যিখিনি সুবিধা পাব লাগে সেইখিনি সুবিধা দিবৰ কাৰণে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

মোৰ মনত আছে, ১৯৫৯ চনত যেতিয়া মই আমাৰ তুৰ্ভগীয়া Ministrial Association ৰ সাধাৰণ সম্পাদক আছিলো তেতিয়া মই পৰামৰ্শ আগবঢ়াইছিলো যে কেচ হিচাবে দিব নোৱাৰিলেও কাইন হিচাবে দিয়ক আৰু কম দামত যাতে বিলিস পত্ৰ পাব পাৰি তাৰ কাৰণে Consumers Co-opperative Store ৩/৪ খন দিয়াৰ ব্যৱস্থা কৰক। চৰকাৰে ইয়াৰ প্ৰতিশ্ৰুতিও দিছিল কিন্তু কাৰ্য্যত পৰিণত নহল।

( সময়ৰ সঙ্কেট )

তাৰ পাচত, অধ্যক্ষ মহোদয়, যোৱা পৰহিৰ বাতৰি কাগজত দেখিলো যে মোৰ জন্মভূমি ঢকুৱাখানা অঞ্চলটো ডিব্ৰুগড়ৰৰ লগত লগ লগাই ডিব্ৰুগড়

Sub-Division ৰ লগত সাঙুৰি দিব খুজিছে। কিন্তু নগাৰৰ মাজত বিশাল ব্ৰহ্মপুত্ৰ ৰাখি ডিব্ৰুগড়লৈ কেচ কৰিবলৈ জনসাধাৰণ যোৱাটো সম্ভৱ নহয় আনকি অন্যান্য প্ৰশাসনিক কাৰ্য্যতো একেই অৱস্থা। ভৌগোলিক পৰিবেশতো চকুৱাখানা খন ডিব্ৰুগড়ৰৰ লগত থাকিব নোৱাৰে। এই মৰ্ম্মে চকুৱাখানাৰ স্থানিয় লোকসকলে মোলৈ আপত্তি জনাইছে আৰু এইটো আগৰ পৰাই এটা Move আছে যে চকুৱাখানা ধেমাজি এই দুটা অঞ্চল লগ লগাই সুৱনশিৰীৰ পূব ফালে এটা পূৰ্ণাঙ্গ মহকুমা তৈয়াৰ কৰিব লাগে। তেনেস্থলত এইটো বুজি নাপাওঁ কিয় এতিয়া হঠাতে চকুৱাখানা ডিব্ৰুগড়ৰ লগত লগ লগাইছে? এই চামিলকৰণত সেই অঞ্চলৰ সকলো লোকে আপত্তি জনাইছে আৰু আশা-কৰো সদনৰ মাননীয় সদস্য সকলেও এইটোত যেন মোক সমৰ্থন জনায় যাতে চকুৱাখানা অঞ্চলটো ডিব্ৰুগড়ৰৰ লগত চামিল হব নোৱাৰে আৰু ভৌগোলিক পৰিস্থিতি সন্মুখত ৰাখি প্ৰশাসনিক সুবিধাৰ কাৰণে চকুৱাখানা অঞ্চলটো ধেমাজিৰ লগত লগ লগাই তাৰে এটা নতুন পূৰ্ণাঙ্গ মহকুমা কৰিব লাগে। ইয়াকে কৈ মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিলো।

Mr. Speaker—We have discussed enough. We have got two more grants. Do you like to continue discussion Mr. Bhattacharyya ?

Shri Gourisankar Bhattacharyya—So far as Grant No. 13 is concerned both the groups have agreed not to move any cut motion. With regard to Grant No. 14, we shall take very little time. At any rate we shall finish upto grant No. 14.

Mr. Speaker—তেনেহলে আমি এই সিদ্ধান্ত কৰিলো যে আমি ১৪নং Grantলৈ শেষ কৰিম আৰু মাননীয় সদস্য সকলে চমুকৈ কব।

M. Shamsul Huda—মোৰ অলপ কবলগীয়া আছিল?

Mr. Speaker—সকলোৱে কব লাগে।

Shri Binoy Krishna Ghose—মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ যি শাসন চলিছে সি বৃটিছৰ দিনৰে প্ৰথা চলি অহা শাসন—সেই শাসনৰ কোনো পৰিবৰ্ত্তন আজিলৈকে হোৱা নাই। কিন্তু আজি প্ৰত্যেক জিলাৰ জনসংখ্যা বাঢ়িছে। সমস্যাও বাঢ়িছে। সেই বাঢ়ি অহা সমস্যাবিলাক লৈ আমাৰ মাত্ৰ এজন D.C.এ সকলো সময়তে চকু দিব নোৱাৰে। ফল-স্বৰূপে বহুত সময়ত দেখিবলৈ পাইছো যে বহুত ক্ষেত্ৰতেই শাসনযন্ত্ৰৰ বাধাৰ সৃষ্টি হৈছে। লগতে জনসাধাৰণৰ বহুত কষ্ট হৈছে।

অধ্যক্ষ মহোদয়, আপুনি জানে যে বহুত সময়ত, বহুত কাৰণত আমাৰ সাধাৰণ খেতিয়ক কিছুমানৰ মাটি অধিগ্ৰহণ কৰা হৈছে কিন্তু আজি ৭/৮ বছৰেও তেওঁলোকক ক্ষতিপূৰণ দিয়া হোৱা নাই। এইবিলাকৰ কাৰণে খেতিয়কৰ অশেষ কষ্ট হৈছে এই বিষয়লৈ চোকা নজৰ দিব লাগে বুলি মই দাবী জনাওঁ।

সৈনিক স্কুলৰ কাৰণে কিছুমান খেতিয়কৰ মাটি অধিগ্ৰহন কৰা হৈছিল কিন্তু আজি ৭ বছৰেও তেওঁলোকক ক্ষতিপূৰণ দিয়া হোৱা নাই। S.D.Cলৈ অভাৱ-অভিযোগ জনাই আবেদন কৰা স্বত্বেও কোনো ফল ধৰা নাই।

জৰীপ প্ৰথাত যিবিলাক ভুল হৈ গল সেই ভুলৰ আজিলৈকে সংশোধনী হোৱা নাই। S.D.C, মণ্ডল, কাননগু আদি বিষয়াক সন্তুষ্ট কৰিব নোৱাৰিলেই সেই ভুলৰ সংশোধনী নহয়। তেওঁলোকক টকা নিদিলেতো সন্তুষ্ট নহবই। D.Cৰ ওচৰত আপীল কৰা স্বত্বেও আজি ৭/৮ বছৰে কোনো নিস্পত্তি হোৱা নাই। যিবিলাক মানুহে তৌজী মাটি ভোগ কৰি আছে সেইবিলাকক সেই মাটিৰ পট্টন দিব লাগে। কিন্তু তেওঁলোকক পট্টন নিদিয়াৰ কাৰণে বহুত মানুহৰ তেজী মাটি খাচ মাটি কৰি লৈছে। মণ্ডলবিলাকৰ লগত লগ হৈ মহাজনবিলাকে মাটি উক্ত খাচ মাটি পত্তন লৈছে যাৰ ফলত দুখীয়া খেতিয়কে নানান কষ্ট ভোগ কৰি বহুত টকা পইচা খৰচ কৰিও খাচ হোৱা তৌজীৰ মাটি নিজৰ নামত কৰি লব।

Miscellaneous W/L petition No.—2162 (Bgc)/67-68.

Order—Seen S. K's report. This applicant got his full amount land during the last re-settlement and he is not entitled to any examin amount of land. He is not a bonafide cultivator and the land is in a cfan posse-mior of another man Shri Bono Ram Rabha politioner of Misc. W/L No 825 (Bgc) of 67-68 from whom the applicant used to get adhi paddy ইয়াত orderটো হৈছে—

As the applicant has no personal cultivation of land and as he is not a bonafide cultivator, I decline to grant his prayer for restoration of the land to his towz. The petition is accordingly filed.

আজি ১৫ বছৰ আগৰ পৰা আধি খোৱা মানুহ আছে। সেই মাটি মনোৰাম ৰাভাৰ নামত পট্টন দিয়া হৈছে আৰু তেওঁৰ পৰা মণ্ডলে ৭০০ টকা আদায় কৰিছে।

এইবিলাকেই জিলা প্ৰশাসনৰ নমুনা। ইয়াৰ বাহিৰেও বহুতো তৌজী-মাটি খাচ কৰিছে। এইবিলাকৰ কাৰণে আপত্তি জনালে গাওঁ পঞ্চায়ত বা আঞ্চলিক পঞ্চায়তৰ প্ৰেচিডেণ্টসকলক লৈ প্ৰমাণ কৰিবলৈ কয়। গোৱালপাৰা জিলাৰ জমিদাৰী প্ৰথাৰ উচ্ছেদৰ পিচত তাৰ যিবিলাক ৰেকৰ্ড সেইবিলাক চৰকাৰৰ ওচৰত আছে কিন্তু যেতিয়া মানুহে বিপদত পৰি সেইবিলাক বিচাৰিবলৈ যায় তেতিয়া তেওঁলোকৰ হাতত নাই বুলি কয়। কিন্তু ২/৩ শ মান দিলে কাগজ বিচাৰিব পাৰে বুলি কয়। সাধাৰণ খেতিয়ক সকলৰ আজি এই অৱস্থা আৰু এই অৱস্থা দিনক দিনে বেয়ালৈ আহে। ইয়াকে কৈ মোৰ বক্তিতা সামৰণি মাৰিলো।

M. Shamsul Huda—মই এই কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি দুষাৰ-মান কব খুজিছো। আজি আমাৰ প্ৰশাসনীয় ব্যৱস্থাৰ দোষৰ কাৰণেই আজি দেশত বিশৃঙ্খল, বিভেদ, আৰু দুৰ্নীতিৰ সৃষ্টি হৈছে। এই দুৰ্নীতি আপোনা আপুনি অহা নাই, এই বিলাকত চকাৰে নানান ভাৱে অৰিহনা যোগাইছে।

আজি আমি দেখিছো Secretary বা জিলা পৰ্য্যায়ত সৰ্ব্বভাৰতীয় সংহতিৰ নামত I. A. S. অফিচাৰ নিযুক্তি কৰিছে। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ উপনিবেশিক শাসন ব্যৱস্থা কৰিছে। তেওঁবিলাকে কেন্দ্ৰীয় চৰকাৰ বা কংগ্ৰেছ চৰকাৰে দিয়া দায়িত্ব সফলতাৰে পালন কৰিছে। যাৰ ফলত অসংঙ্গতিৰ সৃষ্টি হৈছে আৰু ৰাজ্যখনৰ সংহতি নষ্ঠ হৈছে আৰু বিশৃঙ্খলতাৰ সৃষ্টি হৈছে।

অধ্যক্ষ মহোদয়, মই I. A. S. অফিচাৰ বিলাক বাহিৰৰ পৰা অহানহাৰ কথা কোৱা নাই। I. A. S. সকলৰ ভিতৰত অতি চোকা বুদ্ধি আৰু মগজুৰ মানুহ আছে; তাক আমি অস্বীকাৰ নকৰোঁ। আৰু আমাৰ কংগ্ৰেছৰ মন্ত্ৰীসকলে সেই চোকা বুদ্ধিৰ মানুহৰ মূৰতে মূৰ ঘঁহি ঘঁহি নিজৰ বুদ্ধি বিবেক বঢ়াওক, আমাৰ আপত্তি নাই; কিন্তু কংগ্ৰেছ চৰকাৰ এই অবিচাৰ নাই যে, সংহতিৰ নামত সু-সংগত প্ৰশাসনৰ নামত ৰাইজৰ মাজত বিশৃঙ্খলা আৰু বিক্ষোভৰ সৃষ্টি কৰিব।

কেৱল মন্ত্ৰীসকলৰ দুৰ্ব্বলতাৰ কাৰণেই দেখিছো I. A. S. সকলে আজি মুধা পাইছেগৈ। আজি I. A. S. অফিচাৰ সকলৰ মাজত Superiority complex এ দেখা দিছে; আৰু তেওঁবিলাকৰ এই উচ্চাত্মিকাত লিপ্ত হৈছে আৰু সেই উচ্চাত্মিকা মনোভাৱে আজি মন্ত্ৰী সকলকো চুইছেগৈ। মন্ত্ৰীসকলে যদি হুকুম দিয়ে I. A. S সকলে পিচফালে থিয় দি খিল্-খিল্‌কৈ হাঁহি দিয়ে। কেতিয়াবা যদি Under Secretary বা তলৰ কোনো অফিচাৰে কিবা Report জিলা অধিপতি বা উপায়ুক্তৰ পৰা বিচাৰে, সেইখবৰ তেওঁ-লোকে উত্তৰ নিদিয়ে। সচাঁ-মিচা প্ৰমানৰ কাৰণে খাদী বিভাগৰ মন্ত্ৰীগৰাকীক সোধক। এই দৰেই অফিচাৰে উচ্চাত্মিকা মনোভাৱ পোষণ কৰি তলৰ কৰ্ম্ম-চাৰী বিলাকক অবহেলা কৰি আহিছে। তেওঁলোকে আজি গণতন্ত্ৰক শ্ৰদ্ধা নকৰে, আৰু বিশ্বাস নকৰে আৰু ইয়াৰ প্ৰমান মোচাৰিৰ চাহাৰ আৰু শ্ৰীতুলাল বৰুৱা দেৰে আপোনালোকৰ আগত দাঙি ধৰিছে। আজি I. A. S অফিচাৰ সকলে সদনৰ সদস্য সকল পৰ্য্যন্ত অপমান কৰিবলৈ এৰা নাই। তেওঁলোকে উচ্চাত্মিকা মনোভাৱ লৈ থলুৱা লোকসকলৰ মাজতো বিষগুটিৰ সঞ্চাৰ কৰিছে। অলপতে সেই সংক্ৰান্তত নগাওঁৰ উপায়ুক্ত I. A. S জনৰ

তলত সৌভাগ্য বশতঃ কংগ্রেছ চৰকাৰৰ A. C. S. এজন A. D. C. আছিল। সেইজন এজন থলুৱা মানুহ আছিল আৰু সেই মানুহজনক Publi ly R.T.A. ৰ মেম্বাৰৰ আগতে অপমান কৰিছে; আৰু তেওঁ তাত অসমীয়া অনা-অসমীয়া প্ৰশ্নৰো সৃষ্টি কৰিছে। চৰকাৰ সৰ্ব্বভাৰতীয় সংহতিৰ নামত জাতিৰ সুশৃঙ্খলা নষ্ট কৰিছে।

আজি সু-পৰিকল্পিত ভাৱে উপনিবেশিক পদ্ধতিত শাসন চলাবৰ বাবেই বাহিৰৰ মানুহক I. A. S. কৰি উপায়ুক্ত কৰিছে আৰু A. D. C. সকলক অসাধৰণ কৰিলৈ চক্ৰান্ত কৰিছে। পাক Tribunal ত regular কৰি service ৰ মানুহ দিয়াৰ সুযোগ লৈ কিছুমান মানুহে এই অৱস্থাৰ সৃষ্টি কৰিছে। আৰু থলুৱা A. D. C. সকলক অভিজ্ঞতা সম্পন্ন হোৱা স্বত্বেও Release কৰি দিয়াৰ ব্যৱস্থা কৰিছে। আজি কিছুমান দাড়ি-গোফ নগজা I. A. S. ৰ মানুহকো S. D. O. কৰিছে। অধ্যক্ষ মহোদয় অভিজ্ঞতাৰ এটা মূল্য আছে সেয়ে নহলে মানুহ University ত 1st class 1st হব পাৰে তেওঁক Governor পাতি দিব পাৰে বা B. A. ত 1st class পোৱা এজনক Chief minister বা M. L. A. কৰি দিব পাৰে। কিন্তু অভিজ্ঞতাৰ মূল্য আছে। আজি ইয়াৰ ফলত সৰ্ব্বসাধাৰণ ৰাইজৰ দুখ-দুৰ্গতিয়ে নধৰা হৈছে। চোকা পণ্ডিতে স্কুল কলেজৰ গাধ ছাত্ৰ-ছাত্ৰীৰ দুখ নুবুজে উধাই মুধাই কোবায়, পঢ়া কিয় নোৱাৰে। ঠিক অনুৰূপ অৱস্থা হৈছে হালুৱা হজুৱা ৰাইজৰ আজি I. A. S. অফিচাৰৰ হাতত। আজি I. A. S. সকল চোকা বুদ্ধিৰ হলেও আমাৰ হালোৱা হজুৱা ৰাইজৰ একো উন্নতি হোৱা নাই। অসমৰ অৰ্থনৈতিক অৱস্থা বা কোনো বিষয়ৰেই উন্নতি কৰিব নোৱাৰে। কোনো অভিজ্ঞতা নোহোৱাকৈয়ে আজিৰ জিলাত S. D. O., S. D. C. আছে। আনহাতে আমাৰ চৰকাৰে সেই সকলো ভুৱাদী প্ৰশংসা কৰিছে। আৰু এনেদৰেই ৰাইজৰ মাজত বিষময় পৰিস্থিতিৰ সৃষ্টি হৈছে। আজি সৰ্ব্বসাধৰণৰ মাজত শান্তি শৃঙ্খলাৰ অভাৱ। এই I. A. S. অফিচাৰ সকলৰ কেৱল Theoritical অভিজ্ঞতা থাকিলেই সম্ভৱ সৰ্ব্বসাধাৰণৰ অভাৱ অভিযোগ সম্পৰ্কে কোনো জ্ঞান এই I. A. S.অফিচাৰ সকলৰ নাই। আজি মানুহৰ মাজত এডোখৰ মাটি নাই এটুকুৰা কাপোৰ নাই আৰু সমাধানৰ কাৰণে

গণতান্ত্রিক আন্দোলন কৰিবলৈ যাওঁতে এই I. A. S. সকলে ৰাইজৰ ওপৰত অধে-মধে লাঠি গুলি চালনাৰ হুকুম দি জনসাধাৰণৰ মাজত বিক্ষোভৰ সৃষ্টি কৰিছে।

অধ্যক্ষ মহোদয়, আজি এইক্ষেত্রত আমি দেখিছো যে তাৰ পৰিণাম স্বৰূপে তেওঁলোকে যিদৰে শাসন চলাইছে তাৰ দ্বাৰা কোনো সুফল হোৱা নাই। আজি fileৰ পিচত file দমহৈ গৈছে; কিন্তু কোনো কাম হোৱা নাই। উদাহৰণ স্বৰূপে '৬৬ চনত ৬লক্ষ্য টকা নগাৱৰ জিলা আয়ুক্তলৈ কৰ্ম্মচাৰীৰ ঘৰ নিৰ্ম্মানৰ কাৰণে দিয়া হল; কিন্তু উচিত কামত খৰচ কৰিব নোৱাৰিলে।

মাটিৰ ক্ষেত্রত বহুতে উদাহৰণ দি গৈছে। এই অৱস্থাত দেখা পাইছো আৰু সেইকাৰণেই কৈছো এই উপনিবেশিক শাসন, চৰকাৰে যিটো চলাইছে এই ব্যৱস্থাৰ যদি পৰিবৰ্ত্তন ঘটাব নোৱাৰে বা সংস্কাৰ সাধন কৰিব নোৱাৰে তেনেহলে তেওঁলোকে গাদী এৰি দিয়া উচিত। আৰু যদি নিদিয়ে ৰাইজ অধৈয্য হৈ উঠিব আৰু গণতান্ত্রিক দেশত সমষ্ঠ Party বাদ দি ৰাইজে ডাঙৰ Party গঠন কৰিব; আৰু তাৰ পৰা কোনো পক্ষই সাৰিব নোৱাৰিব। এই খিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিলো।

Speech not corrected.

Shri Mahidhar Pegu—মাননীয় অধ্যক্ষ মহোদয়, ১২ নং অনুদান সম্পৰ্কত মই কেইটামান কথা সদনত দাঙি ধৰিব খুজিছো যিটো সহজ সৰল কথা আৰু আচল কথা। ইতিমধ্যে বহুতো কথা মাননীয় সদস্যসকলে বহুত কথা আলোচনা কৰি গৈছে। মই মাত্র তেখেত সকলে এৰি থৈ যোৱা কেইটামান কথা দাঙি ধৰিব খুজিছো।

আমাৰ এই সদনত অনেকবাৰ দুৰ্নীতি সম্পৰ্কে আলোচনা কৰা হৈছে। এই সম্পৰ্কে বহুতে বহুত ধৰণৰ মন্তব্য দিছে। কোনো কোনোৱে নিজকে প্ৰবোধ দিবৰ কাৰনেও এই কথা কয়। কিছুমানৰ মতে দেশৰ, সমাজৰ আৰু জাতিৰ অৱনতি, দুৰ্নীতিৰ কাৰণেই ঘটিছে বুলি মত পোষন কৰে। বৃটিছৰ দিনত দূৰ্নীতি আছিল সচা কিন্তু আজি ২১ বছৰ ৰাজত্ব কৰাৰ পিচত আমাৰ কি উন্নতি হৈছে? দূৰ্নীতিয়ে মানুহৰ নৈতিকতা নষ্ট কৰিছে। দূৰ্নীতি

নাই বুলি কোৱা নাই। আজি কেৰাণী সকলেও দূৰ্নীতি পৰায়ন হৈছে। আজি সৰু বৰ সকলো বিষয়াই দূৰ্নীতি পৰায়ন। কিন্তু দূৰ্নীতি কৰিছে কোনে? দূৰ্নীতি কৰা কৰ্ম্মচাৰী সকল কোন? এইটো চিন্তা কৰিবলগীয়া বিষয়।

আমাৰ সমষ্ট জনসাধাৰণৰ ভিতৰত ৭২% জনেই কৃষি জীৱি লোক। অকৃষিজীৱি বাকী ২৮ জনৰ ভিতৰত শতকৰা ১৫ জন কৰ্ম্মচাৰী আৰু বাকী ১৩ জন বুদ্ধিজীৱি লোক বা নেতা ধৰণৰ লোক। এনেস্থলত আজি কাক দূৰ্নীতি পৰায়ণ বুলি কব পাৰি? এইটো ঐতিহাসিক সত্য কথা যে জাতীয় চৰিত্ৰ লোপ পাই আহিছে মাত্ৰ শাসকগোষ্ঠীৰ কাৰণে। আমোলাতন্ত্ৰৰ দিনতেই হওক বা গণতন্ত্ৰৰ দিনতেই হওক জাতীয় চৰিত্ৰ ৰূপায়ণ কৰিব পাৰিছে জানো? বিলাটৰ জনসাধাৰণৰ বা আমেৰিকাৰ জনসাধাৰণৰ লগত অসমৰ জনসাধাৰণৰ বিশেষ কিবা প্ৰাৰ্থক্য আছে বুলি মই অনুভৱ নকৰো। পৃথিবীৰ সকলো ঠাইতে জনসাধাৰণ একে। কোৱা বাহুল্য যে দূৰ্নীতিবিলাকে সমাজৰ বৈষম্য আনিছে। এইবোৰ চৰকাৰৰ পাণ্ডা বা ওপৰমহল বা মন্ত্ৰীসকলৰ দ্বাৰাই হৈছে বুলি ধৰি লব লাগিব। সেই বুলি মন্ত্ৰীসকলক দোষাৰোপ কৰিব খোজা নাই। ব্যক্তিগত কোনো এজনকে দোষ দিব খোজা নাই। কিন্তু চৰকাৰৰ শাসনযন্ত্ৰ বা স্নায়ু কেন্দ্ৰৰহে দোষমুক্ত বুলি কব খুজিছো। গতিকে ৰোগমুক্ত নহলে শৰীৰ ভাল নহয় বুলি মই ভাৱো। এইক্ষেত্ৰত মই এটা কথা কব খুজিছো—মাফ কৰিব মই কোনোবাক উদ্দেশ্য কৰি এই কথা কোৱা নাই। নেপালীত এটা ফকৰা আছে—

যে— 'বাণৰ নাই নাৰিয়ল<br>
মুৰুক নাই কোৰাণ<br>
বন্দুক নাই জিৰো'।

অৰ্থাৎ বান্দৰৰ কাৰণে নাৰীকল যেনে, মূৰ্খৰ কাৰণে কোৰাণ যেনে, বন্দুকৰ কাৰণে জীৰাবা লাই সাক যেনে—লাই শাক য'ত মছলা নফোটে আৰু কাৰণেও শাসন তেনে হৈছে। ইয়াৰ দ্বাৰা মই এই সদনক মূৰ্খ বুলি প্ৰমাণ কৰিব খুজিছো। প্ৰশাসনৰ বিষয়ে আলোচনা কৰিছে। এই প্ৰশাসনক

২ পৰ্য্যায়ৰ মতামতেৰে আলোচনা কৰিছে। এক হল—ৰাজধানী পৰ্য্যায়ৰ আৰু আনটো হৈছে জিলা পৰ্য্যায়ৰ—যাৰ লগত জনসাধাৰণৰ দিনে-ৰাতিয়ে ওতঃপ্ৰোত সম্বন্ধ আছে। আৰু বিশেষকৈ এইটো দেখ দেখ কথা যে জিলা প্ৰসাশনৰ ব্যৱস্থাৰ লগত আমাৰ আস্থা নীহিত আছে। মই বহুতো মাননীয় সদস্যৰ লগত একমত নহওঁ যে জিলা প্ৰশাসনত ভালেমান কেৰোন আছে। গতিকে দেশৰ প্ৰশাসন বেয়া হৈছে বুলি মই ভাবিব নোৱাৰো। বহুতো ক্ষেত্ৰত জিলা প্ৰশাসনত হস্তক্ষেপ কৰা হয় কিন্তু ইয়াৰ ৩ বিধ শাসনত সং চিন্তাৰ অভাৱৰ ক্ষেত্ৰত বহুতো সময়ত বিশৃঙ্খলৰ সৃষ্টি হৈছে আৰু ফলত সমষ্ট শাসনযন্ত্ৰ গুলোটা হৈ পৰিছে।

( Bell )

এই সম্পৰ্কে আৰু মোক ২ মিনিট কবলৈ দিয়ক—মই কথাটো প্ৰমাণ কৰি দিছো। আমাৰ তাত এটা মীনমহল আছে এক ডেব মাইল আতৰত—নাম নলজুৰাৰ। তেতিয়াৰ অফিচাৰ G. D. Watekeo যে ১৯৩৬ চনত তাত মাছ মৰা বন্ধ কৰি দিলে: আৰু ইয়াক লুইত এৰাসুতিৰ লগত খাৰ বুলি ঘোষণা কৰিলে। আৰু তাৰ নথিপত্ৰও আছে।

তাৰ পিচত এতিয়া শিৱসাগৰৰ D.C. Mr. Phene ডাঙৰীয়াই বাইজৰ আপত্তি মৰ্ম্মে তদন্ত কৰিলে আৰু এৰাসুতিৰ লগত নলজুৰাৰ সংযোগ আছে বুলি order দিলে। আৰু সেই orderৰ No. টো দিছো—No. R G F 66/63/P/248 dt. 24th February 1968.

তাৰ পিচত এই হুকুমৰ সংক্ৰান্তত ৰাইজে গম পালে আৰু ৰাইজে এই হুকুমৰ বিপৰীতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ ওচৰত এটি সজাতী দল আহি আপত্তি কৰিলে ২৪।৩।৬৮ তাৰিখে। এই আপত্তিৰ মৰ্ম্মে সেই বিলত মাছ মৰা বন্ধ ৰাখে আৰু সেই হিচাৱে মাছ মৰা বন্ধ আছিল।

তাৰ পাছত কিছুদিন বন্ধ হৈ থাকে আৰু যোৱাবছৰৰ শেষৰ ভাগত আমাৰ মন্ত্ৰী ডাঙৰীয়াই নিজে অনুসন্ধান কৰিবলৈ গৈছিল। কিন্তু কি পালে কি নাপালে এইটো তেখেতৰহে বিচাৰ্য্যৰ বিষয় আৰু তেখেতেহে জানে কিভাবে অনুসন্ধান কৰিলে।

যি কি নহওক চৰকাৰৰ পৰা Deputy Commissionerএ এটা হুকুম পালে আৰু আকৌ Deputy Commissionerএ চৰকাৰলৈ পুনৰ জনালে। তেখেতৰ চিঠি এইয়া—S.A.I. (৫)৩/৫........dt. 7th January '69. এইদৰে চিঠিৰ আপত্তি উপায়ুক্তই লগে লগে জনোৱাত অথবা—স্থানীয় ৰাইজৰ লগত কাজিয়াপেচাল হল।

তাৰ পিচত Deputy Commissionerএ এই কথা জানিলে আৰু ৰাইজেও এই বিষয়ে জনালে যে যদি অনুসন্ধান কৰিও ভবিষ্যতলৈ সংযত কৰি ৰাখিব লগা হয়, তেতিয়াহলে পৰিষ্কাৰ ভাবে বিক্ৰি কৰিম বুলি উল্লেখ কৰাটোৱেই উচিত হব।

এইদৰে জনোৱাৰ পিচতো ভেটেনেৰী-বিভাগে আৰু এটা চিঠিৰ কথা মাৰ্চ্চ মাহত জনালে। চিঠিটো হল ১৯/——/৬৯ তাৰিখ।

তাৰ পিচত আৰু উল্লেখযোগ্য যে ৩১ মাৰ্চ্চৰ দিনা ম্যাদ কৰিবলৈ দিয়া হল। কিন্তু হিচাব দিব পৰা নাই বুলি প্ৰায় এমাহ ডেৰমাহ মানৰ পিচত একেলগে দিব লগা হল। তাৰ পিচত Deputy Commissioner জনে গৱৰ্ণমেণ্টৰ লগত আলোচনা কৰি এটা Order দি দিলে। তেতিয়াই এই কথা ভেটেনেৰী বিভাগে পৰিস্কাৰ কৰি দিলে যে এইটো ৰেভিনিউৰ বিভাগৰহে হব লাগে। কিন্তু চৰকাৰৰ তৰফৰ পৰা এইটো অনুমোদন কৰি দিয়াটো উচিত আছিল। এই কথাৰ পিচত মাজতে এবাস্মৃতিৰ বিষয়ে নলতুৱাৰৰ সশস্ত্ৰ বাহিনীৰ সৈতে মাছ মাৰিবলৈ দিলে এনেকুৱা ঘটনা হব বুলি কোনেও নাজানে। সেই কাৰণে মই কৈছো এইটো আজিৰ যুগত কিয় কৰিব লাগে? যদি Minister আটাই বিলাকে এইবোৰ কাম সমাধা কৰিব পাৰে, তেন্তে Deputy Commissioner বা Distric Magistrate ইয়াৰ কাৰণে কিয় হস্তক্ষেপ কৰিব লগা হল। আয়ুক্ত সকলে বিবেচনাৰ কালত এইদৰে অন্যান্য কামত জড়িত থাকে।

তাৰ পিচত কোৱা হৈছে যে, মন্ত্ৰীসকলৰ ভ্ৰমণ বেছি হৈছে। কিন্তু একো কাম হোৱা নাই। সকলোৱে বিচাৰিছে সেই অনুপাতে তদন্তও কৰিছে।

কিন্তু উপায়ুক্ত তলে তলে যিটো কাম কৰিছে সেইটো হলে বিবেচনা কৰি চোৱা নাই।

তাৰ পিচত Fishery সংক্ৰান্তত বহুতো বেমেজালীৰ সৃষ্টি হব বুলি জানি উপায়ুক্তই দৰ্জ্জন পিচত দৰ্জ্জন কৰি ৰাইজক সান্তনা কৰিবলৈ চেষ্টা কৰে।

আমাৰ মাননীয় সদস্যই কৈছে যে ৰাইজক খেদিছে। এৰা নেখেদি কাক খেদিব? দুৰ্ব্বলীৰ ওপৰত সদায় চৰকাৰৰ অত্যাচাৰ আছেই। কিন্তু দুৰ্ব্বলীয়ে সহ্য কৰি আছে কাৰণেহে একো হোৱা নাই। এনেকুৱা ঘটনা ইমান বছৰে দেখিয়েই আছোঁ আৰু যে নেদেখিব তাৰ মানেই নাই। চৰকাৰে এইদৰে Policy লগাই উপায়ুক্ত উৎসাহ দিয়ে। সৎলোকৰ ওপৰত কোনেও সৎদৃষ্টি নাচায়। অসৎলোকে বেয়া কাম কৰিলেও একো শাস্তি নাথাকে কিন্তু সৎলোকে যদি এনেকুৱা কাম কৰে তেন্তে তেওঁৰ নাই Transfer, নাই Promotion ইত্যাদি ১০১টা কথা আছেই। এইদৰে দূৰ্নীতি চলি থাকিলে বহুতো বেমেজালীৰ সৃষ্টি হয়। সেই কাৰণে চৰকাৰক সাবধান কৰি দি মোৰ বক্তব্য সামৰণি মাৰিলোঁ।

Shri Kamini Mohon Sarma—মাননীয় অধ্যক্ষ মহোদয়, এই কৰ্ত্তন প্ৰস্তাৱ সম্পৰ্কত মই জিলা প্ৰশাসন ব্যৱস্থাৰ দুটামান কথা কব বিচাৰিছোঁ; যিহেতুকে আমাৰ অসমৰ গোটেই বিলাক জিলা প্ৰশাসন ব্যৱস্থাতেই দূৰ্নীতিৰে ভৰি পৰিছে। আমাৰ মাননীয় সদস্য শ্ৰীভট্টাচাৰ্য্য ডাঙৰীয়াই কৈছে যে আমাৰ জিলাবোৰত আয়ুক্ত, উপায়ুক্ত আৰু জিলাধিপতিৰ অফিছ সমূহত যিসকল চৰকাৰী উচ্চবিষয়া আছে সেই সকলে কি ধৰণেৰে কাৰ্য্য চলাইছে জিলাধিপতিয়ে ভালদৰে চকু দিয়াৰ সময় নাই। তেওঁলোকৰ কাৰ্য্যকলাপ দেখিলে বৰ দুখ লাগে এটা কামৰ কাৰণে আহি সাধাৰন মানুহ জুলুমত পৰে। টকা নিদিলে কোনো কামেই হৈ নুঠে আমাৰ কমিচনাৰ জনৰ কাম নাই। কাৰণ Land Requisition ৰ সময়ত তেখেতৰ ঘুৰি ফুৰিবৰ কাৰণে শক্তি নাই। শক্তি নোহোৱা Officer ৰাখিব নালাগে জিলা প্ৰশাসনৰ কাৰণে যদি এনেকুৱা Officer ৰ প্ৰয়োজন, তেনেহলে সেইটো শক্তি জড়িত কৰি সকলো কাম কৰিব লাগে।

আমাৰ জিলা প্ৰশাসনৰ বাদেও গোটেই প্ৰশাসনতে কেৱল দুৰ্নীতি আৰু দুৰ্নীতিৰে সমগ্ৰ প্ৰশাসনীয় ব্যৱস্থাটো ভৰি পৰিছে। মই কবলৈ বিছাৰিছো যে বৃটিছৰ যুগত যিটো শাসনব্যৱস্থা আছিল তেতিয়া বৃটিছে যি কৰিলে কৰিলেই তাক আৰু পুণাৰাবৃত্তি কৰাৰ সকাম নাই। কিন্তু তাৰ পিচতো শাসনব এটা কট্‌কটীয়া ব্যৱস্থা আছিল। আজি স্বাধীনতাৰ ২১ বছৰ হৈও ২২ বছৰ হবৰ হ'ল। অথচ, দেশত প্ৰত্যেক অঞ্চলতেই প্ৰত্যেক ক্ষেত্ৰতেই একেবাৰে দুৰ্নীতি আৰু বিশৃঙ্খলতাই বিয়পি পৰিছে। ইয়াৰ মূল কাৰণ কি? কোনোৱে কাকো নমনা হৈছে অৰজকতা চলিছে। Minister ৰ কথাটো আয়ুক্ত আৰু জিলাধিপতিয়ে পালন নকৰে আৰু উপায়ুক্তৰ হুকুম তলতীয়া কৰ্ম্মচাৰী সকলে নামানে। মই উদাহৰণ স্বৰূপে কওঁ যে, ১৯৬৮ মাৰ্চ্চমাহৰ শেষৰফালে আমাৰ অঞ্চললৈ বাননিয়ন্ত্ৰণ মন্ত্ৰী গৈছিল। তেখেতে মোৰ ৰঙিয়া সমষ্টিৰ দক্ষিণ বৰদলত ৰাজহুৱা মিটিঙত প্ৰতিশ্ৰুতি দি নলবাৰীত অফিচাৰ বৰ্গৰ লগত আহিছিল মঠাউৰিৰ টকাবোৰ সোনকালে পাব আৰু ৰঙিয়া S. D. C অফিছত আলোচনা কৰি কলে যে মঠাউৰি দিয়াৰ চিন্তা কৰিব। আৰু এপ্ৰিল মাহত পুনৰ বিভাগৰ টকাবোৰ সোনকালে অৰ্থাৎ দুইমাহৰ ভিতৰতে ৰাইজক যথা বিধি মতে দিব লাগে। তেতিয়া অফিচাৰ সকলে এমাহৰ ভিতৰতেই দিব লাগে বুলি মন্ত্ৰীগৰাকীক জনাইছিল। মন্ত্ৰীমহোদয়ে তাৰ উত্তৰত কৈছিল যে এমাহ নহয় আপোনালোকে দুমাহৰ ভিতৰতে দিয়াৰ ব্যৱস্থা কৰক। কিন্তু আজি এমাহৰ ঠাইত এবছৰেও সেই কামবোৰ সম্পূৰ্ণ হৈ নুঠিল, কেতিয়াবা কয় দিবলৈ আৰম্ভ কৰিছো। কিন্তু মানুহে হাবাথুৰি খাইয়ো এটা টকা অফিচৰ পৰা উলিয়াব পৰা নাই। আৰু ৰাইজে গুৱাহাটীত টকা আনিবলৈ গলে নানা জুৰ-জুলুম পাব লগা হয়। স্থানীয় S. D. C. অফিছত Payment হলে ভাল হয় মাননীয় মন্ত্ৰী মহোদয়ে এই সম্পৰ্কে ৰাইজক আশ্চাস দি অহা স্বত্বেও এই ব্যৱস্থা কিয় নহল? ফেব্ৰুৱাৰী মাহৰ ৭ তাৰিখে মোক লগত লৈ কামৰূপজিলাৰ উপায়ুক্তই কৰ্মচাৰীৰ Room ৰ ভিতৰতে Room বন্ধ কৰি এটাৰ পিচত এটাকৈ ফাইল আনি টেবুলৰ ওপৰত জমা কৰিলে ততাতয়াকৈ কিন্তু টকা দিয়াৰ ব্যৱস্থা কৰাৰ পৰামৰ্শ দিলে কিন্তু তলতীয়া কৰ্মচাৰী সকলে গাফীলতি কৰিয়েই তেওঁলোকে ফাইলৰ কাম সম্পূৰ্ণ নকৰিলে। কিয় কৰা নাই বুজিব পাৰিছো যে টকা দিলেই ফাইলৰ কাম কৰে টকা নিদিলেই নকৰে

এইদৰে Aquisition officer এ মানুহ বিলাকক সাধাৰণ গৰিব মানুহবোৰক জুলুম কৰে। কিন্তু D. C. জনে লিখি দিলেও তলৰ কৰ্মচাৰী সকলে সেই কাৰ্য্য সম্পূৰ্ণ নকৰে ইয়াৰ কাৰণ কি? কোন দিনা ইয়াৰ বিহিত ব্যৱস্থা হব। টকা নহলে একোৱে নহয় টকা খাই মণ্ডলে যি লিখে সেয়ে হয়। মণ্ডল কানুনগু আদিয়েই সৰ্ব্বেসৰ্ব্বা। যেনিবা মণ্ডলৰহে ৰাজ্য আৰু তাত মণ্ডল কানুনগু আদিয়েই ৰজা। সংস্কৃতত কোৱাৰ দৰে "গ্ৰামস্য ৰাজঃ"। মণ্ডলে যি লিখি দিয়ে সেয়ে হয়। আপোনালোকে প্ৰমাণ পাব এই সদনত মই কৈছো যে আমাৰ ৰঙিয়া অঞ্চলতেই আছে মাটিৰ কাৰণে যি টকা দিছে সেইবিলাক মণ্ডল কানুনগু আদিয়েই বেছি পাইছে। ইয়ে তেওঁলোকৰ ব্যৱসায় চলিছে। এওলোকক ঘনাই অদল-বদল কৰাৰ ব্যৱস্থা হব লাগে।

কাৰণ ৰঙ্গিয়া অঞ্চলত নকুলচেপ্তী সাহান গাওঁত এনেকুৱা ঘটনা ঘটিছিল। যিবিলাক মণ্ডলক টকা দিব পাৰিছে তেওঁলোকে প্ৰতিৰক্ষা বিভাগে অধিগ্ৰহন কৰা মাটিত জিৰাত আদিৰ মূল্য বেছিকৈ পাইছে আৰু যিবিলাকে টকা দিব পৰা নাছিল বা দিয়া নাই তেওঁলোকে ঠগ খাইছে। দুজন মানুহৰ মাটি একেলগে একে ঠাইতে আছিল। এজনৰ ভাগত আছিল ১০ বিঘা আৰু আনজনৰ ভাগত আছিল ৫ বিঘা। ৫ বিঘা মাটিৰ মালিকজনে মণ্ডলক সন্তুষ্ট কৰিব পাৰিছিল কাৰণে—বিঘাই ২,৯০০ টকাকৈ পালে আৰু আনজনে তাকে কৰিব নোৱাৰাৰ কাৰণে বিঘাই ৯০০কৈ পালে। এইবোৰ প্ৰকৃত তদন্তৰ কাৰণে মই দৃষ্টি আকৰ্ষণ কৰিলো। মটাউবিৰ বেলিকাও বহুত মানুহক ঠগিলে। যি সকলে মণ্ডলক টকা দিব পাৰিছিল তেওঁলোকে বেছি টকা পালে। আৰু টকা বেছি দিব নোৱাৰা সকলে কম টকা পালে। সেইকাৰণে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো যে, ক্ষতিপূৰণৰ ক্ষেত্ৰত যাতে সকলোৱে উচিৎ ক্ষতিপূৰণ পায়।

আমাৰ চাৰ্কোল অফিচবিলাকৰ ফোন connection দিব লাগে। কাৰণ নানা ঘটনাত দুৰ্ভিক্ষৰ সময়ত বা বেমাৰ—মহামাৰী, বানপানী ইত্যাদিৰ সময়ত উচ্চস্তৰৰ লগত যোগাযোগ ৰাখিবৰ কাৰণে চাৰ্কোল অফিচ বিলাকত Phone দিয়া অতি প্ৰয়োজন যাতে কামবোৰ ততালিকে হৈ উঠে। আৰু চাৰ্কোল অফিচাৰৰ কাৰণে একোখনকৈ জীপ দিব লাগে। কাৰণ বানপানীৰ সমস্যা, মাটিৰ সমস্যা ইত্যাদিৰ কামৰ ক্ষেত্ৰতো গাড়ীৰ প্ৰয়োজন। এই গাড়ীৰ

অভাৱত প্ৰশাসনীয় ব্যৱস্থাই বহু সময়ত আগবাঢ়িব পৰা নাই। মই এটা উদাহৰণ দিব খুজিছো যে—মই জানুৱাৰীৰ ১৮ তাৰিখে পুথিমাৰি অঞ্চলৰ ৩নং আঠগাওঁত যাওতে তাত মই দেখিছিলো এজন মণ্ডলে এগৰাকী বিধবাক প্ৰতাৰণা কৰিছিল। সেই মানুহগৰাকীৰ নাম মতিবালা নাথ আৰু তেওঁৰ স্বামীৰ নাম ৰাধা নাথ।

এই মানুহগৰাকীৰ স্বামী মৃত। অথচ বিধবা গৰাকীৰ পুত্ৰ সন্তানো আছিল। তেনে স্থলত মণ্ডলে টকা খাই মানুহজনৰ ভায়েকৰ নামত মথাউৰিৰ ক্ষতিপূৰণৰ টকা দি দিলে। বিধবা গৰাকীক প্ৰতাৰণা কৰা হল। কাউৰ বাহা গাওঁৰ বংশীৰাম দাস নামৰ মানুহজনৰ ১০ বিঘা মাটি আছিল আৰু সেই মাটিৰ পট্টানম্বৰ ১২২। এইটো এটা অতি গৰীৱ পৰিয়াল। S.D.C.এ দাসক প্ৰতাৰণা কৰি আন এজনৰ নামত মাটিখিনি দি দিলে। কাৰণ এই মানুহজন এজন কংগ্ৰেছী মানুহহেনো।

ৰঙ্গিয়া অঞ্চলত ৰেল লাইনৰ কিনাৰে কিনাৰে মানুহক ৰেলওৱেবিভাগৰ মাটিখিনিও ওপৰত পট্টন দিয়া হৈছে। এই মাটি প্ৰকৃত ভাবে পাবলগীয়া মানুহবোৰে পাইছে নে নেপাবলগীয়া উপকৰুৱা মানুহে পাইছে তাৰ প্ৰকৃত তদন্ত হব লাগে। কাৰণ মাটিৰ মুৰকত থকা খেতিয়ক পৰিয়ালবোৰকহে এই মাটি দিয়াৰ ব্যৱস্থা আছিল। মই এই বিষয়টো তদন্ত কৰিবলৈ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। মাননীয় অধ্যক্ষ প্ৰশাসনীয় যন্ত্ৰটো আজি চালভঙ্গা অৱস্থাত আছে। S. D. C. পৰ্য্যায়ৰ প্ৰশাসনটো ভাল কৰিব লাগে। এইখিনি কথা কৈয়েই মই Cutmotion প্ৰস্তাৱটো সমৰ্থন কৰিলো।

Mr. Speaker – We have got only one hour more. Minister will have to reply. Now, there are two members will to speak. One is Shri Pradhani and other is Shri Rathin Sen.

Shri Rathindra Nath Sen—Mr. Speaker, Sir. I rise to support the Cut Motion not being prejudiced of IAS

officers nor overjealous of ACS officers. To my mind, too much interference by the political parties on the administration is bound to cause deterioration in the administration. I believe if we could do away with the political interference on the administration we would get better service from the district or subdivisional authorities. Another factor which goes to deteriorate the standard of administration at the district level is frequent transfer of officers from one place to another. If experience be any guide, we know it requires atleast six months for an officer to know all about the district. And, after that if he is transferred soon—say one fine morning he gets a notice that he should go to such and such place handing over the charge to certain officer – this certainly does not help the administration. Therefore, I would suggest that the Govt. should be more particular about the posting and transfer of officers. Atleast an executive officer in the district should not be transferred before three years unless and until there is very serious negligence of duties on the part of the officer or any complaint of malpractice against an officer. The officer should not be disturbed not only for better administration but also for the welbeing people of the locality because if the people do not get an officer to their satisfaction, they will feel they in Co-operating without which the administration cannot run properly.

Secondly, Sir, so far as the corruption is concerned

the district authorities should be given more power to take action against the person found guilty of any corruption. Unless and until some sort of mandatory provisions are there to take immediate action against the corrupt persons then simply shouting here on the floor of the House that corruption runs rampant in the administration will not help us and lead us anywhere. So, I suggest that the Govt. should find out some ways and means and strengthen the hands of the executive authorities or the district authorities so also the Subdi-visional authorities so that they can take immediate steps just to remove corruption from all spheres of adminis-tration.

My last submission to the Government, Mr. Speaker Sir, is that unless and until the housing arrangement for the officers are made in the Districts and Subdivi-sions the administration will not improve. It is a pity that the officers for want of accommodation are staying at Dak Bungalow, Inspection Bungalow or Circuit House and sometimes they put up with their relatives or some body known to them. Unless this situation improves we cannot expect any service from these officers. I hope Sir, the Govt. will look into it and improve the situation so that we may get better administration from the executives.

Shri Kabir Chandra Rai Pradhani—মই এই কাট মচনটো সমর্থন কৰি কব খুজিছো—জিলা প্ৰশাসনটো এনেকুৱা বস্তু যে ইয়াৰ ওপৰত সৰ্ব্বসাধাৰণ ৰাইজৰ উন্নতি ওতঃপ্ৰোত ভাবে জড়িত। এজন সাধাৰণ মানুহে

যদি ভুল কৰে তেওঁৰ ব্যক্তিগত জীৱনত সেই ভুলত ক্ষতিগ্ৰস্থ হয়। কিন্তু এজন জিলা প্ৰশাসনৰ বিষয়াৰ যদি প্ৰশাসনীয় কাৰ্য্যত ভুল কৰে তেন্তে, সেই ভুলে সামূহিক ভাবে কেনেকুৱা বিৰাট ক্ষতি হব পাৰে সেইটো সকলোৱে জানে। আজি কালিৰ জনসাধাৰণৰ দুখ দুৰ্গতিৰ সীমা নোহোৱা হৈছে। ইয়াৰ বাবে দায়ী চৰকাৰ। আমাৰ গোৱালপাৰা জিলাৰ ৰাইজৰ দুখ দুৰ্গতিৰ মূল কাৰণ হৈছে জিলা প্ৰশাসনৰ বিশৃঙ্খল বেমেজালী অথচ প্ৰশাসনৰ কাৰণে লগে লগে টকা ব্যয় হৈছে। ১৯৬৮ চনৰ ২৪ ডিচেম্বৰ তাৰিখে জিলাৰ উপায়ুক্তৰ ওচৰলৈ ৰাইজৰ এটা 'প্ৰচেচন' যায়—এই দলটোক D. C. এ বিমুখ কৰে। ডি, চিব পৰা এনে ব্যৱহাৰ আগতে কেতিয়াও ৰাইজে পোৱা নাই। সেইবাবে বৰ্ত্তমান D. C. মহোদয়ক আতৰাই দিব লাগে।

(A voice তাৰ উত্তৰ দিছে নহয়)

এতেকে, এই মৰ্ম্মে যিমান বিলাক টকা পইচা খৰচ কৰা হৈছে সেই বিলাক অপব্যয় কৰা হৈছে। আচৰিত কথা যে, মূখ্যমন্ত্ৰী ডাঙৰীয়াই বিধবা সকলৰ 'ৰিলীফ'ৰ কাৰণে যি ৫৬ হাজাৰ টকা খৰছ কৰিবলৈ দিছিল সেই টকা অপব্যয় কৰিলে; বিধবাৰ কোনো কামত নালাগিল। যেতিয়া এনে হল, বিধবা সকলে উপকাৰ নাপালে তেতিয়া তাৰ বিপক্ষে প্ৰতিবাদ কৰিবলৈ ৰাইজে মিটিং পাতিব বুলি জানি, সেই মিটিং যাতে হব নোৱাৰে তাৰ প্ৰতি ব্যৱস্থা কৰি নষ্ট কৰিবৰ কাৰণে তাৰে তিনি হাজাৰ টকা ব্যয় কৰি ২৩ তাৰিখে ৰাতি C. R. P হাজিৰ কৰে। এইটো D. C. এ ভুল সিদ্ধান্ত কৰি ইমান টকা ব্যয় কৰিলে।

(A voice এই টকা D. C. ৰ দৰ্ম্মহাৰ পৰা কাটিব লাগে)

এইদৰে প্ৰশাসনৰ মূৰব্বী সকলে ৰাইজৰ টকা অপব্যয় কৰি ৰাইজৰ ওপৰতে পোটক তোলে। গোৱালপাৰা জিলাৰ কাৰণে যিজন D. C. দিছে সেইজন কম বয়সীয়া চঞ্চল মতিৰ লোক। এনে অনভিজ্ঞলোকৰ কাৰণে D. C. পদ হব নালাগে। তাৰ পিচত বানপানীৰ সময়ত কিবা আবেদন নিবেদন কৰিবলৈ গলে আমাৰ নিচিনা মানুহৰ কাৰ্য্যত মূল্য নিদিয়ে; কিন্তু আনৰ

বিপক্ষে যদি কোনোৱে কিবা কয় তেনেহলে তাৰ ওপৰত জোৰ দি জুলুমত পেলায়। D. C. বিলাক ১ম শ্ৰেণীৰ অফিচাৰ; তেওঁ Bias হব নালাগে। মানুহৰ ভুল হয়; কিন্তু এনে ভুল হব নালাগে। তাৰ পিচত চৰকাৰে মঞ্জুৰ কৰা Cattle loan আদিৰ সা-সুবিধা প্ৰকৃততে পাব লগীয়া মানুহবিলাকে পোৱা নাই। যাৰ হালৰ গৰু মৰিছে খেতি কৰিবলৈ কোনো সম্বল নাই; তেওঁলোকে গৰু কিনা ঋণ পাবলৈ অপৰাগ হৈছে। আনহাতে মোৰ এটা প্ৰশ্নৰ উত্তৰত এনে টকা পাইছে বুলি চৰকাৰে উত্তৰ দি গৈছে। মই টেলীগ্ৰাম পাইছো সেইবিলাক মানুহৰ পৰা। এইদৰে এহাতে মানুহে টকা পোৱা নাই আৰু আনহাতে D. C. ৰ ৰিপৰ্টৰ ভিত্তি কৰি চৰকাৰে টকা পাইছে বুলি উত্তৰ দিয়াত এইটোৱেই পৰিলক্ষিত হয় যে, D. C. এ চৰকাৰক mislead কৰিছে আৰু চৰকাৰীৰ কৰ্ম্মচাৰীৰ কাৰণে ডাঙৰ দোষ। ইয়াৰ কাৰণে শাস্তিমূলক ব্যৱস্থা হব লাগে। এনে বিলাক বেমেজালী মূলক ভাবে কাম চলি থাকিলে কেনেকৈ ৰাইজৰ উন্নতি হব আৰু উন্নয়ণ মূলক কামবিলাক হব বুজি নাপাওঁ। গোৱালপাৰা জিলাৰ প্ৰশাসনিক কাৰ্য্যত যে বেমেজালী ঘটিছে সেই কথা মাননীয় সদস্য শ্ৰীযুত দুলাল বৰুৱা দেৱে উল্লেখ কৰি গৈছে।

(সময়ৰ সঙ্কেট)

তাৰ পিচত বানপানীৰ সময়ত 'ৰিলীফ' সক্ৰান্তত পঞ্চায়ত বিলাকৰ জৰিয়তে প্ৰয়োজনীয় সামগ্ৰী বিতৰণৰ কথা আছিল আৰু ৰাইজে এই খাদ্য-সামগ্ৰী পাব বুলি প্ৰতিশ্ৰুতি দিছিল কিন্তু বাস্তৱত হল কি? আটা মাত্ৰ ৫/৬ টা বস্তা দিলে যিখিনী হাজাৰ লোকৰ কাৰণে, সমূদ্ৰত এটোপা জল।

(সময়ৰ সঙ্কেট)

এজন S. D. C ৰ মাত্ৰ ৬ মাহহে চাকৰী হৈছে। তেওঁৰ নাম পবিত্ৰ ডেকা। তেওঁ Eviction কৰিলে। D. C. এ Eviction কৰিবলৈ মানা কৰা স্বত্বেও তেওঁ Eviction কৰিলে ৰাইজৰ ঘৰ-বাৰী ভঙাই দিলে। এই বিলাক কথাও নজৰ ৰাখিব লাগে। নহলে ৰাইজৰ মাজত বিক্ষোভে দেখা দিব। বিক্ষোভ হব কাৰণ পশ্চিম কৰে আবহাৱা আহিব লাগিছে।

(সময়ৰ সঙ্কেট)

*Shri Mahandra Mohan Choudhury (Minister, Revenue)— মাননীয় অধ্যক্ষ মহোদয়, এই দাবিৰ সংক্ৰান্তত প্ৰায় ৩ ঘণ্টাৰ ওপৰ সময় লোৱা হল। আৰু এই দাবিৰ সংক্ৰান্তত এই সদনৰ ১১ গৰাকী সদস্যই অংশ গ্ৰহণ কৰিছে। আলোচনা প্ৰসঙ্গত কিছুমান বিষয় উত্থাপন কৰা হৈছে, যিবিলাক বিষয় ইয়াত অন্তৰ্ভুক্ত নহয়। যেনে Revenueৰ কথা কৈছে। 'ফিচাৰি'ৰ কথা কৈছে, Trensportৰ কথা কোৱা হৈছে। এইবিলাক বিভিন্ন বিষয়ত আলোচনা সমালোচনা কৰা হৈছে। এইবিলাক বিভাগীয় মন্ত্ৰী মহোদয় সকলেই কব। এইবিলাক কৈ মই সদনৰ সময় লব নোখোজো। অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতিক্ৰমে সেইবিলাক বাদ দি অন্য দাবিৰ বিষয়তহে উত্তৰ দিব খুজিছো। আমাৰ এই দাবিৰ সম্পৰ্কে যি কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰি প্ৰথমতে আমাৰ বিৰোধী দলৰ অন্য এটা দলৰ নেতা শ্ৰীবৰা ডাঙৰীয়াই কিছুমান কথা উল্লেখ কৰিছে। তেখেতে প্ৰথমতে কৈছে যে আজিৰ যুগৰ প্ৰশাসনীক যন্ত্ৰটো উপযুক্ত যন্ত্ৰ নহয়। এইটো পুৰণি ইংৰাজৰ দিনৰে যন্ত্ৰ। কিন্তু আজি এই চৰকাৰে সেই যন্ত্ৰটোকে তেল-তুল দি শাসন চলোৱাৰ ব্যৱস্থা কৰিছে। আচলতে এইটো নহয়। ইয়াৰ উত্তৰত মই কব খুজিছো যে সেই ইংৰাজৰ দিনৰে পুৰণি যন্ত্ৰটোৰ দ্বাৰা প্ৰশাসন চলোৱা হোৱা নাই। এই প্ৰশাসনীক যন্ত্ৰটোৰ বহুত পৰিবৰ্ত্তন কৰা হৈছে। তেল-তুল দি মেৰামতি কৰা হোৱা নাই। এই যন্ত্ৰটো সম্পূৰ্ণৰূপে বেলেগ কৰা হৈছে। আৰু এই যন্ত্ৰটো সম্পূৰ্ণৰূপে আমাৰ উপযোগী কৰি গঢ়ি তুলিবলৈ চেষ্টা কৰা হৈছে। এই যন্ত্ৰৰ দ্বাৰা আমি কিমানখিনি অগ্ৰসৰ হৈছো সেইটো মই কব খুজা নাই। এই সম্পৰ্কে শ্ৰীগৌৰীশঙ্কৰ ভট্টাচাৰ্য্যয় এটা মন্তব্য প্ৰকাশ কৰিছে যে মই এই যন্ত্ৰটো উপযোগী বুলি কব খুজিছো। এই প্ৰশাসনীক যন্ত্ৰটো আমাৰ কেনেকৈ হস্তগত হল, এই বিষয়ে মই অলপ কব খুজিছো—ইংৰাজ যেতিয়া আমাৰ দেশৰ পৰা গল তেতিয়াই আমি এইটো সিদ্ধান্ত গ্ৰহণ কৰিলো যে আমাৰ দেশৰ প্ৰশাসনীক ক্ষেত্ৰত যি সকললোকে কাম কৰিছে, যি সকল ভাৰতীয় নাগৰিক সেইসকলে কাম-কাজ কৰাৰ ক্ষেত্ৰত কোনেও

*Speech not correct

বাধা দিব নোৱাৰে। যিভাবে কাম কৰা হৈছে তেনেভাবেই কাম কৰিবলৈ সুবিধা দিব লাগে। এইবিলাক সিদ্ধান্ত অনুসৰি পুবণি যি কৰ্ম্মচাৰিক ইংৰাজৰ দিনৰ প্ৰশাসনিক পৰিবৰ্ত্তন কৰিবলৈ দায়িত্ব গ্ৰহণ কৰিলে সেই সকলকে দায়িত্ব দিয়া হল। তেওঁলোকে এটা গতত কাম কৰি আছিল। গতিকে আজি যিসকলে এটা গতত কাম কৰি আহিছে সেইসকলে সততে সেই গত সলনি কৰা সম্ভৱ নহয়। সেই কাৰণে আমাৰ প্ৰশাসনীক যন্ত্ৰত যিটো দ্ৰুত পৰিবৰ্ত্তন হব লাগিছিল সেইমতে পৰিবৰ্ত্তন হোৱা নাই। কিন্তু কমকৈ হলেও পৰিবৰ্ত্তন যে হৈছে সেইটো অস্বীকাৰ কৰিব নোৱাৰি। কিন্তু হলেও আজি কাৰ্য্যক্ষেত্ৰত যিটো দেখা গৈছে সেইটোত ঘূণে ধৰা নাই। এই যন্ত্ৰটোত যিবিলাক দোষ-ক্ৰুটি আছে সেইবিলাক শুদ্ধ কৰাই হল আজি চৰকাৰৰ মুখ্য উদ্দেশ্য। এই উদ্দেশ্যে শ্ৰীভট্টাচাৰ্য্য ডাঙৰীয়াই উল্লেখ কৰিছে যে Administrative Reform Commission হব লাগে। কিন্তু সেই Commissionএ প্ৰতি-বেদন দাখিল কৰা নাই। কিন্তু মাজে সময়ে সেই Commissionএ কিছুমান অনুমুদন ৰাজ্য চৰকাৰ আৰু ভাৰত চৰকাৰলৈ Report পঠায়। এই অনুমুদন কাৰ্য্যকৰী কৰা ক্ষেত্ৰত চৰকাৰে ত্ৰুটী কৰা নাই।

Shri Phani Bora—গ্ৰহণ কৰা নাই আৰু বহুটো ত্ৰুটী কৰি আহিছে।

Shri Mahendra Mohan Choudhury—এইবিলাক কাৰ্য্যকৰী কৰিবলৈ চেষ্টা কৰা হৈছে। যাতে কোনো ঠাইতে ত্ৰুটী নাথাকে তাৰ বাবেও চেষ্টা চলাই থকা হৈছে। এইবিলাক সম্পূৰ্ণভাবে আতৰ কৰাৰ ব্যৱস্থা কৰা হৈছে। শ্ৰীভট্টাচাৰ্য্য ডাঙৰীয়াই এটা কথা উল্লেখ কৰিছে যে ঘৰ ভঙা মানুহবিলাকক সাহাৰ্য্য দি, পুনৰ সংস্থাপন কৰাৰ ক্ষেত্ৰত সময় লৈছে। একেকুৰা ক্ষেত্ৰত সময় লবই। এইটো কোনেও অস্বীকাৰ কৰিব নোৱাৰে। এই বিলাক টকা পইচাৰ লেন দেন। যি সকলোৱে প্ৰকৃত কাম কৰেণে নকৰে, জামিন আদি দিব পাৰেণে নোৱাৰে সেইবিলাক ব্যৱস্থা কৰিব লাগে। আৰু প্ৰকৃত পাব লগীয়া মানুহে পায়নে নাপায় আৰু নাপাবলগীয়া মানুহে পায়নেকি সেইটোও ভালদৰে চাব লাগিব এইবিলাকত যে পলম হৈছে সেইটোও দূৰ কৰিবলৈ চেষ্টা কৰা হৈছে। কিন্তু

দুখীয়া মানুহ বিলাকক সহায় কৰিবলৈ যিটো ব্যৱস্থা কৰিব লাগে তাৰ ব্যৱস্থা কৰিবলৈ চৰকাৰ কেতিয়াও পৰমুখ হোৱা নাই।

এই বিষয়ে বহুত সময়ত নানা কাৰণে নানা ত্ৰুটি হৈ থাকে, এই ত্ৰুটি বিলাক দুৰ কৰিবলৈ চৰকাৰৰ তৰফৰ পৰা মই দাঠি আস্বাস দিব পাৰো। চাকৰীৰ ক্ষেত্ৰত বিশেষকৈ আমাৰ জিলাৰ প্ৰসাশনৰ ক্ষেত্ৰত জিলাত যি D. C. হিচাবে বা Police Superintendent আদি নিয়োগ কৰা হয় সেই বিলাক নতুন মানুহ বা বেচি অভিজ্ঞতা নথকা মানুহক দায়িত্ব দিয়া হোৱা বুলি মানুহে আসোৱাহ তুলিছে। এই চৰকাৰী বিষয়া সকলক নিয়োগ কাৰ্য্য কৰি, Promotion, দৰ্মহা আদিৰ নিয়ন্ত্ৰনৰ কাৰণে কিছুমান নিয়ম থাকে সেই নিয়ম বিলাক চৰকাৰে মানি চলে। তথাপিও হয়তো বিশেষ অভিজ্ঞতা নোহোৱা ব্যক্তিক কোনো ক্ষেত্ৰত নিয়োগ কৰিবৰ প্ৰয়োজন হয় এনেধৰণৰ বিষয় কোনো কোনো ক্ষেত্ৰত আমিও দেখো। সেই বিলাকৰ কাৰণ হৈছে প্ৰধানকৈ সেই বিলাক শ্ৰেণীৰ বিষয়াৰ সম্পৰ্কত চৰকাৰে যি নীতি নিয়ম বান্ধি দিয়ে সেই নীতি নিয়মৰ মাজেদি কাম কৰা স্বত্বেও কিছুমান আসোআহ নোহোৱা নহয়।

Shri Phani Bora—Sir, এই বিলাকেইটো লেঠা। কথা হল আমি সমালোচনা কৰাৰ উদ্দেশ্য হৈছে সেই নীতি নিয়ম পালন কৰা স্বত্বেও সিবিলাক আসোআহ চৰকাৰৰ চকুত পৰিছে সেই ক্ষেত্ৰত চৰকাৰৰ নীতি নিয়ম যদিও আছে তথাপি যিহেতু এই আসোআহ বিলাক চৰকাৰৰ চকুত পৰিছে তেনে নীতি নিয়ম পৰিবৰ্ত্তন কৰাৰ ক্ষেত্ৰত আমাৰ চৰকাৰৰ হাতত বান্ধি থৈ দুৰ্নীতি প্ৰশ্ৰয় দিয়াৰ এটা ব্যৱস্থা কৰিছে কিয়? সেটো কিয় হয়?

Shri Mahendra Mohan Choudhury—এই অধিবেশণৰ ভিতৰতে এই বিষয়ে নানা ৰকমৰ আলোচনা হৈছে মহোদয় আপুনি জানে যে আমাৰ যিবিলাক I. P. S. আৰু I. A. S. অফিচাৰ আছে সেইবিলাকৰ নিয়ন্ত্ৰন সম্পৰ্কে যি নীতি নিয়ম আছে সেই বিলাক সমগ্ৰ ভাৰততে একে। সেই বিষয়ে আমাৰ যিবিলাক নিয়ম কানুন সেই বিলাক কেন্দ্ৰিয় চৰকাৰে বান্ধি

দিছে আৰু সেই নিয়ম কানুন বিলাক প্ৰত্যেক ৰাজ্য চৰকাৰে মানিবলৈ বাধ্য ।

এতিয়া আমাৰ দুৰ্নীতি সম্পৰ্কে বিশেষকৈ আমাৰ কৰ্মচাৰী সকলৰ দুৰ্নীতি সম্পৰ্কে আলোচনা হৈছে। মহোদয় এই প্ৰসঙ্গত মই কওঁ বৰ্ত্তমান আমাৰ যিবিলাক দুৰ্নীতি আমাৰ মাজত সিপাই পৰা দেখি আছো সেইবিলাক অকল কৰ্মচাৰী দুৰ্নীতি নহয় বা কৰ্মচাৰীৰ ভিতৰতে আবদ্ধ থকা নাই। এইবোৰ আমাৰ সকলো Organigetion জাতিৰ আৰু সমাজৰ ব্যাধি। এই দূৰ্নীতি প্ৰত্যেক ব্যক্তিৰ ভিতৰত ব্যপক ভাৱে চলিছে। অকল সেইটোৱেই নহয় মই আৰু এটা কথা এইখিনিতে উল্লেখ কৰো যে আমাৰ বিশ্ববিদ্যালয়ৰ পৰা ওলাই অহা উজ্জ্বল প্ৰখৰ ব্যক্তি সকলে যিসকলে 1st class 1st পায় সেই সকল ডেকাকেই আমাৰ বিশ্ববিদ্যালয়ত নিয়োগ কৰে। কিন্তু বৰ দুখৰ বিষয় যে তেওঁলোকেও দুৰ্নীতিৰ আশ্ৰয় লয় বুলি আমি শুনো। তেনেস্থলত আজি আমাৰ দেশৰ কোনোয়েই দুৰ্নীতি মুক্ত নহয়। এইটো কেৱল এটা বা দুটা অনুস্থানৰয়েই নহয় আমাৰ গোটেই সমাজৰেই দোষ। সেই কাৰণে এই দুৰ্নীতি নিবাৰণৰ দুটাকৈ আমি সামাজিকভাৱে যদি এই সমস্যা সমাধান কৰিবলৈ চেষ্টা নকৰো, আমাৰ সমাজৰ যি নীতি নিয়ম আছে, তাক পৰিবৰ্ত্তন কৰি দুৰ্নীতি দমন কৰিবলৈ আইনৰ আশ্ৰয় লোৱা সম্ভৱ নহয়, ইয়াক দমন কৰিবলৈ আমাৰ সামাজিক এনেকি জাতিয় চৰিত্ৰৰ সংস্কাৰ সাধন কৰিব লাগিব। তেনেকৈ যদি আমি আমাৰ সমাজত দুৰ্নীতিৰ ভাৱ তেওঁলোকক জগাই তোলো তেন্তে আমি দুৰ্নীতি দমনৰ ক্ষেত্ৰত বহু পৰিমানে অগ্ৰসৰ হব পাৰিম। দুৰ্নীতিৰ ক্ষেত্ৰত আজি কোৱা হৈছে যে আমাৰ মন্ত্ৰীৰ পৰা তলতীয়া কৰ্ম্মচাৰীলৈকে কোনোৱেই দুৰ্নীতি মুক্ত নহয়। এই সম্বন্ধে এসময়ত মহাত্মাগান্ধীক এটা প্ৰশ্ন কৰিছিল আৰু তাৰ উত্তৰত তেখেতে হৰিজন কাকততো লিখিছিল। তাত গান্ধীজীয়ে কৈছিল যে আজি আমাৰ জাজ সকলেও ভেটি খায় ডাঙৰ ডাঙৰ অফিচাৰ সকলে ভেটি খায় এনে স্থলত এই দুৰ্নীতি নিবাৰণ কৰাৰ কাৰণে এটা দুৰ্নীতি নিবাৰণ কমিটি গঠন কৰিব লাগে আৰু সেই কমিটিয়ে এই সকলোবিলাক কামৰ বিছাৰ কৰি সকলোখিনি সন্ধান কৰি তাৰ প্ৰতিকুল ব্যৱস্থা গ্ৰহণ কৰি সমাজৰপৰা এই দুৰ্নীতি দুৰ কৰিব লাগে। আৰু সেই মৰ্ম্মে সমাজক পৰামৰ্শ দিব লাগে বুলি এটা

প্ৰশ্ন কৰিছে। তাৰ উত্তৰ মহাত্মা গান্ধীয়ে হৰিজন কাকতৰ জৰিয়তেই দিছিল। মহাত্মাগান্ধীয়ে তাৰ উত্তৰত লেখোতে কৈছিল যে সকলোৱে ভেটি খায়। আৰু এই দুৰ্নীতি নিবাৰণ কৰিবৰলৈ আপুনি এটা দুৰ্নীতি নিবাৰণি কমিটি গঠন কৰিব লাগে বুলি মোক পৰামৰ্শ দিছে কিন্তু এই সন্দৰ্ভত মই কওঁ যে সেই মৰ্ম্মে যিটো কমিটি গঠন কৰা হব- যদি সেই কমিটিতে দুৰ্নীতি পৰায়ন লোক থাকে তেন্তে সেই কমিটিৰ দুৰ্নীতি পৰায়ন লোকে দুৰ্নীতি নকৰিৰনে? যদি তেওঁলোকেও ভেটি খায় তেন্তে কোনে কাক ধৰিব? এই দুৰ্নীতি পৰায়ন জাজ যি জনে ১০০০$\frac{1}{2}$ টকা দৰ্ম্মহা পায় আৰু সেই জাজজনৰ দুৰ্নীতি যদি ১০০ টকীয়া কম দৰ্ম্মহা পোৱা কনিষ্ঠজনে ধৰিবলগীয়া হয় সেই কম দৰ্ম্মহা পোৱা কৰ্ম্মচাৰীজনে ১০০ টকা ভেটি খাই সেই জাজজনক এৰি নিদিবনে? গতিকে যেতিয়ালৈকে আমাৰ জাতিয় চৰিত্ৰ সামাজিক চৰিত্ৰ নাইবা ব্যক্তিগত চৰিত্ৰ আমি সংস্কাৰ কৰিব নোৱাৰো তেতিয়ালৈকে আমাৰ দেশৰ সকলো পৰ্য্যায়ৰ বিয়পি পৰা এই দুৰ্নীতি আমি মষিমুৰ কৰিব নোৱাৰো প্ৰথমতে আমি আমাৰ নৈতিক চৰিত্ৰ সংশোধন কৰাৰ এটা ব্যৱস্থা গ্ৰহন কৰিব লাগিব। এই দুৰ্নীতি আজি এদিনতে হোৱা নাই আমাৰ মজ্যাগত হৈ পৰিছে। মহোদয় মই আগতেও কৈছো যে বিশ্ববিদ্যালয়ৰ পৰা first class first হৈ আহি শিক্ষা বিভাগত যেতিয়া সোমাই তেওঁলোকেও যেতিয়া দুৰ্নীতি আৰম্ভ কৰে, ইয়াতকৈ আৰু পৰিতাপৰ কথা কি আছে! এইটোয়েই নুবুজায় যে এই দুৰ্নীতি কোনো ব্যক্তি বিশেষক বা অনুস্থান বিষেশক হৈ থকা নাই। এনে এটা সুদুৰ স্পৰ্ষি ব্যাধি দুৰ কৰাৰ কাৰণে আমাৰ সমগ্ৰ সমাজক সচেতন কৰিব লাগিব। আৰু সেই পদ্ধতিৰেহে আমি এই ব্যক্তি উপসম কৰিবলৈ চেষ্টা কৰিব লাগিব।

তাৰ পাচত কম দৰ্ম্মহা পোৱা চাকৰীয়ালক ঘনাই বদলি কৰাৰ কথা কৈছে। এইটো এটা সহজে উপলব্ধি কৰাৰ বিষয় যে কম দৰ্ম্মহা পোৱা শ্ৰেণীৰ কৰ্ম্মচাৰীক ঘনাই বদলি কৰিলে তেওঁলোকে নতুন ঠাইত গৈ ঘৰবাৰী পোৱাটো অসুবিধা হয় আৰু তেওঁলোকৰ লৰা-ছোৱালীক শিক্ষা দিয়াটো অসুবিধা হয়। তথাপিও তেওঁলোকক বাধ্যত পৰি বদলি কৰিবলগীয়া হয়। এই অধিবেষণতে মাননীয় সদস্য সকলৰ বহুতৰ পৰা শুনিছো যে মণ্ডল

সকলক বদলি নকৰা কাৰণে দুৰ্নীতি কৰিছে এই ক্ষেত্ৰত মই কওঁ যে মণ্ডল সকল কম দৰ্মহা পোৱা মানুহ। তথাপিও তেওঁলোকক বদলি কৰাৰ কাৰণে সদস্য সকলে পৰামৰ্শ দিছে। মই কব খুজিছো কোনো কোনো ক্ষেত্ৰত বদলি কৰাটো অপৰিহাৰ্য্য হয়। গতিকে তেওঁলোকক শাস্তিমূলক হিচাবে হলেও বদলি কৰা হয়। আকৌ কিছুমান বিষয়াৰ Reputation সম্পৰ্কে যেতিয়া বদনাম হয় সেই বিষয়ত ভিত্তি কৰি সাস্তি দিবলগীয়া হয়। গতিকে তেওঁ-লোকৰ অসুবিধা হোৱা স্বত্বেও কোনো কোনো ক্ষেত্ৰত তেওঁলোকক বদলি কৰি সাস্তি দিয়া হয়। যাতে তেওঁলোকে তেওঁলোকৰ অনিয়ামুবৰ্ত্তিতা শুধৰাই লয়। অবশ্যে সৰু সৰু কৰ্ম্মচাৰী বদলি কৰা বিষয়টো কেতিয়াবা কেতিয়াবা কতৃপক্ষৰ যে কোনোবা ক্ষেত্ৰত তাবতম্য হৈছে সেইটো মই অস্বিকাৰ নকৰো। কিন্তু মোৰ বিশ্বাস যে সেইবিলাক বিষয়ে সহৃদয়তাৰে বিবেচনা কৰা হয় আৰু সেইবিলাকৰ যাব ঘনাই বদলি নহয় তাৰো চেষ্টা কৰা হয় বদলিৰ ক্ষেত্ৰত সৰু দুখীয়াৰ অসুবিধাটোৰ কথা মইও নজনা নহয়।

তাৰ পিচত আহিল এই বিলাক বদলিৰ ক্ষেত্ৰত হোৱা অসুবিধাৰ কথা আৰু ঘৰ-বাৰীৰ কথা। এই বিষয়ে আলোচনা কৰা হৈছে আৰু পৰামৰ্শও আগবঢ়োৱা হৈছে যে আমাৰ যিবিলাক কম দৰমহা পোৱা চাকৰীয়াল আছে সেইবিলাকৰ ঘৰৰ ভাড়া বাঢ়ি যোৱাত বৰ অসুবিধা পাইছে। সেইটো কথা কোনেও অস্বীকাৰ নকৰে। আৰু চৰকাৰৰ ফালৰ পৰা চাকৰিয়াল সকলৰ কাৰণে ঘৰ বন্ধা কাম আৰম্ভ কৰা হৈছে। কিন্তু দুৰ্ভাগ্যবশতঃ আমাৰ এতিয়া আৰ্থিক সমস্যা দেখা দিলে, তেতিয়া আমাৰ ঘৰ-বাৰী বন্ধা কাম নিয়ন্ত্ৰণ কৰিব লগা হ'ল। কিন্তু সেই কাম একেবাৰে পৰিত্যাগ কৰা হোৱা নাই; তলতীয়া চাকৰীয়াল আৰু কম দৰমহা পোৱা চাকৰীয়াল সকলৰ কাৰণে ঘৰ বান্ধি দিয়াৰ কাৰণে চেষ্টা হাতত লোৱা হৈছে আৰু কাম আৰম্ভ হৈ গৈছে। তাৰ পিচত আমাৰ ভট্টাচাৰ্য্য ডাঙৰীয়াই কৈছে যে প্ৰশাসনীয় যন্ত্ৰটো East India Company ৰ দিনৰ পৰা চলি আহি আহিছে। তেখেতৰ প্ৰশ্নৰ উত্তৰত উত্তৰ হ'ল যে ইংৰাজক আমি আমাৰ দেশৰ পৰা খেদিলো। এইটো সম্ভৱপৰ হৈছে শান্তিপূৰ্ণ ভাৱে আমি খেদিলো। গতিমে সেইদৰে আমাৰে প্ৰশাসন যন্ত্ৰটো সংযুক্ত ৰাখি সম্পূৰ্ণ শান্তিপূৰ্ণ উপায়েৰে স্থায়ী আৰু

সমন্বয় ৰাখি পৰিবৰ্ত্তনৰ চেষ্টা চলোৱা হৈছে। কাৰণ শান্তিপূৰ্ণ পৰিবৰ্ত্তন হলেহে স্থায়ী পৰিবৰ্ত্তন সম্ভৱপৰ হব পাৰে। কিন্তু এই পৰিবৰ্ত্তন অলপমান দীৰ্ঘম্যাদী শান্তিপূৰ্ণ বিপ্লৱৰ লক্ষ হৈছে স্থায়ী পৰিবৰ্ত্তন সাধন। আমি যিটো পৰিবৰ্ত্তন আনিব খুজিছো সেইটো স্থায়ীত্বৰ ভিতৰেদি আনি। ইয়াৰ কাৰণে আমাৰ হৃদয়ৰ পৰিবৰ্ত্তনৰ চেষ্টা কৰিব লাগিব। এইটো যেতিয়া সম্ভৱপৰ হব আমাৰ সমস্যাৰ সমাধান হব। আমাৰ বৰা ডাঙৰীয়াই ভুৰ ভুৰাই কৈ আছে যে আমাৰ এই হৃদয়ৰ পৰিবৰ্ত্তন নহয়। মই তেখেতক কব খুজিছো যে ভাৰতবৰ্ষৰ ঐতিহ্য আৰু পৰম্পৰা মতে আনি সম্পূৰ্ণ শান্তিপূৰ্ণ পৰিবৰ্ত্তনৰ কাৰণে বিশ্বাস কৰি ৰাখিবলৈ আমাক সোঁৱৰাই দিছে। আজি যিবিলাক সামন্তবাদ ভাৰত-বৰ্ষত ৩৬৭ খন ৰাজ্য যি পুত্ৰ-পুত্ৰাদি ক্ৰমে শাসন কৰি আছিল। আৰু ৰজা সকলক খেদিবৰ কাৰণে হয়তো বহুতে অন্য পন্থা বা পৰামৰ্শ দিছিল। আৰু বৃটিছেও ভাবিছিল যে —ভবিষ্যতে এই ৩৬৭ খন ৰাজ্যই এদিন ভাতবৰ্ষত বিপ্লৱৰ শৃষ্টি কৰিৰ। যাৰ মাজেদি তেওঁলোকে আকৌ ভাৰতবৰ্ষলৈ আহিব পাৰিব। সেইবিলাক জল্পনা কল্পনা নুই কৰিলে আৰু ৩৬৭ খন ৰাজ্যই ভাৰতৰ লগত লগ হৈ গ'ল। প্ৰজাসকলক বশ কৰাৰ ক্ষেত্ৰত কৃতকাৰ্য্য হৈছো।

Shri Phoni Bora—ঐতিহাসিক ভাৱে এই কথাটো অসত্য কাৰণ তেলঙ্গনাত যদি বিদ্ৰোহ নহলহেঁতেন তেতিয়া কেতিয়াও হায়দৰাবাদৰ নিজামৰ হৃদয়ৰ পৰিবৰ্ত্তন নহলহেঁতেন। আৰু শেখ্ আবদুল্লাৰ নেতৃত্বত যদি জাতীয় আন্দোলন গঢ়ি নুঠিলহেঁতেন কাশ্মীৰ ভাৰতবৰ্ষৰ লগত চামিল নহলহেঁতেন। গতিকে এইটো ঐতিসাহিক ভাৱে অসত্য বুলি কওঁ।

Shri Mahendra Mohan Choudhury—আমাৰ বৰা ডাঙৰীয়া ঐতিহাসিক নহয় মইও নহও। এইটো ইতিহাসৰ কথা। ঐতিহাসিক বিলাকে ঠিক কৰিব। আমি পুৰণা প্ৰশাসনীক যন্ত্ৰ শান্তিপূৰ্ণ পদ্ধতিৰে পৰিবৰ্ত্তন কৰাত বিশ্বাস ৰাখো আৰু চেষ্টা চলাই আছো হৃদয়ৰ পৰিবৰ্ত্তনৰ কাৰণে। আজি ভট্টাচাৰ্য্য ডাঙৰীয়াই কৈছে যে আয়ুক্তক যথেষ্ট ক্ষমতা দিব লাগে। ক্ষমতা নিদিয়াৰ বাবে আমাৰ সোণেশ্বৰ বৰাই কৈছে যে এই পদটো তুলি দিব লাগে।

Shri Gaurisankar Bhattacharyya—মই কৈছো তুলি দিয়ক নাইবা যথেষ্ট ক্ষমতা দিয়ক।

Shri Mahendra Mohan Choudhury—এই পদটো আমি তুলি দিছিলো। কংগ্ৰেছ শাসন যেতিয়া প্ৰথম প্ৰতিষ্ঠিত হ'ল। এই কমিচনাৰ পদটো তুলি দিয়া হ'ল। কিন্তু যেতিয়া প্ৰশাসনৰ কাম বাঢ়ি গ'ল আৰু প্ৰশাসন যন্ত্ৰৰ সমন্বয় কৰিবৰ কাৰণে প্ৰয়োজন হ'ল তেতিয়া এই কমিচনাৰৰ পদটো পুণৰ সৃষ্টি কৰা হ'ল।

He is the controlling officer of all D. Cs, and Sub-divisional Officers, he is to supervise the difficult aspect of district administration like law and order, revenue etc. He is the controlling officer of all municipalities, approves their budget and also does inspection. He is to supervise revenue collection. As senior experienced officer he is expected to perform the functions of a friend, philosopher ahd guide. He gives advice on the basis of his experience in matters like creation of administrative units, subdivision and similar other matters when it is sought by the department. He is expected to supervise relief measures in time of natural calumnities like fire, famine and flood. He conducts departmental inquires. Recently the commissioner has been entrusted with the enquiry regarding the breach in the embankment during the June/69 floods. He supervises expeditious disposal of land acquisition matters.

( A voice : He is also asked to count the waves of Brahmaputra. )

এটা কথা Bhatta ডাঙৰীয়াই কৈছে যে আমি বহুত সময়ত নীতি ঘোষণা কৰো আৰু বহুত খৰচ কৰো কিন্তু তাৰ প্ৰয়োগৰ চেষ্টা আমি কৰা

নাই বুলি তেখেতে অভিযোগ কৰিছে। এই কথা মই মানি লব নোৱাৰো। আমি ঘোষণাবিলাক এটা লক্ষ লৈ কৰো আৰু সেই লক্ষত উপনীত হবৰ কাৰণে চেষ্টা কৰো, অৱশ্যে ঘোষণা অনুযায়ী আমি সিমান আগবাঢ়িব পৰা নাই, কিন্তু আমি লক্ষত উপনীত হবলৈ চেষ্টা কৰি আছো।

Sir vigilance কমিটিৰ কথা কোৱা হৈছে, vigilance কমিটিৰ administration reformation কমিটিৰ অনুমোদন মতে কৰা হৈছে। তথাপিও vigilance কমিটিয়ে ভাল কাম দিব পাৰিছে বুলি কব নোৱাৰি। কেনেকৈ এইবিলাক শক্তিশালী কৰিব পাৰি আৰু কেনেকৈ এই কমিটিবিলাকৰ দ্বাৰা সমাজৰ সমস্যা দুৰ কৰিব পাৰি সেইটো চাব লাগিব। এই বিষয়ে সদনৰ পৰামৰ্শ সমূহ আমি যত্নে গ্ৰহণ কৰিছো Executive Engineer আৰু Transport Department ৰ কথা মই কব খোজা নাই কাৰণ সেইবিলাক বিষয়ে ইতিমধ্যে আলোচনা হৈ গৈছে কিন্তু এজন মানুহ কংগ্ৰেছী হোৱাৰ কাৰণে ৰাতা-ৰাতি ধনী হৈ যোৱা বা প্ৰশাসনীক ক্ষেত্ৰত বিশেষ সুবিধা পোৱা বুলি যি অভিযোগ কৰিছে সেইটো আমি কব নোৱাৰো। মই জানো এই কথা সদনত উঠাৰ লগে লগে সদনৰ বাধা পাম আৰু সেইটো জানিয়েই মই Requestৰ সুৰত মোৰ কথা প্ৰকাশ কৰিছো।

আমাৰ বিৰোধী ফালৰ সদস্য সকলে কংগ্ৰেছৰ নীতি বেয়া বুলি কোৱা নাই তেওঁলোকে মাত্ৰ কৈছে কংগ্ৰেছৰ নীতি বাহিৰলৈ যোৱাটো বেয়া হৈছে, যদি কোনোবাই খদ্দৰ পিন্ধা কাৰণে আমাক দোষাৰোপ কৰিব খোজে তেনেহলে এইটো উচিত হোৱা নাই। মই Congress ৰ Spoksman হিচাবে এইবোৰ কথা কোৱা নাই। কংগ্ৰেছৰ নীতি মনাৰ পিছত যেইকোনো এজন লোক কংগ্ৰেছী হব পাৰে কিন্তু কংগ্ৰেছী লোক হোৱাৰ কাৰণে যদি কোনোবাই সুবিধা লাভ কৰে সেইটো কেতিয়াও সমৰ্থন কৰিব নোৱাৰি। শ্ৰীসোণেশ্বৰ বৰা ডাঙৰীয়াই কৈছে যে জিলা প্ৰশাসনৰ ক্ষেত্ৰত যিটো ব্যৱস্থা আছে সেইটো তুলি দিব লাগে আৰু তাৰ পৰিবৰ্ত্তে পঞ্চায়ত শাসন চলাব লাগে। কিন্তু আপোনালোকে জানে নানান কাৰণত পঞ্চায়তবিলাক কৃতকাৰ্য্য হোৱা নাই আৰু টকা পইছাৰ অভাৱৰ কাৰণে যি ধৰণে কাম কৰিব লাগিছিল বা টকা পইচাৰ আদান প্ৰদান ক্ষেত্ৰত পঞ্চায়ত সমূহে যি ধৰণে কাম কৰিব লাগিছিল

সেইমতে কৰা নাই। পঞ্চায়ত শাসন ব্যৱস্থা এচামে কৰিবলৈ হলে কি অসু-বিধাৰ সন্মুখীন হব লগা হব সেইটো আপোনালোকে সহজে অনুমান কৰিব পাৰে। আদৰ্শৰ ভিত্তিত পঞ্চায়ত শাসন চলোৱাৰ কথা চিন্তা কৰিলেও বাস্তৱ ক্ষেত্ৰত বৰ্ত্তমান অৱস্থাত সম্ভৱ নহয়।

শ্ৰীফনী বৰা ডাঙৰীয়াই কৰ্ম্মচাৰী সকলৰ দুৰ্নীতি আৰু তাৰ কাৰণে যি Proceedings লোৱা হয় সেই সম্পৰ্কে তেখেতে কৈছে যে আমাৰ Proce-ding বিলাক "ফোচ" হৈ যায়। তেখেতৰ ভাষাতেই মই এই কথা কৈছো। তাৰ কাৰণে চৰকাৰে যিবিলাক সমালোচনাৰ সন্মুখীন হব লগা হয় সেই সেই কথাতো আপোনালোকে জানে। যিবিলাক মানুহৰ ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা লবলৈ চেষ্টা কৰে তেতিয়া সদনত সমালোচনা হয় যে চৰকাৰে চাকৰীয়ালৰ ওপৰত অত্যাচাৰ কৰে আৰু যদি তেওঁলোকক খালাচ কৰি দিয়া হয় তেতিয়া আপোনালোকেই কয় যে চৰকাৰে ধামাচাপা দিবলৈ চেষ্টা কৰিছে।

**Shri Dulal Chandra Barua**—আমি কেতিয়াও কোৱা নাই যে দোষিক শাস্তি দিব নালাগে, দোষিক শাস্তি দিব লাগে আৰু যিবিলাক Proceeding Pending হৈ থাকে সেইবিলাক অতি সোনকালে Dispose কৰিব লাগে।

**Shri Mohendra Mohan Choudhury**—সদস্য জনৰ কথা মই মানি লৈছো, কিন্তু সংবিধানে চাকৰীয়ালক যি নিৰাপত্তা দিছে তাৰ নিমিত্তে অনেক সময়ত তেওঁলোকে খালাচ পায় আৰু তাৰ কাৰণে যিবিলাক Procee-ding কৰা হয় সেইবিলাক বেছি দিনলৈ ৰখাটো উচিত নহয় কিন্তু বহুত সময়ত দেখিছো যে আমাৰ যিবিলাক কৰ্ম্মচাৰীৰ Proceedings লোৱা হয় তেওঁলোকে explanation আদি দিয়াত দেৰি কৰে আৰু সেই কাৰণে দেৰি হৈ যায়। আগতে প্ৰত্যেক Department য়ে Proceeding লোৱাৰ ব্যৱস্থা আছিল কিন্তু সেইটো কাৰ্য্যকৰী নহয় আৰু বহুত সময়ত Dept. ৰ অফিচাৰৰ অনভিজ্ঞতাৰ কাৰণে Proceeding বিলাক নষ্ট হৈ যায়, সেই কাৰণে এই অসুবিধা বিলাক দূৰ কৰিবৰ কাৰণে এজন বিশেষ বিষয়াক নিযুক্ত কৰা হৈছে।

আমাৰ মাননীয় সদস্য বৰা ডাঙৰীয়াই উল্লেখ কৰিছে যে I. A. S.

অফিচাৰ বিলাকৰ Revenew ৰ সম্পৰ্কে কোনো জ্ঞান নাই বা কোনো Training নাই। কিন্তু সেইটো কথা নহয় I. A. S. অফিচাৰ বিলাকে Revenew ৰ Training লব লাগে। I. A. S. অফিচাৰ বিলাকৰ Revenew Dept. ৰ বা Revenew-Settlement ৰ জ্ঞান নাই বুলি মই কব নোৱাৰো।

Shri Dulal Chandra Barua—গুৱাহাটীত কোনোবা এজন I.A.S. অফিচাৰক Revenew-Settlement ৰ জ্ঞান নথকাকৈয়ে Settlement অফিচাৰ কৰি দিয়াৰ কথা চৰকাৰে জানেনে ?

Shri Mahendra Mohan Choudhury—তেনেকুৱা কথা আমি জনাত নাই। হঠাতে কোনোৱা অফিচাৰক বদলি কৰিব লগীয়া হলে Stop-Gap ত কোনোবা অফিচাৰক দিয়া হয়, আৰু তেনেকুৱা যে হয় মই তাক অস্বীকাৰ কৰিব নোৱাৰো। কিন্তু সেই অফিচাৰ বিলাকৰ Settlement ৰ জ্ঞান থাকিব লাগিব। এইটো এটা Primary কথা।

এই খিনিতে আমাৰ মাননীয় বন্ধু শ্ৰীবিনয় কৃষ্ণ ঘোষে এটা কথা কৈছে যে, গোৱালপাৰাৰ সৈনিক স্কুলৰ কাৰণে যিবিলাক মাটি অধিগ্ৰহণ কৰিছিল তাৰ ক্ষতিপূৰণ মানুহে এতিয়ালৈকে পোৱা নাই। সৈনিক স্কুলৰ কাৰণে ৬৬ বিঘা ১৪ কঠা ১৮ লেচা মাটি অধিগ্ৰহণ কৰিছিল আৰু তাৰ বাবে ২৫,৬৫২ টকা ২২/২/৬৯ তাৰিখে দিয়া হৈছে আৰু সেইবিলাক বিতৰণ কৰা হৈছে।

আজি মোৰ প্ৰিয় বন্ধু Shri Shamsul Huda চাহাবে কৈছে যে, I. A. S. অফিচাৰ বিলাকে ইমান সুবিধা লোৱাৰ মূলতে মন্ত্ৰীসকলৰ দুৰ্ব্বলতা অৱশ্যে মন্ত্ৰীসকলৰ গাত শাৰীৰিক শক্তি কিমান আছে কব নোৱাৰো। কিন্তু তেখেত সকলৰ Dept. নিয়ন্ত্ৰন কৰিবৰ কাৰণে যিমানখিনি শক্তিৰ প্ৰয়োজন সেইখিনিৰ অভাৱ নাই। সেই কথাটো মই দুখেৰে সৈতে কবলগীয়া হৈছো।

( A Voice শক্তি আছেনে নাই আপোনাৰ পৰা ৫নং জন চাবথুজিছো )

Shri Dulal Chandra Barua—দাড়ি গোফ নোহোৱা মানে অভিজ্ঞতা নোহোৱা আৰু অজ্ঞানী।

**Shri Mahendra Mohan Choudhary**—এইটো বৰ আচৰিত কথা কৈছে যে, দাড়ি গোফ নথকা মানুহ S. D. O. কৰিছে আজি আমাৰ ডেকা যুৱক সকলৰ যি শক্তি আছে, সেই যুৱক শক্তি আগবাঢ়ি আহিবলৈ চেষ্টা কৰিছে।

**Shri Shamsul Huda**—দাড়ি গোফ নোহোৱা দুটা অৰ্থ আছে। এটা হৈছে তিৰুতা, আৰু আনটো হৈছে অভিজ্ঞতা নোহোৱা।

**Shri Mahendra Mohan Choudhury**—চাৰ, যুৱক সকলে যাতে আজি শাসনতো অংশগ্ৰহণ কৰিব পাৰে তাৰ কাৰণে ব্যৱস্থা কৰা দৰকাৰ। কেৱল চাকৰিৰ ক্ষেত্ৰতেই নহয় ৰাজনৈতিক ক্ষেত্ৰতো যুৱকসকলে তেওঁলোকৰ নায্যদাবী পাব লাগে। দাড়ি গোঁফ নোহোৱা নীতি ললে কোনো কম নহয়। সেই একে গৰাকী সদস্যই কৈছে যে, এই I.A.S. অফিচাৰৰ দ্বাৰাই দেশত উশৃঙ্খলৰ সৃষ্টি কৰিছে। আৰু তেখেতে কৈছে আমি দাণ্ডাপাৰ্টিৰ দ্বাৰা এই-টোৰ পৰিবৰ্ত্তন কৰিব বিচাৰিছো। ইয়াৰ উত্তৰত তেখেত সকলৰে দলপতি ভটাচাৰ্য্য ডাঙৰীয়াই কৈছে। দেশত এনেকৈ অশান্তিপূৰ্ণভাৱে মানুহক আকৰ্ষণ কৰি উচতাই দিয়াতো উচিত নহয়। এইটো ভটাচাৰ্য্য ডাঙৰীয়াই ঠিকেই কৈছে। এনেকৈ উচতাই মানুহৰ মনোবৃত্তি বেয়া কৰিলে বহুতো নিৰ্দ্দোষী মানুহো তাৰ ভাগী হব লাগিব। আৰু তেনেকুৱাকৈ যাতে নকয় তাৰ কাৰণে মই সাৱধানেৰে বিতংভাৱে কথাবিলাক বিবেচনা কৰিবলৈ কওঁ।

**Shri Dulal Chandra Barua**—মাননীয় মন্ত্ৰী মহোদয়ক আমি মাৰপিত লগাই দিয়া বুলি কোনো কথা কোৱা নাই আমি কৈছো যে, আমাৰ কাৰো পিঠি নাথাকে যদি এইটো হয়। আৰু এইটো নোহোৱাৰ আগতে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈহে আমি কৈছো।

**Shri Mahendra Mohan Choudhury**—চাৰ, মোৰ বন্ধু শ্ৰীকামিনি শৰ্ম্মাই কৈছে যে, যিবিলাক মাটি অধিগ্ৰহণ কৰিছিল তাৰ ক্ষতি-পূৰণ দিয়াৰ কাৰণে ২ মাহৰ ভিতৰতে এই কাম সম্পূৰ্ণ কৰাৰ কাৰণে নিৰ্দ্দেশ দিছিল বুলি মোৰ নাম উল্লেখ কৰিছে। আৰু কৈছে যে এইবি াক

কাৰ্য্যত দেখা নাই। এই বিষয়ে সদনৰ কেইবাজনো সদস্যই আলোচনা কৰিছে। ইয়াৰ অসোৱাহবিলাক দূৰ কৰিবৰ কাৰণে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে। তদুপৰি ক্ষতিপূৰণ দিয়াৰ ক্ষেত্ৰত ডাঙৰ অন্তৰায় হ'ল—মাটিৰ ওপৰত থকা ফচলৰ মূল্য নিৰ্দ্ধাৰণ কৰা। সদনৰ যি Estimate কমিটি আছে সেই Estimate committeeয়ে তদন্ত কৰি কিছুমান পৰামৰ্শ আগ বঢ়াইছিল আৰু কিছুমান এনেকুৱা কেচো আছিল যে, বস্তুৰ প্ৰকৃত মূলতকৈ ১০ গুণ বেচি মূল্য দিয়া হৈছে। এই ক্ষেত্ৰত তদন্ত কৰোতে অলপমান লেহেম হয়।

স্বাভাৱিকতে মন্ত্ৰী হিচাবে এই Payment বিলাকৰ দায়িত্ব মই লব নোৱাৰো। আৰু ২ মাহৰ ভিতৰতে এই সকলোবিলাক কৰি দিব লাগে মই এইটোও কব নোৱাৰো। মুঠতে দৌৱা-দৌৰিকৈ কোনো ক্ষতিপূৰণেই দিব নোৱাৰি। এইবিলাক চালি জাৰিহে ক্ষতিপূৰণ দিব পৰা হব। এঠাইত ক্ষতিপূৰণ দিওঁতে যে লেহেম হয় এইটো মই স্বীকাৰ কৰিছো। মই এই মন্ত্ৰীসভাত থকাত ২ বছৰ হল। এই দুবছৰৰ ভিতৰত প্ৰত্যেক দিনেই Secret.ry বা Directorৰ লগত এই বিষয়ে মফচলতো গৈছো কিন্তু এই কথাত কোনো কৃতকাৰ্য্যতা হব পৰা নাই।

আমাৰ চেক্ৰেটৰী Chief Engineer (R & B), এইবিলাক তাত স্থানীয়ভাৱে পৰিদৰ্শন কৰি হুকুম দি আহিব পৰা ব্যৱস্থা কৰা হৈছে। তেন অৱস্থা, ফলত নলবাৰী মহকুমাত বহুতো কাৰ্য্যকৰী ব্যৱস্থা কৰা হৈছে। এই বছৰৰ ভিতৰতে প্ৰায় ৫০ লাখ টকা ক্ষতিপূৰণ দিয়া হৈছে। মাননীয় সদস্য সকলে আগবঢ়োৱা পৰামৰ্শবলী যদি ন্যায় সংগত আৰু উচিত বুলি বিবেচনা কৰা হয় তেনেহলে মানি লম আৰু সেইমতে কাম কৰিবলৈ চেষ্টা কৰা যে হব তাত মোৰ অকনো সন্দেহ নাই। এইখিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাৱটো উঠাই লবলৈ মাননীয় সদস্য সকলক অনুৰোধ কৰিলো।

M. Shamsul Huda—মাননীয় মন্ত্ৰী মহোদয়ে ডাঙৰ পাৰ্টিৰ কথা কৈছো বুলি কৈছে। মই এই কাৰণে কৈছো যে যদি নীতি সংবোধন কৰিব নোৱাৰে তেনেহলে ক্ষমতা এৰি দিয়া উচিত। আৰু যদি ক্ষমতা এৰি

নিদিয়ে তেতিয়া জনসাধাবণে সমষ্ট পাৰ্টি বাদ দি একপাৰ্টি হব আৰু সেইটো হব "ডাণ্ডা পাৰ্টি"। সেইটোহে মই কৈছো।

Shri Mahendra Mohan Choudhury—অধ্যক্ষ মহোদয়, যিধৰণে সমালোচনা কৰিছে, সেই ধৰণে গ্ৰহণ কৰিছো।

Mr. Speaker : Now, I put the question. The question is that the total provision of Rs. 1,10,64,100 under Grant No. 12, Major Head 19—General Administration (III-Commissioners and District Administration) at pages 58—67 of the Budget be reduced by Re 1 i.e. the amount of the whole grant of Rs. 1,10,64,100 do stand reduced by Re. 1.

(The House divided)

Noes—47

Shri A. Thanglura
" Abdul Matlib Mazumdar
" Altaf Hossain Mazumder
" Azizur Rahman Chaudhury
" Ataur Rahman
" Bazlul Basit
" Bishnulal Upadhyaya
" C. G. Karmakar
" Debeswar Sarmah
" Devendra Nath Hazarika
" Dharanidhar Choudhury
" Durgeswar Saikia
" Gajen Tanti

Shri Govinda Chandra Bora
" J. B. Hagjer
" Jadu Nath Bhuyan
" Jogen Saikia
" Kamakhya Prasad Tripathi
" Karuna Kanta Gogoi
" Lakshmi Prasad Goswami
Shrimati Lily Sen Gupta
Shri Mahendra Mohan Choudhury
" Mahendra Nath Hazarika
" Malia Tanti
Rani Manjula Devi
Shri Manik Chandra Das
" Mathura Mohan Sinha
" Mathius Tubu
" Nakul Chandra Das
" Narendra Nath Sarma
Shrimati Padma Kumari Gohain
Shri Paramananda Gogoi
" Prabin Kumar Choudhury
" Prafulla Choudhury
Mrs. Pranita Talukdar
Shrimati Pushpalata Das
Shri Pushpadhar Chaliha
" Ramesh Chandra Barooah
" Ranendra Basumatari
" Ratneswar Konger
" Sadhan Ranjan Sarkar
" Sarat Chandra Goswami

Shri Satindra Mohon Dev
" Surendra Nath Das
" Syed Ahmed Ali
" Tilok Gogoi
" Upendra Nath Sanatan

Ayes—23

Shri Abala Kanta Goswami
M.A. Musawwir Choudhury
Md. Azad Ali
Shri Benoy Krishna Ghose
" Bhadra Kanta Gogoi
" Dulal Chandra Barua
" Gaurisankar Bhattacharyya
" Govinda Kalita
" Kabir Chandra Roy Pradhani
" Kamini Mohan Sarma
" Kehoram Hazarika
" Lakshya Dhar Chaudhury
" Maneswar Boro
" Matilal Nayak
" Mohidhar Pegu
" Motilal Kanoo
" Phani Bora
Jonab Rahimuddin Ahmed
Shri Rothindra Nath Sen
" Sailen Medhi
" Sarat Chandra Rabha
M. Shamsul Huda
Shri Soneswar Bora

Mr. Speaker—Ayes—23

Noes—47

The Cut Motion is lost.

Shri Dulal Chandra Barua—A point of order, Sir. One hon. member belonging to party in power after casting his vote entered the Chamber by a different door. The vote cannot be counted. It will have to be cancelled. It is the convention of House that the hon'ble members after casting their vote should enter the chamber through a proper door.

Mr· Speaker—The vote cannot be cancelled now. In future the convention of the House should be followed by the hon members strictly.

I put the question. That a sum of Rs. 1,10,64,100 (Rupees one crore, ten lakhs, sixtyfour thousand and one hundred), be granted to the Minister incharge to defray the charges which will come in course of payment during the year ending the 31st day of March, 1970, for the administration of the head "19—General Administration (III-Commissioner and District Administration)".

( The motion was adopted )

Now, we take the Call Attention. Shri Kamini Sarma.

Calling Attention To A matter of Urgent Public Importance – Government's failure to prevent smuggling in in the state.

Shri Kamini Mohan Sarma—"চোৰাং সামগ্ৰীৰে অসমৰ বজাৰ উভৈনদী" (অং বাঃ, ১৯ ফেব্ৰুৱাৰী) কিন্তু কাৰ্য্যকৰী ব্যৱস্থা লবলৈ চৰকাৰ সক্ষম হোৱা নাই (নিজস্ব প্ৰতিনিধিৰ পৰা)

শ্বিলংঃ ১৮ ফেব্ৰুৱাৰী—অসম ৰাজ্যখন বিদেশী বস্তুৰ চোৰাং ব্যৱসায়ৰ লীলাভূমিত পৰিণত হৈছে। প্ৰতিবছৰ লাখ লাখ টকাৰ বিদেশী বস্তু অসমলৈ চোৰাং ভাৱে আমদানি হৈয়েই আছে, তাৰে নিচেই সামান্য পৰিমানৰ ব্যয় বস্তু ধৰা পৰিছে যদিও সৰহ পৰিমাণৰ চোৰাং বস্তু এতিয়াও ধৰা নপৰাকৈয়ে আছে।

যোৱাবছৰ কেন্দ্ৰীয় শুল্ক বিভাগে অসম-পাকিস্থান আৰু ব্ৰহ্মদেশৰ সীমান্তত প্ৰায় ৭ লাখ টকাৰ চোৰাং বিদেশী সামগ্ৰী বাজেয়াপ্ত কৰে। এই ধৰা পৰা সামগ্ৰীৰ সমূহৰ ভিতৰত আছে ঘড়ী, সোণ, ৰূপ, ৰেডিঅ' আৰু অন্যান্য মনোহাৰি সামগ্ৰী। ধৰা পেলোৱা বিদেশী সামগ্ৰী বিলাকৰ ভিতৰত চীন দেশীয় বয়-বস্তুও আছে। চীনদেশত তৈয়াৰী ফাউনটেনপেন চিগাৰেট লাইটাৰ আদি অসমৰ চহৰ আৰু গাওঁ-ভূঁইৰ বজাৰত মুকলি ভাৱে বিক্ৰী হোৱা কথা সকলোৰে জনাজাত।

অসমলৈ এই বিদেশী বস্তুবোৰ বিশেষকৈ মণিপুৰ, ত্ৰিপুৰা, কাছাৰ আৰু খাছীয়া জয়ন্তীয়া পাহাৰ জিলাইদি আহে। ৰাজধানীত এই সামগ্ৰীবোৰ ৰখাৰ এটা ঘাটি আছে যদিও ইয়াৰ প্ৰধান ঘাটি গুৱাহাটীত বুলি কৰ্ত্তৃপক্ষই সন্দেহ কৰে। কিন্তু এতিয়ালৈকে এই ঘাটি উদ্ধাৰ কৰিব পৰা হোৱা নাই।

এটা মহলে সন্দেহ কৰে যে চীনদেশীয় সামগ্ৰী যিবিলাক অসমলৈ আহিছে সেইবোৰ ইয়াত থকা চীনদেশীয় এজেন্টৰ জৰিয়তে পঠোৱা হৈছে। এই এজেন্টবোৰক নগদ টকা দিয়াৰ পৰিবৰ্ত্তে সামগ্ৰীবোৰ বিক্ৰী কৰি পোৱা ধনেৰে এজেন্টবোৰে পশ্চাংঘাটী কাৰ্য্যত লিপ্ত হবলৈ নিয়োগ কৰা চীন এজেন্টৰ বাবে ব্যয় কৰে। যোৱা কেইবছৰত কেবা লাখ টকাৰ চীনা সামগ্ৰী অসমলৈ আহিছে আৰু অসমৰ বিভিন্ন ঠাইত এনে সামগ্ৰী বিক্ৰী হৈছে। আনকি এবাংশ চৰকাৰী বিষয়াৰ হাততো চীনত তৈয়াৰী ফাউণ্টেনপেন বা চিগাৰেট

লাইটাৰ আদি দেখিবলৈ পোৱা যায়। এই চোৰং কাৰবাৰ ৰোধ কৰিবলৈ চৰকাৰে এতিয়ালৈকে কাৰ্য্যকৰী কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই।"

এই বাতৰিটো মই সদনত দাঙি ধৰিলো।

Shri Mahendra Mohan Choudhury— (Minister, Parliamentary Affais) Mr. Speaker, Sir, smuggled goods valued at Rs. 4,17,186.17 were detected and seized in the State by the Police, B. S. F. and Land Customs Officers during the year 1968. Of this amount Rs. 3,82,692,75 is the value of msicellaneous goods including watches and the balance of Rs. 3,4,493.42 is the value of summgled gold, silver, jewellery and currency. The total value of smuggled goods seized throughout the jurisdiction of the land customs collectorate here that is, in Assam, Manipur, Tripura and Nagaland is about Rs. 7 lakhs during 1968.

The smuggled goods after seizure and confiscation are sold by customs authorities in auction to public who may resell the same to others. Some such smuggled foreign goods in limited quantities may also be possessed and exposed for sale by petty dealers.

It may be true that some smuggled foreign goods are also being illegally sold in some of the markets in the State, but these are not in large quantities and such goods are not exposed in the open markets. Such sale is done stealthily and in small quantities. It is an exaggeration to say that the markets are flooded with smuggled goods.

There is no information with the State Govt. or the local customs authorities about large scale storage of smugglied goods in Shillong or Gauhati or any other place of the State.

In order to have more effective checks on smugglnig an ordinance amending the customs Act has been promulgated on 3.1.69. Under the provisions of this Ordinance the holders of stocks of certain notified goods are required to declare their stocks of such notified goods to the Customs authorities within a specified date and to submit further declaration for disposal of such goods. Beyond the specified date if any stock of undeclared notified goods is found with any one such goods are liable fore seizure. Having regard to the magnitude of illegal goods of any class of description the Central Govt. under this Ordinance may take special measures for the purpose of checking the illegal import, circulation or disposal of such goods or facilitating detection of such goods and specify such goods as notified goods. Steps are being taken by the Customs authorities under this Ordinance to reduce smuggling. The smuggled goods like fountain pens, mechanical lighters, watches etc. have been specified as notified goods under this Ordinance

As a central subject the State Policy generally speaking, cannot prosecute or take any legal action against smugglers. Only the officers in charge of the border Police stations and higher police officers of the border districtions who have been vested with some powers under

the Customs Act like the Land Customs Officers. The Central Bureau of Investigation is however, understood to have taken up the question of making certain offences under the Customs Act cognixable to enable all Police Officers to arrest without warrant any one violating these provisions. It has also been included in the terms of reference for the proposed Police Commission for the State to examine whether the Police in this border State should have some such powers.

## ADJOURNMENT

The Assembly then adjourned till 10 A.m on Wednesday, the 19th March, 1969

U. Tahbildar
Secretary,
Legislative Assembly, Assam

Shillong
The 18th March, 1969